প্ৰথম বছৰ ঃ প্ৰথম সংখ্যা ঃ ফেব্ৰুৱাৰী-মাৰ্চ — ১৯৯৮



OKDISCD

## সূচীক্ৰম

# পদাতিক

প্ৰথম বছৰ ০ প্ৰথম সংখ্যা ০ ফেব্ৰুৱাৰী -মাৰ্চ ১৯৯৮

পদাতিকৰ পদুলিত -১
প্ৰবন্ধ ঃ উদয়াদিত্য ভৰালী -২
ছাত্ৰ ৰাজনীতি ঃ প্ৰনৱজ্যোতি বৰা -৮
অৰ্থনীতি ঃ অদীপ কুমাৰ ফুকন-১২
সাহিত্য ঃ জিতু কলিতা - ১৬
বিশেষ নিবন্ধ ঃ হেমন্ত কুমাৰ শইকীয়া -২০
ইতিহাস ঃ কিশোৰ মোহন ভট্টাচাৰ্য -২৪
গল্প ঃ শিবানন্দ কাকতি -২৬
বিবিধা ঃ দিপক বৰা -৩৪
দলিল ঃ অনুবাদক -ভৱকান্ত দত্ত -৩৭
প্ৰাসংগিক ঃ ব্ৰজকিশোৰ শইকীয়া -৪২
কবিৰ কথাৰে ঃ দাউহাৰু কছাৰী -৪৬।
দৃষ্টিকোন ঃ হেৰম্ব প্ৰসাদ বৰুৱা -৪৭
সংস্কৃতি ঃ সিদ্ধাৰ্থ নাৰায়ন -৫২
কবিতা ঃ নীলিম কুমাৰ বৰুৱা, ভদ্ৰেশ্বৰ বড়া -৫৫
সমাজ বিজ্ঞানৰ আদিপাঠ ঃ তপন দত্ত -৫৭
দেশে দেশে সংগ্ৰাম ঃ অন্‌জুম মান্না, দিপক বৰা -৬৯
কৃষকৰ পৃথিৱী ঃ আগান মছাহাৰী -৭৩
ডেকা চাং ঃ সুৰেন বৰা -৭৭

**মুখ্য সম্পাদক ঃ যোগেন তামুলী ( অবৈঃ)**
**সম্পাদক ঃ হেমন্ত কুমাৰ শইকীয়া**
**সম্পাদনা সহযোগী ঃ ভদ্ৰেশ্বৰ বৰা , অৰ্চনা চুতীয়া, জামাল উদ্দিন আহমেদ, হেমন্ত বাৰতী, শৰৎ ফুকন, অন্‌জু প্ৰভা কলিতা।**

বেটুপাত আৰু অঙ্গ সজ্জা ঃ **দিব্যজ্যোতি নাথ**
অৰিহনা ঃ **১০.০০ টকা**

**PADATIK**
A bi -monthly
Assamese Magazine
Vol- 1. No-1 (Feb. March-98)
New Mission Market
Nagaon-782001
Phone- (03672) 80022

## পদাতিকৰ পদুলিত

### সম্পাদকীয়

সম্প্ৰতি আমাৰ সমাজ-জীৱনক অস্থিৰতা, বিশৃংখলতা আৰু জাতীয় সমস্যাই জৰ্জৰিত কৰি তুলিছে। যন্ত্ৰণাদগ্ধ এই সমাজ-জীৱনক এক সুস্থ সমাজৰ দিশলৈ পৰিৱৰ্তন কৰাবৰ বাবে বিজ্ঞানসন্মত বিশ্লেষণ আৰু বিজ্ঞানসন্মত মতাদৰ্শৰ ভিত্তিত সংগ্ৰাম সাম্প্ৰতিক সময়ৰ আহ্বান হৈ ধৰা দিছে। সকলোৱে স্বীকাৰ কৰিব যে সমাজ-জীৱনৰ এই অস্থিৰতা, বিশৃংখলতা, জাতীয় সমস্যাৰ বিজ্ঞানসন্মত উৎস আৰু কাৰণ থকাৰ দৰে বিজ্ঞানসন্মত মতাদৰ্শৰ মাজতহে সমস্যাৰ সমাধান নিহিত হৈ আছে। বাস্তৱ পৰিস্থিতিৰ সঠিক মূল্যায়ণত গঢ়ি উঠা বিজ্ঞানসন্মত দৰ্শনৰ অবিহনে কোনো, দল, সংগঠন, ব্যক্তিয়ে সমাজ-জীৱনৰ অস্থিৰতা, বিশৃংখলতা, জাতীয় সমস্যাৰ সমাধান কৰিব বিচৰা কাৰ্য ব্যৰ্থ হ'বই। সুস্থ সমাজৰ কাৰণে সংগ্ৰামত অৱতীৰ্ণ হ'ব খোজা দল, ব্যক্তি, সংগঠনৰ কাৰণে সুস্থ বিজ্ঞানসন্মত মতাদৰ্শ সফলতাৰে প্ৰয়োজনীয় চৰ্ত। সমাজ জীৱনক বিজ্ঞানসন্মভাৱে বিশ্লেষণ কৰি বিকাশৰ নিৰ্ণায়ক পথৰ সন্ধান কৰা প্ৰচেষ্টা আৰু আগ্ৰহ আমাৰ সমাজ-জীৱনত খুবেই কম। সমাজ-জীৱনৰ স্বাৰ্থতে আমাৰ-সমাজ জীৱনৰ বহুধা বিভক্ত শক্তিসমূহক স্পষ্ট দুটা ভাগত (শত্ৰু-মিত্ৰ) বিভক্ত কৰি সঠিক পক্ষত সংগ্ৰামীসকল চামিল হৈ সংগ্ৰাম আগুৱাই নিয়া জৰুৰী হৈ পৰিছে। এই ক্ষেত্ৰত সমাজ-জীৱনৰ অংশীদাৰ যুৱ-ছাত্ৰ, কৃষক, শ্ৰমিক, বুদ্ধিজীৱী, চাকৰিজীৱী, সাহিত্যিক, সাংবাদিক, শিক্ষক আদি সকলোৰে দায়িত্ব আৰু দায়বদ্ধতা বিচ্ছিন্ন বিষয় নহয়। বৰং অতি ওচৰ সম্বন্ধীয়হে। সমাজৰ অংশীদাৰ হিচাবে সেই মহান দায়িত্ব আৰু দায়বদ্ধতাক শ্ৰদ্ধা আৰু অন্তৰংগতাৰে স্বীকাৰ কৰি 'পদাতিক' ওলাই আহিছে এক দীৰ্ঘম্যাদী আৰু কাৰ্যকৰী কৰ্ম আঁচনি লৈ। সেই স্বাৰ্থতে 'পদাতিক'ক সংগঠকৰ ৰূপত গঢ় দিবলৈ আমাৰ আগ্ৰহ আৰু প্ৰচেষ্টা অব্যাহত থাকিব।



OKDISCD

# ঊনবিংশ শতিকাৰ অসমৰ শৈক্ষিক পটভূমি

❑ উদয়াদিত্য ভৰালী

ঊনবিংশ শতিকাৰ অসমৰ শৈক্ষিক পটভূমি; এই বিষয়টো সম্পৰ্কে আলোচনা আৰম্ভ কৰাৰ আগেয়ে বৌদ্ধিকতাৰ বিষয়ে দুআষাৰ কোৱা উচিত হ'ব। বৌদ্ধিকতা কোনো নিৰ্দিষ্ট ঐতিহাসিক যুগৰ একচেতিয়া সম্পদ নহয়। পৌৰাণিক যুগ, মধ্যযুগ, আধুনিক যুগ— ইয়াৰ প্ৰতিটো যুগতেই বিভিন্ন সমাজত বিভিন্ন সাঁচৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ সৃষ্টি কৰি আহিছে। ভিন ভিন সাঁচৰ সাংস্কৃতিক পৰিৱেশ আৰু সেই পৰিৱেশে নিৰ্দিষ্ট বৈশিষ্ট্যপূৰ্ণ বৌদ্ধিকতাৰ সৃষ্টি কৰি আহিছে। অৱশ্যে ইও সঁচা, চিন্তাশীলতাৰ পৰাই যদিও বৌদ্ধিকতাৰ জন্ম হয় আৰু মানসিক ভাৰসাম্য থকা সকলো মানুহেই চিন্তাশীল জীৱ, তথাপি বৌদ্ধিকতা বুলিলে চিন্তাশীলতাৰ সাধাৰণ ৰূপক ই চিহ্নিত নকৰে। চিন্তাশীলতাৰ অগ্ৰণী স্তৰটোকহে ই চিহ্নিত কৰে। এই অংশটোৱে সংখ্যাত অতি বৃহৎ নহ'লেও সমগ্ৰ সমাজখনৰ বৌদ্ধিক জীৱনক অথবা চিন্তা জগতক গঢ় দিয়াত নিৰ্ণায়ক ভূমিকা লয় আৰু সভ্যতাৰ বিকাশক গতি দিয়াত ই অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। সেয়েহে একোখন নিৰ্দিষ্ট সমাজৰ চৰিত্ৰৰ ওপৰত সেই সমাজত কেনে সাঁচৰ বৌদ্ধিকতাৰ প্ৰচলন হ'ব সি নিৰ্ভৰ কৰে আৰু আনহাতেদি প্ৰচলিত বৌদ্ধিকতাই সমাজখনৰ গুণগত চৰিত্ৰক প্ৰভাৱান্বিত কৰে।

বৌদ্ধিকতা বুলিলেই আজি যদিও স্বাভাৱিকতেই আধুনিক বৌদ্ধিকতা অৰ্থাৎ পুঁজিবাদী তথা সাম্ৰাজ্যবাদী আৰু বিশ্ব বিপ্লৱৰ যুগৰ বৌদ্ধিকতাৰ কথাই আমাৰ মনলৈ সাউৎ কৰে আহে, তথাপি ইতিহাসে ইয়াকো প্ৰাণ কৰিছে যে অতীতৰ সমাজব্যৱস্থাসমূহেও নিজ নিজ সাঁচৰে অতি উন্নত বৌদ্ধিকতাৰ চমৎকাৰ চানেকি সেই যুগৰ পৰিপ্ৰেক্ষিতত ৰাখি থৈ গৈছে। দাসপ্ৰথাযুক্ত সমাজব্যৱস্থাতো কেনে স্তৰৰ বৌদ্ধিকতাই বিকাশ লাভ কৰিব পাৰে তাৰ প্ৰমাণ দিয়ে প্ৰাচীন গ্ৰীচ অথবা ৰোমান সভ্যতাই। সামন্তীয় বৌদ্ধিকতাৰ মান কেনে হ'ব পাৰে তাৰ প্ৰমাণ দিয়ে প্ৰাচীন ভাৰতীয় অথবা মধ্যযুগীয় ইউৰোপীয় অথবা মধ্যযুগীয় অসমৰ বৌদ্ধিক কৰ্মৰাজিয়ে। যি মাপকাঠীৰেই চোৱা নাযাওক কিয় শঙ্কৰদেৱৰ বৌদ্ধিকতা উলাই কৰিব পৰা বিধৰ নহয়, যদিও ই আছিল সামন্তীয় যুগৰেই সৃষ্টি।

ওপৰৰ আলোচনাই প্ৰমাণ কৰে বৌদ্ধিকতা আধুনিক যুগৰ একচেতিয়া বৈশিষ্ট্য নহয়—অথবা ই পুঁজিবাদী সমাজৰ নিৰ্দিষ্ট বৈশিষ্ট্যও নহয়। আনহাতেদি ঊনবিংশ শতিকাৰ



অসম বুলিলে কোনো এক নিৰ্দিষ্ট চৰিত্ৰসম্পন্ন সমাজ ব্যৱস্থাক চিহ্নিত ঐতিহাসিকভাৱে নকৰে। কাৰণ জনজাতীয়, অৰ্ধ-জনজাতীয়, সামন্ততান্ত্ৰিক, অৰ্ধ-সামন্ততান্ত্ৰিক, অৰ্ধ-পুঁজিবাদী, ঔপনিৱেশিক—ইত্যাদি বিভিন্ন চৰিত্ৰৰ সমাজৰ অনেক উপাদান একে সময়তে অসমত সেই সময়ত সিঁচৰতি হৈ থকা দেখা যায়। ঊনবিংশ শতিকাৰ অসম বুলিলে কোনো এক নিৰ্দিষ্ট ঐতিহাসিক পৰিস্থিতিকো নুবুজায়। কাৰণ ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইংৰাজ সাম্ৰাজ্যবাদী শক্তি আৰু তেতিয়াৰ ব্ৰহ্মদেশৰ ৰজাৰ মাজত যি ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল, তাৰ আগৰ অসম আৰু পছৰ অসম আৰ্থ-ৰাজনৈতিকভাৱে একেখন অসম নহয়। সেই তাৰিখৰ পাছতেই আৰম্ভ হৈছিল অসম ইংৰাজ উপনিৱেশলৈ পৰিণত হোৱাৰ প্ৰক্ৰিয়া। ঊনবিংশ শতিকাৰ অসম বুলিলে কোনো এখন নিৰ্দিষ্ট দেশ অথবা ৰাজ্যকো নিৰ্দিষ্টভাৱে চিহ্নিত নকৰে। কাৰণ সেই শতিকাৰ প্ৰথম ভাগত অসম আছিল আহোম ৰাজ্যকে ধৰি বহুকেইখন স্বাধীন আৰু নিৰ্ভৰশীল সামন্তীয় আৰু অৰ্ধ-জনজাতীয় দেশৰ সমষ্টি। আধুনিক নহ'লেও দেশৰ সংজ্ঞাৰে বিবেচনা কৰিলে সেইবোৰো দেশেই আছিল, কাৰণ তাৰ নিৰ্দিষ্ট সীমা, জনসংখ্যা, চৰকাৰ আৰু সাৰ্বভৌমত্ব আছিল। ১৮২৬ চনৰ পৰা ১৮৭৩ চনলৈ অসম আছিল বংগ প্ৰেচিডেন্সীৰ অংগ। সেই শতিকাৰ শেষত ২৫ বছৰ অসম যদিও সুকীয়া প্ৰদেশ আছিল, তথাপি সেইখন আজিৰ অসম নাছিল। ই আজিৰ বাংলাদেশৰ চিলেট জিলাক সামৰাৰ উপৰিও অনেক পাৰ্বত্য অঞ্চলকো সামৰিছিল। চিলেট যেনেকৈ অসমৰ আন অঞ্চলৰ তুলনাত সমাজ বিৱৰ্তনত কিছু আগবঢ়া আছিল (মূলতঃ তেতিয়াৰ অবিভক্ত বংগৰ লগত থকা ওচৰ যোগাযোগৰ বাবে), তাৰ বিপৰীতে পাৰ্বত্য অঞ্চলবোৰৰ সমাজ বিৱৰ্তন অসমৰ ভৈয়াম অঞ্চলৰ তুলনাত যথেষ্ট পিছপৰা আছিল (মূলতঃ জনজাতীয়তাৰ প্ৰাধান্যৰ বাবে)। এনে বিচিত্ৰ পৰিৱেশপূৰ্ণ ঊনবিংশ শতিকাৰ অসমৰ বৌদ্ধিক জীৱনো যে অতি বিচিত্ৰ হ'ব আৰু ই মাথোন এটা নিৰ্দিষ্ট সুঁতিৰ বৌদ্ধিকতাৰ ধাৰক যে নাছিল বা হোৱা সম্ভৱ নাছিল সি দেখ দেখকৈ ওলাই আছে। আমি এই আলোচনাত এই বিচিত্ৰতাৰ জটিলতাত প্ৰৱেশ কৰিব খোজা নাই। ঊনবিংশ শতিকাৰ অসমৰ বৌদ্ধিক পটভূমি বোলোঁতে আমি আধুনিক পুঁজিবাদী

> আধুনিক বৌদ্ধিকতাৰ গুৰি ধৰিছে আধুনিক বিদ্বৎ সমাজে। আধুনিক বিদ্বৎ সমাজৰ সৃষ্টিত নিৰ্ণায়ক ভূমিকা লৈছে আধুনিক শিক্ষা ব্যৱস্থাই। আধুনিক শিক্ষা ব্যৱস্থাৰ উৎপত্তি হৈছে পুঁজিবাদী বিকাশৰ ফলত। অসমত পুঁজিবাদৰ স্ফুৰণ স্থানীয় সামন্তবাদৰ গৰ্ভত হোৱাৰ সুবিধা নোলাল। সেই স্ফুৰণ ঘটাৰ আগতেই অসম ইংৰাজ সাম্ৰাজ্যবাদৰ এখন উপনিৱেশলৈ পৰিণত হ'ল।



OKDISCD

তথা সাম্ৰাজ্যবাদী আৰু ঔপনিৱেশিক বৌদ্ধিকতাকেই আলোচনাৰ বিষয়-বস্তু কৰিব খুজিছোঁ।

আধুনিক বৌদ্ধিকতাৰ গুৰি ধৰিছে আধুনিক বিদ্বৎ সমাজে। আধুনিক বিদ্বৎ সমাজৰ সৃষ্টিত নিৰ্ণায়ক ভূমিকা লৈছে আধুনিক শিক্ষা ব্যৱস্থাই। আধুনিক শিক্ষা ব্যৱস্থাৰ উৎপত্তি হৈছে পুঁজিবাদী বিকাশৰ ফলত। অসমত পুঁজিবাদৰ স্ফুৰণ স্থানীয় সামন্তবাদৰ গৰ্ভত হোৱাৰ সুবিধা নোলাল। সেই স্ফুৰণ ঘটাৰ আগতেই অসম ইংৰাজ সাম্ৰাজ্যবাদৰ এখন উপনিৱেশলৈ পৰিণত হ'ল। অসমত পুঁজিবাদী বিকাশৰ বীজ ইংৰাজ সাম্ৰাজ্যবাদেহে সাম্ৰাজ্যবাদী স্বাৰ্থত ৰোপণ কৰিছিল। সেই স্বাৰ্থতেই তেওঁলোকে স্থাপন কৰিছিল (অথবা স্থাপনত সহযোগ কৰিছিল।) আধুনিক শিক্ষা ব্যৱস্থাৰো। এই শিক্ষা ব্যৱস্থা যি উদ্দেশ্যেৰেই স্থাপিত নহওক কিয়, এই শিক্ষা ব্যৱস্থাৰ পৰস্পৰ বিপৰীতমুখী দুটা দিশ আছে। তলৰ খাপৰ প্ৰশাসনীয় বিষয়া, কেৰাণী, মহৰী, মণ্ডল, দাৰোগা, মৌজাদাৰ ইত্যাদি অৰ্থাৎ সাম্ৰাজ্যবাদৰ স্বাৰ্থৰক্ষকাৰী দেশীয় দালাল শ্ৰেণীটোৰ সৃষ্টি কৰিবলৈকে সাম্ৰাজ্যবাদে এই শিক্ষা-ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ বাধ্য হৈছিল। আনহাতেদি শিক্ষাৰ কোনো পক্ষ নাই। পক্ষ আছে শিক্ষিতৰহে। শিক্ষাই এজনক শিক্ষিত কৰি সকলোধৰণৰ জ্ঞান মুক্তভাৱে অৰ্জন কৰিবৰ বাবে স্বয়ং নিয়ন্ত্ৰণৰ অৰ্হতা প্ৰদান কৰে। সেই জ্ঞান কেনে স্বাৰ্থৰ হকে ব্যৱহাৰ কৰিব সি শিক্ষাৰ ওপৰত নিৰ্ভৰ নকৰে। সি সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে শিক্ষিতজনৰ ওপৰতহে। একে জ্ঞানকেই দালালীতো ব্যৱহাৰ কৰিব পাৰি আৰু তাৰ বিপৰীতে দালালীক উচ্ছেদ কৰা কাৰ্যতো ব্যৱহাৰ কৰিব পাৰি।

এই ক্ষেত্ৰত সাম্ৰাজ্যবাদ কেনে এক পৰিস্থিতিৰ সন্মুখীন হ'ব তাৰ অলেখ উদাহৰণৰ এটা এইখিনিতেই উল্লেখ কৰিব পাৰি। ১৮০২ চনত স্বাক্ষৰিত হৈছিল বেচিনৰ সন্ধি। মাৰাঠা শক্তিৰ আনুষ্ঠানিক প্ৰধান পেচোৱাই এই সন্ধিৰে ইংৰাজৰ ওচৰত আত্মসমৰ্পণ কৰিছিল আৰু এই সন্ধিক উচিত ভাৱেই ভাৰতত ইংৰাজ সাম্ৰাজ্য প্ৰতিষ্ঠাৰ এটা অতি গুৰুত্বপূৰ্ণ সহায়ক ঘটনা হিচাপে গণ্য কৰা হয়। দৃষ্টান্তটো সেই সময়ৰ। ঘটনাটো ঘটিছিল বেচিনৰ এটা ইংৰাজ সামৰিক শিবিৰত। এজন ইংৰাজ সেনাধ্যক্ষই এটা ৰাতিপুৱা নিজ বাসভৱনৰ বাৰান্দাত বহি তেওঁৰ ভাৰতীয় চাপ্ৰাচীজনক ইংৰাজী বৰ্ণমালা শিকাই আছিল। এনেতে আহি ওলালহি তেওঁৰ এজন ইংৰাজ বন্ধু আৰু তেওঁক প্ৰশ্ন কৰিছিল—"কিহে, কি কৰি আছা?" সেনাধ্যক্ষজনে গহীনাই উত্তৰ দিছিল—"মই আমাৰ কবৰ খান্দি আছোঁ।"

উত্তৰটো অতি অৰ্থপূৰ্ণ। সেনাধ্যক্ষজনে জানিছিল ভাৰতীয়ই যেতিয়াই পশ্চিমীয়া আধুনিক শিক্ষাৰ পোহৰ প্ৰয়োজনীয়ভাৱে পাব তেতিয়াই সাম্ৰাজ্যবাদী দাসত্ব আৰু মানি নল'ব। কিন্তু তাক জানিও সাম্ৰাজ্যবাদ নিৰূপায়। কাৰণ সাম্ৰাজ্য চলাবলৈ তলতীয়া ভাৰতীয় কৰ্মী লাগিবই আৰু শাসনৰ স্বাৰ্থতেই তেনে লোকক আধুনিক শিক্ষা দিবই লাগিব। এনে পৰিস্থিতিতেই আধুনিক শিক্ষাৰ প্ৰচলন ভাৰতত সাম্ৰাজ্যবাদে আৰম্ভ কৰিবলগা



হৈছিল। অসমো তাৰ ব্যতিক্ৰম নাছিল।

অৱশ্যে ১৮২৬ চনত অসম ইংৰাজ শাসনৰ তললৈ যোৱাৰ লগে লগেই যে আধুনিক শিক্ষাৰ প্ৰচলন আৰম্ভ হৈছিল তেনেও নহয়। সেই সময়লৈকে অসমত শিক্ষাৰ প্ৰচলন আছিল অতি সীমিত। তাৰ প্ৰধান কাৰণ আছিল।—মধ্যযুগীয় অসমত যি শাসন-ব্যৱস্থা চলিছিল সেই ব্যৱস্থাত লিখা-মেলাৰ প্ৰয়োগ বিশেষ নাছিল। ৰাজশক্তিবোৰ মূলতঃ আছিল অনাৰ্যমূলীয় আৰু ৰজা তথা ৰাজন্যবৰ্গই পঢ়া-শুনাক তেওঁলোকৰ সামাজিক সন্মানৰ সৈতে বৰ্জিতা খোৱা কৰ্ম বুলি গণ্য নকৰিছিল। পুথি-পাজি পঢ়া তথা লিখা আৰু শাসনৰ চুটি বিৱৰণী আৰু দুই এটা ৰাজ আজ্ঞা সময়ে সময়ে লিপিবদ্ধ কৰা—এইবোৰতেই লিখা-মেলাৰ কাম প্ৰায় সীমিত আছিল বুলিব পাৰি। এনে কামৰ বাবে নিয়োগ কৰা লোকসকলক মূলতঃ আছিল উচ্চবৰ্ণী। সেয়েহে যি যৎ সামান্য শিক্ষাৰ প্ৰচলন আছিল সিও মূলতঃ উচ্চ বৰ্ণীসকলৰ মাজতে সীমাবদ্ধ আছিল বুলিব পাৰি আৰু তেওঁলোকৰ সংখ্যাও আছিল তেনেই তাকৰ। ইংৰাজ শাসন প্ৰচলনৰ পাছত শিক্ষাগত অৰ্হতা ফাইলভিত্তিক প্ৰশাসনত নিৰ্ণায়ক হৈ পৰাত উচ্চ বৰ্ণৰ লিখিব পঢ়িব জনা লোকসকলৰ সামাজিক উত্থান অতি চকুত পৰা ধৰণে ঘটাৰ ইও এটা আছিল কাৰণ। অৱশ্যে লগতে আন কাৰণো আছিল।

ইংৰাজে অসম দখল কৰাৰ সময়তে অসমত যি সামান্য শিক্ষাৰ প্ৰচলন আছিল তাক মূলতঃ চলাই ৰখা হৈছিল গুৰুকুল-পদ্ধতিৰ টোল আৰু পাঠশালাবোৰৰ জৰিয়তে। এই শিক্ষা মূলতঃ আছিল হিন্দুধৰ্মকেন্দ্ৰিক আৰু তেনে শিক্ষাকেন্দ্ৰৰ সংখ্যাও আছিল অতি তাকৰ। ১৮২৬ চনৰ অক্টোবৰ মাহত ডেভিড স্কটে নামনি অসমত যি ১১ খন পাঠশালা স্কুল খোলাৰ দিহা কৰিছিল, সেইবোৰো আছিল ওপৰত উল্লিখিত সাঁচৰহে। সেই স্কুলত মাথোন সংস্কৃত ভাষাহে শিকোৱা হৈছিল আৰু শাস্ত্ৰ অধ্যয়নেই আছিল একমাত্ৰ পাঠ্যক্ৰম। [বেংগল পলিটিকেল কনচাল্টচন (বঃপঃকঃ) ২৫ অক্টোবৰ, ১৮২৬, নং ২১-২] ১৮৩১ চনত আডাম হুৱাইটে জেমছ ৰী নামৰ এজন খৃষ্টান মিছনেৰীৰ সৈতে লগ হৈ গুৱাহাটীত এখন স্কুল স্থাপন কৰিছিল। য'ত প্ৰাথমিক বিজ্ঞান সম্পৰ্কীয় ইংৰাজী পুথিৰ বাংলা ভাঙনিও পঢ়োৱা হৈছিল। [বেংগল ৰেভিনিউ কনচাল্টেচন (বঃ ৰঃ কঃ), ১৮৪০, ১৮ জুন] চনত চেকোশ্ল'ভাকিয়াৰ "মৰাভিয়ান ছ'চাইটি" নামৰ খৃষ্টান মিছনেৰীৰ লগ হৈ ৰবাৰ্টচনে পাতিব খোজা স্কুলকেইখন চৰকাৰে পাতিবলৈ নিদিলে। সেই সময়ত মৰাভিয়া আছিল অষ্ট্ৰীয়ান সাম্ৰাজ্যৰ এটা অংশ আৰু ভূমধ্য সাগৰীয় আধিপত্যক কেন্দ্ৰ কৰি ইংগ-অষ্ট্ৰীয় সম্পৰ্ক সেই কালত মধুৰ নাছিল। চুয়েজ খালৰ ৰক্ষণাবেক্ষণৰ প্ৰশ্নটো ইংলেণ্ডৰ বাবে আছিল অতি গুৰুত্বপূৰ্ণ আৰু ১৮১৫ চনৰ পাছৰ পৰা অষ্ট্ৰিয়াই পূৰ্ব-দক্ষিণমুৱা সম্প্ৰসাৰণ আৰম্ভ কৰিছিল। কনচাৰ্ট অৱ ইউৰোপতো ইংগ-অষ্ট্ৰীয় বিবাদে লৈছিল তিক্ত ৰূপ।

১৮২৬ চনৰ পৰা ১৮৩২ চনৰ এপ্ৰিল মাহলৈ অসমৰ এজেণ্ট টু দি গৱৰ্ণৰ জেনেৰেল আছিল ডেভিড স্কট। ১৮৩২ চনৰ এপ্ৰিলৰ পৰা ১৮৩৪ চনৰ এপ্ৰিললৈ এই পদবীত



OKDISCD

আছিল টি চি ৰবাৰ্টচন। সেই বছৰৰপৰা অসম এজন কমিচনাৰৰ প্ৰত্যক্ষ শাসনৰ তললৈ গৈছিল আৰু মেজৰ ফ্ৰান্সিচ জেনকিন্সে ১৮৩৪ চনৰ এপ্ৰিল মাহত গ্ৰহণ কৰিছিল প্ৰথম কমিচনাৰ হিচাপে দায়িত্বভাৰ। অসমত ইংৰাজ প্ৰশাসনৰ আন বিষয়বোৰৰ দৰেই আধুনিক শিক্ষা ব্যৱস্থাই তেওঁৰ দিনৰপৰাহে এক সুস্থিৰ ৰূপ পৰিগ্ৰহণ কৰিব পাৰিছিল। সেই সময়লৈকে অসমত ইংৰাজী শিক্ষাৰ কোনো ব্যৱস্থা নাছিল বুলিবই পাৰি। আনহাতেদি যি মধ্যযুগীয় শিক্ষাৰ ব্যৱস্থা সামান্য পৰিমাণে আছিল সিও সেই সময়ত সম্পূৰ্ণ থানবান হৈ পৰিছিল। কাৰণ মোৱামৰীয়া বিদ্ৰোহে জৰ্জৰিত কৰা অসমৰ সমাজ জীৱনক মানৰ আক্ৰমণে সম্পূৰ্ণ চেদেলি-ভেদেলি কৰি পেলাইছিল। মানৰ আক্ৰমণৰ বিভীষিকাময় সময়ছোৱাত শিক্ষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা আছিল অসম্ভৱ। জীয়াই থকাসকলৰ কোন ক'লৈ পলাব লগা হৈছিল তাৰেই থানথিত নোহোৱা হৈছিল।

১৮৩১ চনত বংগৰ চৰকাৰে বংগত পাৰ্ছী ভাষাৰ সলনি বাংলা ভাষাক প্ৰশাসনীয় ভাষা হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল, কাৰণ পাৰ্ছী ভাষা জনা লোক সংগ্ৰহ কৰাটো আছিল অতি কঠিন। ১৮৩৪ চনত জেনকিন্সে কলিকতাৰ কৰ্তৃপক্ষলৈ প্ৰস্তাৱ দিছিল যে অসমৰ জিলা সদৰ গোৱালপাৰা, গুৱাহাটী, নগাঁও, দৰং আৰু বিশ্বনাথত একোখনকৈ ইংৰাজী স্কুল চৰকাৰীভাৱে পতা উচিত। লগতে প্ৰস্তাৱ দিয়া হৈছিল যে সম্ভ্ৰান্ত বংশৰ কিছু নিৰ্বাচিত অসমীয়া ডেকাক আধুনিক শিক্ষাৰে শিক্ষিত কৰিবলৈ কলিকতালৈ প্ৰেৰণ কৰিব লাগে। আৰু ইংৰাজী তথা বাংলা ভাষাত শিক্ষাদান কৰিব পৰা কিছু শিক্ষকক বংগৰপৰা অসমলৈ প্ৰেৰণ কৰিব লাগে। স্থানীয় জেলৰ কয়দীৰে স্কুল ঘৰ সজাৰ প্ৰস্তাৱো দিয়া হৈছিল আৰু সেই আঁচনি ৰূপায়ণৰ বাবে ১২,০০০ টকাৰ খৰচ মঞ্জুৰ কৰিবলৈ আবেদন কৰা হৈছিল। (বংপঃকঃ ১৮৩৪, ১০ জুলাই, নং ২১১)

১৮৩৫ চনৰ জুন মাহত কলিকতাৰ ইংৰাজ কৰ্তৃপক্ষই এই প্ৰস্তাৱ বিবেচনা কৰি গুৱাহাটীত এখন ইংৰাজী স্কুল খোলাৰ অনুমতি দিয়ে আৰু ১৫০ টকাৰ মাহিলী বেতনত মিষ্টাৰ চিংগাৰক সেই স্কুলৰ প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিয়ে। (বঃ পঃ কঃ ১৮৩৫, ২৭ জুন, নং ২-৫) এনেকৈয়ে স্থাপিত হৈছিল গুৱাহাটী চেমিনাৰ, যিখন বৰ্তমান কটন কলেজিয়েট স্কুল নামেৰে জনাজাত আৰু ইয়েই অসমত ইংৰাজী শিক্ষাৰ আৰম্ভণি। প্ৰথম বছৰত নাম ভৰ্তি কৰিছিল ৫৮ জন ছাত্ৰই, যিটো ১৮৩৮ চনত ১৫০ আৰু ১৮৪০ চনত ৩৮০ জনলৈ বৃদ্ধি হৈছিল। ইয়েই প্ৰমাণ কৰে ১৮৩৬ চনলৈ অসমত ইংৰাজী জনা স্থানীয় লোক প্ৰায় নাছিলেই।

আনহাতেদি ১৮৩৬ চনত ইংৰাজে অসমৰ পঢ়াশালি আৰু প্ৰশাসনীয় কামত বাংলা ভাষা প্ৰৱৰ্তন কৰিছিল। ১৮২৬ চনৰপৰা ১৮৭৩ চনলৈ অসম আছিল বংগ প্ৰেচিডেন্সীৰ অন্তৰ্গত। ১৮৩১ চনত পাৰ্ছী ভাষাৰ সলনি বাংলা ভাষাক যে বংগৰ প্ৰশাসনীয় ভাষা কৰা হৈছিল তাৰ উল্লেখ ইতিমধ্যে কৰা হৈছে। অসমৰ বাবে পাৰ্ছী জনা লোক পোৱাটো



আছিল অধিক কঠিন। অধিক দৰমহা দি তেনে লোক বাহিৰৰ পৰা আনিব লগা হৈছিল। তেনেলোকৰ মৃত্যুত অথবা চুটি লোৱাৰ সময়ত বিকল্পৰ সন্ধান আছিল দুৰূহ বেপাৰ। আনহাতেদি তেতিয়াও অসমীয়া ভাষাই আধুনিক ৰূপ সম্পূৰ্ণভাৱে ল'ব পৰা নাছিল। এই আধুনিকীকৰণ কৰিছিল মিছনাৰীসকলেহে। কিন্তু ১৮৩৬ চনতহে অসমলৈ তেওঁলোকৰ আগমন ঘটিছিল। তেতিয়ালৈকে অসমীয়া ভাষাৰ ব্যাকৰণো ৰচিত হোৱা নাছিল আৰু ব্যাকৰণহীন কোনো আধুনিক ভাষাৰ উপস্থিতিক স্বীকৃতি দিয়া বিদেশী শাসকৰ বাবে আছিল কঠিন বিষয়। অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ ৰবিন্সনে ৰচনা কৰিছিল। ১৮৩৯ চনতহে। ১৮৬৭ চনতহে ব্ৰন্সনে প্ৰথম অসমীয়া অভিধান ৰচনা কৰিছিল। অসমীয়া ভাষা যে বাংলা ভাষাতকৈ সুকীয়া তাক প্ৰমাণ কৰাৰ প্ৰথম প্ৰচেষ্টা হিচাপে যাদুৰাম ডেকা বৰুৱাই যিখন "অসময়া-বাংলা অভিধান" ৰচনা কৰিছিল সিও ৰচিত হৈছিল ১৮৩৯ চনতহে। ১৮৩৬ চনত যেতিয়া অসমীয়াৰ মাজত ইংৰাজী জনা লোক প্ৰায় নাছিলেই, অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান আদিও নাছিল, প্ৰথম ইংৰাজী স্কুলখন স্থাপন হোৱা এবছৰেই হোৱা নাছিল আৰু সাম্ৰাজ্যবাদী প্ৰশাসন চলাবলৈ সামান্য হ'লেও ইংৰাজী তলৰ দেশীয় কৰ্মচাৰীসকলে জানিব লাগিছিল, সেই সময়ত অসমত বংগ প্ৰেচিডেন্সীৰ অংশ হিচাপে বাংলা ভাষাক কি "প্ৰশাসনীয় যুক্তি"ত সাম্ৰাজ্যবাদী শাসকে প্ৰশাসনীয় ভাষা হিচাপে প্ৰচলন কৰিছিল তাৰ আভাস এই চিত্ৰই দিয়ে। লগতে ই আধুনিক বৌদ্ধিকতাৰ প্ৰাথমিক স্তৰ সাম্ৰাজ্যবাদী শাসনৰ আৰম্ভণিত অসমত কেনে আছিল তাৰো আভাস দিয়ে।

অসমত দ্বিতীয়খন ইংৰাজী স্কুল ১৮৪১ চনতহে শিৱসাগৰত স্থাপন হৈছিল। যদিও প্ৰশাসনীয় সকলো পদবীৰ বাবেই ইংৰাজীৰ জ্ঞান অন্ততঃ সামান্য হ'লেও থকাটো প্ৰয়োজনীয় আছিল, তথাপি ঊনবিংশ শতাব্দীৰ শেষ চতুৰ্থাংশলৈ অসমত ইংৰাজী শিক্ষাৰ প্ৰসাৰ ঘটোৱাটো আছিল অতি কষ্টসাধ্য। গুৱাহাটী চেমিনাৰত দেখা গৈছিল অনেক ছাত্ৰই দুদিনমান শ্ৰেণীলৈ আহিয়েই ইংৰাজীক দুৰ্বোধ্য জ্ঞান কৰি স্কুল এৰি দিছিল। ১৮৪৪ চনত ছাত্ৰৰ সংখ্যা ইমানেই কমি গৈছিল যে অৱশেষত চৰকাৰে গুৱাহাটী আৰু শিৱসাগৰৰ স্কুল দুখন "এংলো-ভাৰনিকুলাৰ" কৰিব লগাত পৰিছিল, য'ত ইংৰাজীত শিক্ষা গ্ৰহণ কৰাটো বাধ্যতামূলক হৈ নাথাকিল। তাৰ বিপৰীতে ভাৰনিকুলাৰ স্কুলৰ জনপ্ৰিয়তা বাঢ়িছিল, য'ত শিক্ষাৰ মাধ্যম মূলতঃ আছিল বাংলাহে। ১৮৫২ চনত তেনে স্কুলৰ সংখ্যা ইতিমধ্যে ৭৪ খন হৈছিলগৈ। আৰু ছাত্ৰৰ সংখ্যা হৈছিলগৈ ৪০২৫ জন। ১৮৫৬-৫৭ চনলৈ কাছাৰত স্কুল নাছিল বুলিবই পাৰি। ১৮৬৫-৬৬ চনত ৭ খন তেনে স্কুল কাছাৰত স্থাপিত হৈছিল। কিন্তু চিলেটত ২৮ খন স্কুল আছিল আৰু ছাত্ৰ আছিল ১১২৭ জন। (আচাম ডিষ্ট্ৰিক গেজেটিয়াৰ্চ, ১৯০৫)

# অসমৰ ছাত্ৰ ৰাজনীতিৰ ইতিহাস

❒ প্ৰনৱজ্যোতি বৰা

আমি সৰু হৈ থাকোতে বা এতিয়াও মা, দেউতা বা ওচৰৰ মানুহে আমাক প্ৰায়ে উপদেশ দিয়ে 'ছাত্ৰানাং অধ্যয়নং তপঃ', নতুবা 'পঢ়াই, পঢ়ে, ৰোৱে পানং ত্ৰই তিনি নিচিন্তে আন'। আৰু ত্ৰইদৰেই অকল পঢ়াৰ অজুহাতত সামাজিক জ্ঞানৰ বিশাল ভাণ্ডাৰৰ পৰা বঞ্চিত হওঁ আমি। 'সামাজিক কাম কাজ আনুষ্ঠানিক শিক্ষাৰ পাছতো কৰিব পাৰি' এনেকুৱা এটা ধাৰনাৰ ফলতে মানুহৰ জীৱনৰ প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ বেছিভাগ সময় সামাজিক জ্ঞান আহৰনৰ ব্যাতিৰেকে পাৰ হয়। কিন্তু ইজানো সঠিক ? প্ৰকৃততে শিক্ষাৰ লক্ষ্য কি হোৱা উচিত অথবা ইয়াৰ সংজ্ঞা কি ?

বহলদৃষ্টিত শিক্ষা মানে কিছুমান সামাজিক অভিজ্ঞতা যাক অনি আমাৰ জীৱন সংগ্ৰামত প্ৰয়োগ কৰো আৰু শিক্ষা-জীৱনৰ লক্ষ্যই হৈছে নিজকে (সমাজত) প্ৰকৃত মানুহৰূপে গঢ়ি তোলা আৰু প্ৰতিষ্ঠা কৰা। এখন সমাজত প্ৰকৃত মানৱ হিচাবে নিজকে প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে সেই সমাজখনৰ আৰ্থৰাজনৈতিক জ্ঞানৰ নিশ্চয় প্ৰয়োজন হ'ব আৰু লাগিব সঠিক ৰাজনৈতিক দৃষ্টিভংগী আৰু কৰ্মনীতি। এইখিনিতে এচামে দপ্ দপাই আহিব 'ছাত্ৰৰ সৈতে ৰাজনীতিৰ সমন্ধ কি ?' আচলতে ৰাজনীতি হৈছে সমাজ এখনৰ বিশিষ্ট অৰ্থনীতিৰ ঘণীভূত প্ৰকাশ। ৰাজনীতি সমাজ-জীৱনৰ এটা নিৰ্ণায়ক দিশ। ছাত্ৰসকল সমাজ-জীৱনৰে এটা অংশ, ভবিষ্যত সমাজৰ ধৰণী, সেয়ে কালিলৈৰ সমাজ খনক সুস্থভাবে চলাই নিবলৈ ছাত্ৰ ৰাজনৈতিক ভাবে শিক্ষিত হ'বই লাগিব অবশ্যে ৰাজনীতিমানেই যে ভাৰতীয় গেলা সংসদীয় ৰাজনীতি হ'ব এনে নহয়। ছাত্ৰ-ৰাজনীতি হ'ব লাগিব সমাজবিকাশক সুস্থ গতি দিয়াৰ ৰাজনীতি। ( ইতিহাসৰ পাত মেলিলেই আমি দেখা পাওঁ ১৯১৯ চনৰ ৪ মে'ৰ আন্দোলনত চীনৰ ছাত্ৰ-ছাত্ৰীৰ তাৎপয্য পূৰ্ণ ভূমিকা, যাৰ ফল আধুনিক চীনৰ উজ্জ্বল ইতিহাস)। ই আছিল সুস্থ, প্ৰগতিশীল ছাত্ৰ ৰাজনীতি ) ইয়াকে নকৰি নিৰপেক্ষতাৰ ভাওজোৰাসকলে যদি ৰাজনীতি নকৰা বুলি ভাবে সি ভুল হ'ব কিয়নো স্থিতাবস্থাৰ সপক্ষে মাতদিয়া বা বিপক্ষে একো নোকোৱা একেই কথা। মৌনতা সম্মতিৰেই লক্ষণ। সেয়েহে আচলতে ৰাজনীতি নকৰা সকলেও এক প্ৰকাৰৰ ৰাজনীতি কৰে, তাক ক'ব পাৰি সুবিধাবাদী ৰাজনীতি। ছাত্ৰ-ছাত্ৰীসকলৰ মনত সদায় নতুন কিবা এটা কৰাৰ উৎসাহ আৰু সাহস থাকে, তেওঁলোকৰ মাৰ্জত শ্ৰেণী বৈষম্যও কম থাকে সেয়ে ছাত্ৰসকলে তেওঁলোকৰ ছাত্ৰাৱস্থাৰ পৰাই সুস্থ, সমাজ বিকাশৰ ৰাজনৈতিক কাম-কাজ আৰম্ভ কৰিব লাগে।

অসমৰ ছাত্ৰৰাজনীতিৰ ইতিহাস আলোচনা কৰিবলৈ গ'লে নিশ্চয় অসমীয়া ছাত্ৰসমাজৰ উত্থানৰ পটভূমি আলোচনা কৰিব লাগিব। আধুনিক ছাত্ৰসমাজ আধুনিক যুগৰহে সৃষ্টি। আধুনিক শিক্ষাব্যৱস্থা প্ৰৱৰ্তন হোৱাৰ আগতে আধুনিক ছাত্ৰসমাজৰ সৃষ্টি হোৱা নাছিল। পুঁজিবাদৰ উত্থানৰ মাধ্যমেৰে আধুনিক শিক্ষা-ব্যৱস্থা তথা ছাত্ৰসমাজৰ সৃষ্টি হৈছিল। অসমতো আধুনিক ছাত্ৰ সমাজ সৃষ্টি হৈছিল। পুঁজিপতি বৃটিছসকল অহাৰ পাছত। ইংৰাজসকল অসমলৈ অহাৰ সময়ত যিসকল লোক বৃটিছ প্ৰশাসনৰ কামত নিয়োজিত হৈছিল তেওঁলোক বিশেষ শিক্ষিত (আধুনিক শিক্ষাৰে ) নাছিল। তেওঁলোকক বৃটিছে ইংৰাজীৰে নিজৰ চহীটো কৰিব পৰা হ'লেই বংশগত ঐতিহ্যযুগত বিভিন্ন প্ৰশাসনিক পদবীত নিয়োগ কৰিছিল। তাৰ পাছত বৃটিছৰ অনুগত চৰকাৰী বিষয়া শ্ৰেনীটোৰ ইংৰাজী তথা আধুনিক শিক্ষাৰ প্ৰতি ধাউতি বাঢ়ে। ফলত শিক্ষিতৰ সংখ্যা বাঢ়ি আহিল আৰু উচ্চশিক্ষাৰ বাবে অসমৰ ল'ৰা কলিকতালৈ যাবলৈ ধৰিলে। আৰু এনেকৈয়ে অসমীয়া ছাত্ৰসমাজ এখন গঢ়ি উঠিল। কলেজীয়া শিক্ষাৰ বাবে কলিকতালৈ যোৱা সৰহ সংখ্যক ছাত্ৰ আছিল তদানীন্তন বৃটিছৰ শাসনৰ তলত চৰকাৰী চাকৰি - বাকৰি কৰি ধন্য হোৱা আহোম সামন্তীয়া শ্ৰেণীৰ পো-নাটিসকল। তেওঁলোকে বৃটিছৰ কঠোৰ আৰ্থৰাজনৈতিক নিয়ন্ত্ৰণৰ গণ্ডিৰ ভিতৰতে অসমৰ উন্নতিৰ সপোন দেখিছিল। সেয়ে সেইসময়ৰ অসমীয়া ছাত্ৰসমাজৰ ৰাজনৈতিক দিশ আছিল ঋণাত্মক। যি সময়ত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ জনসাধাৰণ সাম্ৰাজ্যবাদী শোষণ-লুণ্ঠনত জৰ্জৰিত হৈ আছিল সেই সময়ত ছাত্ৰসমাজে জনসাধাৰণৰ আশা-আকাংখ্যাক প্ৰতিনিধিত্ব কৰাতকৈ আবেদন-নিবেদনৰ ৰাজনীতিহে আৰম্ভ কৰিছিল। ১৯৬০-৬২ খ্ৰীষ্টাব্দলৈ অসমীয়া কৃষক প্ৰজাই অনেকবাৰ বৃটিছৰ খাজনা বঢ়োৱা নীতিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। যাৰ ফলত পুলিছৰ গুলীত আনকি কৃষক প্ৰজাৰ মৃত্যুও হৈছিল। অতি আশ্চৰ্য্যকৰ কথা যে সেইসময়ৰ অসমীয়া ছাত্ৰ বা বৌদ্ধিক সমাজে ইয়াৰ একো প্ৰতিবাদ কৰা নাছিল। বৰঞ্চ গুণাভিৰাম বৰুৱাৰ দৰে লোকে বৃটিছৰ সপক্ষেহে মাত মাতিছিল।

১৮৮৬ খ্রীষ্টাব্দত এলেন অক্টোভিয়ান হিউমৰ চেষ্টাত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ জন্ম হয়। কলিকতাত ইয়াৰ প্ৰভাৱ আছিল যথেষ্ট। অসমৰ পৰা পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছিল। তেতিয়া অৱশ্যে কংগ্ৰেছ বৃটিছ বিৰোধী নাছিল। ১৯৩০ চনতহে কংগ্ৰেছে পূৰ্ণস্বাধীনতাৰ প্ৰস্তাৱ লয় আৰু সেয়ে কংগ্ৰেছৰ আৱেদন - নিৱেদন নীতিৰ লেখীয়াকৈ অসমীয়া ছাত্ৰৰো বৃটিছ পুঁজিৰ ছত্ৰছাঁয়াত জাতিৰ উন্নতি কৰাৰ চিন্তা জাগিছিল।

আচলতে চিপাহী বিদ্ৰোহৰ পাছতে অসম তথা সমগ্ৰ ভাৰতবৰ্ষত বৃটিছ শাসন সম্পূৰ্ণ গজগজীয়া হৈ পৰে। এই উপ মহাদেশৰ সমস্ত শাসন ক্ষমতা পোনপটীয়াকৈ বৃটিছ সংসদৰ হাতলৈ যায়। কোম্পানীৰ শাসন-শোষনৰ তুলনাত দেখাত নতুন শাসন প্ৰনালী আছিল দেখাত অলপ নৰম। ইতিমধ্যে সামন্তীয় বা সম্ভ্ৰান্ত শ্ৰেণীয়ে বৃটিছৰ বিৰুদ্ধে, কৰা সংগ্ৰাম সমূহ বিফল হোৱাত। যুঁজ দিয়াৰ সংগঠিত শক্তি আৰু নাছিল। যিহেতু সেই সময়ত ভাৰতীয় উপমহাদেশত পূৰ্বৰে পৰা থকা সামন্তীয় ব্যৱস্থা পতন হোৱাৰ লগে লগে কোনো গনতান্ত্ৰিক শক্তিয়ে মূৰ দাঙি উঠা নাছিল সেয়ে বৃটিছৰ বিৰুদ্ধে কৃষক, শ্ৰমিক সমাজে অসংগঠিতকভাৱে কৰা বিদ্ৰোহসমূহ বৃটিছসকলে অতি কঠোৰ হাতেৰে দমন কৰিছিল। আনহাতে কোনো সামন্তীয় শক্তিয়ে যাতে বৃটিছ পুঁজিৰ লগত সংঘাতলৈ নাহে তাৰ বাবে বৃটিছে কিছু সামন্তীয় উপাদান জীয়াই ৰাখি সম্ভ্ৰান্ত লোকসকলক মুন্সিফ, কেৰাণী, মৌজাদাৰ ইত্যাদি পদত নিযুক্তি দিছিল। ফলস্বৰূপে সু-নিযন্ত্ৰিতভাৱে প্ৰশাসন চলোৱাৰ লগতে সাধাৰন লোক সকল আৰু সম্ভ্ৰান্ত লোক সকল সংঘবদ্ধ হৈ বৃটিছৰ বিৰোধিতা কৰাৰ আশংকা নাইকীয়া হৈছিল।

বৃটিছে পাশ্চাত্য শিক্ষা প্ৰৱৰ্ত্তন কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰী, বিদ্বান লোকসকলে পাশ্চাত্য সাহিত্য তথা দৰ্শনৰ বিষয়ে জানিব পাৰিলে। ইতিমধ্যে ইউৰোপত শিল্পবিপ্লৱৰ ফলত নৱজাগৰণৰ সূচনা হৈছিল। ফলস্বৰূপে বিজ্ঞান, সাহিত্য, দৰ্শন বিভিন্ন ক্ষেত্ৰত ইউৰোপীয় ধ্যান-ধাৰণাসমূহে প্ৰাচীন ধ্যান-ধাৰণাৰ দেৱালভাঙি এক নতুন দিগন্তৰ সূচনা কৰিছিল। সামন্তীয় ধ্যান-ধাৰণাতকৈ এই নতুন ধ্যান-ধাৰণা আছিল তুলনামূলকভাৱে যথেষ্ট উন্নত। তদুপৰি বৃটিছে ভাৰতৰ সতীদাহ প্ৰথা, যৌতুক প্ৰথা ইত্যাদি পুৰণি সংস্কাৰ সমূহ দূৰ কৰাত যি উদ্যোগ গ্ৰহণ কৰিছিল তাৰ ফলত ভাৰতৰ বাকী অংশৰ লগতে অসমৰ



বিদ্বান সমাজৰ লোকসকলো যথেষ্ট পৰিমানে আকৃষ্ট হৈছিল। সেয়ে বৃটিছৰ অনুগ্ৰহতে আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে ব্যক্তিযেও অসম হাবি গুছি ফুলবাৰী হোৱাৰ আশা কৰিছিল।

বৃটিছ সাহিত্য, দৰ্শন, আদিত অনুপ্ৰাণিত হৈ অসমীয়া ছাত্ৰসকলেও 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' আদিৰ দৰে অনুষ্ঠান গঢ়ি তুলিলে। ইয়াৰ আঁৰত আছিল ৰজনীকান্ত বৰদলৈ, বিনন্দচন্দ্ৰ ফুকন, হেমচন্দ্ৰ গোস্বামী, দ্বাৰিকেশ্চৰ শৰ্মা, চন্দ্ৰকুমাৰ আগৰৱালা, কলকলাল বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদিৰ দৰে ব্যক্তিসকল। ১৮৮৯ খ্ৰষ্টাব্দৰ ১৩ জানুৱাৰীৰ দিনা জোনাকী আলোচনী প্ৰকাশ হয়। জোনাকীৰ যোগেদি সাহিত্যচৰ্চা কৰিবলৈ ওলোৱা ছাত্ৰসকলে ৰাজনীতি চৰ্চাৰ পৰা সম্পূৰ্ণ আঁতৰি থকাৰ মত পোষকতা কৰিলে। জোনাকীৰ পাছতে ওলোৱা 'বিজুলী' আলোচনীত পদ্মনাথ গোহাঞি বৰুৱাই সেইবাবহে বৃটিছৰ প্ৰতি অকৃত্ৰিম ৰাজভক্তি দ্বিধাহীন ভাৱত প্ৰকাশ কৰিছিল। তেওঁ লিখিছে - "আমাৰ পূৰ্বাৱস্থাৰ সৈতে যদি বৰ্ত্তমান অৱস্থা তুলনা কৰি চোৱা যায় তেন্তে আমি মুক্ত কণ্ঠে স্বীকাৰ কৰিব লগাত পাৰো যে, সদাশয় ইংৰাজ গৱৰ্ণমেন্টৰ তলত থাকি আমাৰ একোতে অভাৱ নাই, আৰু গৱৰ্ণমেন্টৰ গুৰিত অসন্তস প্ৰকাশ কৰিবলৈকো একো কাৰণ নাই।"

এইদৰেই ঊনবিংশ শতিকাৰ শেষছোৱাৰ অসমৰ ছাত্ৰৰাজনীতিয়ে এক সুবিধাভোগী ঋনাত্মক দিশলৈ গতি কৰিছিল। সেই সময়ৰ মধ্যবিত্তীয় সুবিধাবাঁদী ছাত্ৰসমাজে ৰাজনীতিৰ পৰা নিজকে যিমানেই মুক্ত (বা নিৰপেক্ষ) বুলি প্ৰকাশ নকৰক কিয় বিভিন্ন সময়ত বৃটিছৰ জয়গান গোৱাটো ৰাজনৈতিক নিৰপেক্ষতা নাছিল। বৰঞ্চ তেওঁলোকৰ তেনে ৰাজনৈতিক নিৰপেক্ষতাই এক প্ৰতিক্ৰিয়াশীল ৰাজনৈতিক ধাৰাহে প্ৰতিষ্ঠা কৰিছিল। নিজৰ অধিকাৰ, সা-সম্পতি তথা সামাজিক প্ৰতিপত্তি হেৰুওৱাৰ আশংকাতে তেওঁলোক ভীতগ্ৰস্থ হৈ পৰিছিল আৰু সেই সময়ৰ সাধাৰন জন জীৱনৰ দুৰ্বিসহ জীৱন-যাপনৰ বিষয়ে তেওঁলোকে একো মাত মতা নাছিল। অসমীয়া ভাষা-সাহিত্যলৈ তেওঁলোকৰ অৱদান স্বীকাৰ কৰিও তেওঁলোকৰ সেই অৱস্থানক নিশ্চয় গৰিহণা দিব লাগিব। ৰাজনৈতিকভাৱে পৰাধীন দেশৰ নাগৰিকৰ ৰাষ্ট্ৰদ্ৰোহ তেওঁলোকে বোধহয় পাপাচাৰ বুলিয়ে ভাবিছিল আৰু তেনে সুবিধাবাদী পাশ্চাত্য দৰ্শনৰ মাজেদিয়েই তেওঁলোক প্ৰতিপালিত হৈছিল যাৰফলস্বৰূপে অসমীয়া ছাত্ৰৰাজনীতিয়ে ইয়াৰ প্ৰাৰম্ভতে উজুতিখাই পৰিল। ❐



OKDISCD

অৰ্থনীতি

# অসমৰ অৰ্থনীতি আৰু সম্ভাৱনীয়তা

❑ অদীপ কুমাৰ ফুকন

ভাৰতে ৰাজনৈতিক স্বাধীনতা লাভ কৰিলেও যোৱা পঞ্চাশটা বছৰেই আন্তৰ্জাতিক পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ পৰা ওলাই আহিব পৰা নাই। ভাৰতীয় অৰ্থনীতিত একচেতিয়া পুঁজিপতিয়ে মুখ্যস্থান অধিকাৰ কৰি এক আগ্ৰাসনৰ ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতীয় বুৰ্জোৱা শ্ৰেণীটোৱে জাতীয় জীৱনত মুখ্যস্থান দখল কৰি অন্যান্য ক্ষেত্ৰৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰখনো নিজৰ স্বাৰ্থত দখল কৰিছে। এই বুৰ্জোৱা শ্ৰেণীটোৱেই পুঁজিবাদী শক্তিৰ হাতত ধৰি ৰাষ্ট্ৰীয় অৰ্থনীতি পৰিচালনা কৰি আহিছে। বুৰ্জোৱা শ্ৰেণীটোৰ সহায়ক হিচাপে ভাৰতীয় আমোলাতন্ত্ৰই এই বিদেশী পুঁজিক আৰু নৱ-ঔপনিবেশিক শোষণ নীতিক সমৰ্থন কৰি জাতীয় পুঁজি গঠনত বাধাৰ সৃষ্টি কৰি আহিছে। দেশী-বিদেশী পুঁজিৰ শোষণ আৰু ইয়াৰ স্বাৰ্থতে সৃষ্টি কৰা সামাজিক অস্থিৰতাৰ ফলত জাতীয় অৰ্থনৈতিক মুক্তি সংগ্ৰামৰ প্ৰশ্নটো ৰাষ্ট্ৰীয় পৰ্যায়তো উত্থাপিত হ'ব ধৰিছে। পশ্চিমীয়া অৰ্থনীতিক স্বীকাৰ কৰাৰ পিচতো কিন্তু ভাৰতৰ অৰ্থনৈতিক উন্নয়ণৰ স্তৰ পশ্চিমৰ দেশসমূহৰ তুলনাত যথেষ্ট নিম্ন স্তৰৰ। বজাৰ অৰ্থনীতিৰ শক্তিশালী ধাৰাই আজি সকলো ধৰণৰ ৰাজনৈতিক সূত্ৰকে প্ৰভাৱান্বিত কৰিছে। মাৰ্কিন প্ৰযুক্তিবিদ্যাৰ আধাৰত বহুজাতিক কোম্পানীসমূহৰ স্বাৰ্থত কৰা উমৈহতীয়া বজাৰ অৰ্থনীতিয়ে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ ওপৰতো আঘাত হানিছে। যোৱা পঞ্চাশ বছৰৰ নৱ-উপনিবেশিক শোষণৰ ধাৰাবাহিকতাৰ লগতে ভাৰতৰ নতুন অৰ্থনৈতিক কাৰ্যসূচীয়ে পূৰ্বৰে পৰা অৰ্থনৈতিক অনগ্ৰসৰ ৰাজ্যসমূহক আজি-জটিল সন্ধিয়ানলৈ ঠেলি নিছে। যোৱা পঞ্চাশটা বছৰে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰে ভাৰতৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰখাৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰখনৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰি থকাৰ পৰিপ্ৰেক্ষিতত ১৯৪৭ৰ ১৫ আগষ্ট ক্ষমতা হস্তান্তৰৰ দিন বুলিহে বিবেচিত হ'বলৈ লৈছে। পুঁজিবাদী ব্যৱস্থাৰ অৰ্থনীতিত বিদেশী শক্তিৰ প্ৰভাৱত ভাৰতৰ ৰাজ্যসমূহৰ অৰ্থনৈতিক অৱস্থাত অতি বেয়াকৈ চাপ পৰিছে। ফলত ভাৰতৰ শাসন চক্ৰই সাম্ৰাজ্যবাদী গোষ্ঠী আৰু পুঁজিবাদী শক্তিৰ স্বাৰ্থত ৰাজ্যসমূহৰ ওপৰত জাতীয় শোষণ কৰাৰ লগতে অৰ্থনৈতিক শোষণ কৰি আহিছে। ৰাজ্য ভিত্তিক শক্তিশালী নেতৃবৰ্গই ৰাষ্ট্ৰৰ চৰিত্ৰৰ লগত সঙ্গতি ৰাখি বিকাশৰ ধাৰা আগবঢ়াই গৈছে যদিও অসমৰ দৰে দুৰ্বল নেতৃত্বৰ ৰাজ্যত বিকাশৰ স্তৰ নিম্নগামীহে হৈছে।

এনে পটভূমিতেই অসমৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধা যোৱা পঞ্চাশটা বছৰেও গা কৰিব নোৱাৰিলে। অসমত তেল চাহ আবিস্কৃত হোৱা শতিকাজোৰা সময় পাৰ হৈ তাহাৰ পিছতো অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ চাপ কমা



নাই। ভাৰতৰ অন্যান্য ৰাজ্যৰ উন্নয়ণৰ গতিৰ লগত অসমে আজিও খোপনি ল'ব পৰা নাই। অৰ্থনৈতিকক্ষেত্ৰত সৰ্বভাৰতীয় অনুপাতত প্ৰতিটো ক্ষেত্ৰতে আমি আজি সকলোৰে পিছত অৱস্থান কৰিছো। ৰাজ্যিক আয় আৰু জনমূৰি আয়ে বিকাশমুখী অৰ্থনীতিক প্ৰতিফলিত কৰে। কিন্তু এই ক্ষেত্ৰত ভাৰতৰ গড় ৰাষ্ট্ৰীয় আয় আৰু জনমূৰি আয়ৰ দিশটোৰে আজিও বিকাশমুখী অৰ্থনীতিক প্ৰতিফলিত কৰিব পৰা নাই। ভাৰতীয় জাতীয় আয়ৰ গতি বৃদ্ধিৰ তুলনাত অসমৰ জাতীয় আয় যথেষ্ট নিম্নস্তৰত। অসম প্ৰাকৃতিক সম্পদৰ এক

| বছৰ | ৰাষ্ট্ৰীয় আয় ৮০-৮১ স্থিৰ মূল্যত | (কোটি) বছৰেকীয়া চলিত মূল্যত | অসমৰ ৰাজ্যিক আয় ৮০-৮১স্থিৰ মূল্যত | (কোটি) বছৰেকীয়া চলিত মূল্যত |
|---|---|---|---|---|
| ১৯৮০-৮১ | ১১০,৬৮৫ | ১১০৬৮৫ | ২৩৫৬ | ২৩৫৬ |
| ১৯৮৫-৮৬ | ১৩৯,০২৫ | ২০৬,১৩৩ | ৩২৮২ | ৫১১৮ |
| ১৯৯০-৯১ | ১৮৪,৪৬০ | ৪১৩,৯৪৩ | ৩৯৭১ | ৮৬৮০ |
| ১৯৯৪-৯৫ | ২৫৬;০৯৫ | ৮৫৮,৩৪০ | ৩৮৮৩ | ১৪৪৮৯ |
| ১৯৯৫-৯৬ | ২৭৪২০৯ | ৯৮৫,৭৮৭ | ৩৯৪১ | ১৫৩১৭ |

সম্ভাৱনাপূৰ্ণ ৰাজ্য হোৱাৰ পিছতো জাতীয় পুঁজি বৃদ্ধি কৰিব নোৱাৰীটোৱেই ৰাষ্ট্ৰৰ চৰিত্ৰ স্পষ্ট কৰে। অসমৰ সম্পদসমূহ অসমৰ পুঁজি গঠনৰ বিপৰীতে কেন্দ্ৰীয় ব্যৱস্থাটোৰ লগতে অন্যান্য শক্তিৰ স্বাৰ্থতহে ব্যৱহৃত হৈছে। সম্পদসমূহৰ প্ৰকৃত ব্যৱহাৰ নোহোৱাত এক দৰিদ্ৰতাৰ স্পষ্ট ছবি থকা অসমক এখন অনুন্নত আৰু অৰ্থনৈতিক অনগ্ৰসৰ ৰাজ্য বুলিহে ক'ব পৰা যায়।

অসমৰ অতি মূল্যবান কয়লা, চুণশিল, তেল আৰু প্ৰাকৃতিক গেছৰ দৰে খনিজ সম্পদৰ পৰা ৰাজকোষলৈ আয় অতি সামান্য। সংবিধানিক বাধ্যবাধকতা আৰু ৰাষ্ট্ৰীয় আগ্ৰামনমূলক নীতিসমূহে অসমৰ সম্পদৰ পৰা জাতীয় পুঁজি গঠনত বাধা দি আহিছে। কয়লা, চুণশিলৰ লগতে তেল আৰু প্ৰাকৃতিক গেছৰ পৰা ৯৩-৯৪ তথ্যমতে মাত্ৰ ২৮৫৪৩-৪১ লাখ টকাহে অসমৰ ৰাজ্যকোষলৈ আহিছে। ভাৰতে আমদানি কৰা খাৰুৱা তেলৰ প্ৰতি মেট্ৰিকটনত ৫১৪৫-৬১ টকা দি থকা সময়ত আমি মাত্ৰ ৰয়েল্টিৰ নামত আজি ৫৭৮ টকা প্ৰতি মেট্ৰিকটনত লৈ সন্তুষ্ট থাকিব লগা হয়। অন্যহাতে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন স্তৰৰ কৰ সংগ্ৰহ কৰাৰ লগতে আইনা ইণ্ডাষ্ট্ৰি (ডেভেলমেণ্ট) আইন ১৯৭৪ ৰ ১৫ নং অনুচেদ অনুসৰি খাৰুৱা তেলৰ প্ৰতি মেট্ৰিকটনত ৯০০ টকাকৈ আৰু প্ৰাকৃতিক গেছৰ এহেজাৰ ঘনমিটাৰত ৩০০ টকাকৈ ১০,৩৫০ চেক্ সংগ্ৰহ কৰে। ১৯৯৭ লৈ কেন্দ্ৰীয় চৰকাৰে ২৮-৯০১ কোটি টকা চেক্‌ৰ দ্বাৰ সংগ্ৰহ কৰিছে। ইয়াৰে প্ৰায় কোটি টকা অসমৰ পৰা সংগৃহীত টকা। কেৱল ৰয়েণ্টি চেক্ আৰু আমদানি কৰা মূল্যৰ লগত সঙ্গতি ৰাখি প্ৰাপ্যমূল্য আদায় কৰিব নোৱাৰাৰ বাবে অসমে প্ৰতিবছৰে সংগৃহীত ৰাজহত ১৬৩৯ কোটি টকা প্ৰাপ্যৰ পৰা ব্যৱহৃত হৈ থাকিব লগা হৈছে। আধুনিক প্ৰযুক্তি বিজ্ঞানৰ বাবে অতি প্ৰয়োজননীয় এই সম্পদ অসমৰ অৰ্থনীতিৰ স্বাৰ্থত আজিও প্ৰকৃততে ব্যৱহাৰ কৰা হোৱা নাই। উদ্যোগিক বিকাশ আৰু উন্নয়ণৰ গুৰুত্বপূৰ্ণ উপাদান এই প্ৰাকৃতিক গেছক তেল আৰু প্ৰাকৃতিক গেছ নিগমে ০-৭২ মিলিয়ণ ষ্টেণ্ডাৰ্ড কিউবিক মিটাৰ আৰু অইল ইণ্ডিয়াই ১-২০ মিলিয়ন ষ্টেণ্ডাড কিউইবক মিটাৰ প্ৰতিদিনে জ্বলাই নষ্ট কৰি আহিছে। প্ৰাকৃতিক



OKDISCD

গেছক শিল্পায়ণৰ উদ্দেশ্যত ব্যৱহাৰ কৰাৰ পৰিবৰ্তে কেৱল ১৯৮৫-১৯৯২ চনৰ ভিতৰত ৬৮৭৯-৮৭ ঘনমিটাৰ গেছ জ্বলাই দিছে। অসমে সম্ভাব্য উদ্যোগৰ বিকাশ, অৰ্থনীতিৰ উন্নয়ন, হ'ব লগা নিয়োগৰ ক্ষেত্ৰখনৰ লগতে পাব লগা ৰাজহৰ পৰা বঞ্চিত হ'ব লগা হৈছে। প্ৰাকৃতিক গেছ জ্বলাই দিয়াৰ ফলত ১৯৮৫ পৰা ১৯৯২ ৰ ভিতৰত অসমে উত্তৰ পূৰ্বাঞ্চলৰ মূল্যত ৬৮৭-৯৯ কোটি টকা ৰাষ্ট্ৰীয় মূল্যত ১৯২৬-৩৬ কোটি টকা আৰু আন্তৰাষ্ট্ৰীয় মূলত ২৪০৭-৯৫ কোটি টকা হেৰুৱাবলগীয়া হৈছে।

সম্পদসমূহক উৎপাদনশীলতা বৃদ্ধিত ব্যৱহাৰ কৰিব নোৱাৰিলে পুঁজি গঠন নহয়। ৰাষ্ট্ৰীয় প্ৰচলিত ব্যৱস্থাত সম্পদ থাকিলেও অসমৰ দৰে অনুন্নত ৰাজ্যক কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহাৰ্য্যৰ লগতে বৈদেশিক পুঁজিৰ বিনিয়োগৰ প্ৰয়োজন আছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহাৰ্য্যৰ দিশ অসমৰ ক্ষেত্ৰত সহযোগী নহয়। পৰিকল্পনাসমূহত এইটো স্পষ্ট হৈ আছে। অৰ্থনৈতিক পৰিকল্পনাই বিশেষত ঃ নাগৰিকৰ লগতে দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতা আঁতৰ কৰি এক স্বতন্ত্ৰৰীয় অৰ্থনৈতিক কাঠামো সৃষ্টি কৰাটো সূচায়। ৰাজ্যসমূহত সম্পদসমূহৰ সুযম ব্যৱহাৰৰ দ্বাৰা জাতীয় পুঁজি বৃদ্ধি কৰাটো অৰ্থনৈতিক পৰিকল্পনাৰ অন্যতম বিষয় । কিন্তু অসমৰ দৰে ৰাজ্যৰ ভৌগোলিক অৱস্থান, জনবিন্যাস আৰু নিজস্ব অৰ্থনীতিৰ ওপৰত ভিত্তি কৰি অৰ্থনৈতিক পৰিকল্পনা কৰিবলৈ দিয়া নহয়। পুঁজিৰ আবণ্টনৰ ক্ষেত্ৰতো অসম চৰকাৰে দি অহা প্ৰস্তাৱক কেন্দ্ৰীয় চৰকাৰে কৰ্তন কৰিহে অনুমোদন জনাই আহিছে। অসমৰ সম্পদসমূহ অসমৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আঠটা পঞ্চবাৰ্ষিক পৰিকল্পনাই গুৰুত্ব দিয়া পৰিকল্পিত হোৱা নাই। ৰাষ্ট্ৰই অসমৰ সম্পদসমূহৰ ওপৰত অবিৰত শোষণ চলোৱাৰ স্বাৰ্থতেই যে শিল্পায়নত গুৰুত্ব দিবলৈ নিবিচাৰে তাক অসমৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তথ্যসমূহলৈ লক্ষ্য কৰিলেই স্পষ্ট হৈ পৰে।

ভাৰতৰ অন্যান্য ৰাজ্যৰ লগতে ভাৰতীয় গড় জনমুৰি আয়ৰ তুলনাত অসমৰ জনমুৰি আয়ৰ আজিৰ স্থিতিয়ে অসমৰ অৰ্থনৈতিক অৱস্থাটোৰ অনগ্ৰসৰতাৰ ছবি স্পষ্ট কৰিছে। স্বাধীনতাৰ প্ৰমাণ অৱস্থাত বিশেষকৈ '৫০-৫১ চনত অসমৰ জনমুৰি আয় ভাৰতীয় জনমুৰি আয়তকৈ অধিক আছিল, ক্ৰমে ৬১-৬২ চনত সমান পৰ্যায় পোৱাৰ পিছত ৭০-৭১ চনত ভাৰতৰ জনমুৰি আয় ৬৭৫ টকাৰ বিপৰীতে অসমৰ ৫২৮ টকা। ৯০.৯১ ভাৰতৰ জনমুৰি আয় ৪৯৮৩ টকাৰ বিপৰীতে অসমৰ ৩৯৩২ টকা আৰু ৯৩-৯৪ চনত সৰ্বভাৰতীয় জনমুৰি আয় টকা ৭১৮৫ হোৱাৰ সময়ত অসমত ৫১১৬ টকা।

| বছৰ | ৰাষ্ট্ৰীয় জনমূৰি আয় (কোটি) | | অসমৰ জনমূৰ আয় (কোটি) | |
|---|---|---|---|---|
| | ৮০-৮১স্থিৰ মূল্যত | বছৰেকীয়া চলিত মূল্যত | ৮০-৮১ৰ স্থিৰ মূল্যত | বছৰেকীয়া চলিত মূল্যত |
| ১৯৮০-৮১ | ১৬৩০ | ১৬৩০ | ১২০০ | ১২০০ |
| ১৯৮৫-৮৬ | ১৮৪১ | ২৭৩০ | ১৪৮৩ | ২৩১৩ |
| ১৯৯০-৯১ | ২২২২ | ৪৯৮৩ | ১৭১৯ | ৩৯৩২ |
| ১৯৯১-৯২ | ৪১৭৫ | ৫৬০৩ | ১৯১৫ | ৪২৩০ |
| ১৯৯২-৯৩ | ২২৪৩ | ৬২৬২ | ২২৮৯ | ৫০৫৬ |
| ১৯৯৪-৯৫ | ২৪৪৯ | ৮২৮১ | ২৬০২ | ৫৯৭৯ |
| ১৯৯৫-৯৬ | ২৫৭৩ | ৯৩২১ | ২৫৯৩ | ৬১৯২ |



অৰ্থনীতিক উৎপাদনশীল ক্ষেত্ৰত জড়িত কৰিব নোৱাৰাৰ বাবে অসমত জনমুৰি আয়ৰ বৃদ্ধিত সহায়ক হোৱা নাই। অসম আজি সকলোতে পিছপৰা। এই অৱস্থাৰ কাৰণ সমূহৰ ক্ষেত্ৰত অধিক গুৰুত্ব দি পৰ্য্যালোচনা কৰিব বিচৰা হোৱা নাই।

দেশ এখনৰ অৰ্থনীতিৰ উন্নয়ন সেই দেশৰ তৃতীয় শ্ৰেণীটোৰ জীৱিকাৰ স্তৰৰ ওপৰত নিৰ্ভৰশীল। ১৯৯১ চনৰ লোক পিয়লৰ পৰা এইটো স্পষ্ট হৈছে যে অসমৰ ২২৪ লাখ জনসংখ্যাৰ ভিতৰত ১৯৯ লাখ মানুহে গাৱঁত বাস কৰে আৰু মাত্ৰ ২৫ লাখ মানুহ নগৰ অঞ্চলত বাস কৰে। সৰ্বভাৰতীয় হাৰত ৭৪.৩ শতাংশ গ্ৰাম্য অঞ্চলৰ জনসংখ্যাৰ তুলনাত অসমৰ মঠ জনসংখ্যাৰ ৮৮.৮ শতাংশ মানুহ গাওঁ অঞ্চলত বাস কৰে। সংখ্যা গৰিষ্ঠ সংখ্যক গ্ৰাম্য অঞ্চলত বসবাস কৰাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ অৰ্থনৈতিক পৰিকল্পনা বা উন্নয়ৰ দিশ হ'ব লাগিছিল। ৰাজ্য ভিত্তিত প্ৰকৃতাৰ্থত কোনো পৰিকল্পিত উন্নয়নৰ কাম হৈছে, যদি তাৰ কাৰ্যকৰী দিশটো নগৰ অঞ্চলতে সীমাবদ্ধ হৈ থকা পৰিলক্ষিত হৈছে। আজি গ্ৰাম্য অঞ্চলক কেন্দ্ৰ কৰি অসমৰ অৰ্থনৈতিক পুনৰ বিন্যাসৰ প্ৰয়োজন হৈছে। অন্যথা অসমবাসীৰ সামুহিক উন্নয়ন সম্ভৱ নহ'ব। ❑

## পদাতিকে কেনেধৰণৰ লিখনি প্ৰকাশ কৰিব—

১। পদাতিকৰ বাবে নিম্নলিখিত ধৰণৰ শিতান সমূহক অগ্ৰাধিকাৰ দিয়া হ'ব— ❑ চুটিগল্প ❑ প্ৰবন্ধ ❑ কবিতা ❑ ব্যঙ্গ ৰচনা ❑ কৌতুক ❑ উপন্যাসিকা ❑ সাক্ষাৎকাৰ ❑ প্ৰতিবেদন ধৰ্মী বাতৰি (ছাত্ৰ, যুৱ, স্কুল কলেজৰ পৰিবেশ সম্পৰ্কীয়) ❑ পদাতিকৰ লক্ষ্য উদ্দেশ্যৰ লগত সামঞ্জস্য পূৰ্ণ আলোচনা চক্ৰৰ প্ৰতিবেদন।

২। নিয়মীয়া শিতান— ❑ মতামত ❑ কুইজ ❑ পাঠ্যক্ৰমৰ অন্তৰ্গত কোনো নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোচনা ❑ ডেকাচাং (যিসকল যুৱক-যুৱতী আনুষ্ঠানিক ছাত্ৰ-ছাত্ৰী নহয় তেওঁলোকৰ বাবে এই শিতান) ❑ বিশ্ব দৰ্পন (বিশ্বৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কত) ❑ বিজ্ঞান ❑ অৰ্থনীতি ❑কাৰ্টুন ❑ অন্যান্য।

৩। পদাতিক হ'ব মুখ্যত যুৱ-ছাত্ৰৰ মুখপত্ৰ। যুৱ-ছাত্ৰসকলৰ সমস্যা আৰু সমাধনাৰ বাবে কৰণীয়া কি, যুৱ-ছাত্ৰ আন্দোলনৰ গতি ধাৰা আৰু যুৱ-ছাত্ৰৰ প্ৰগতিশীল চিন্তা পদাতিকত প্ৰকাশ পাব।

**বিজ্ঞাপন দাতাসকলে বিজ্ঞাপনৰ বাবে যোগাযোগ কৰক—**

চাৰ্কুলেচন মেনেজাৰ

**"পদাতিক"**

নিউ মিছন মাৰ্কেট, ডাক— নগাওঁ

জিলা— নগাওঁ (অসম)

পিন-৭৮২০০১ ফোন— (০৩৬৭২) ৮০০২২

# সমাজ পৰিৱৰ্তনত সাহিত্য

জিতু কলিতা

## (১)



একোটা জাতি বা মানৱ গোটে বিকাশৰ বিভিন্ন স্তৰলৈ আগবাঢ়ে মূল শক্তি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰি। মানুহৰ সকলো ধ্যান-ধাৰণাৰ ওপৰত অৰ্থনীতিয়ে প্ৰভাৱ পেলায়। সেয়ে একোখন সমাজৰ আৰ্থ-ৰাজনৈতিক পৰিস্থিতিৰ সমকালীন প্ৰতিচ্ছবিৰে প্ৰতিফলনকেই এটা জাতিৰ সাহিত্য সংস্কৃতিয়ে অৱধাৰিত ভাৱে সুন্দৰ কৈ প্ৰতিফলিত কৰে। কাৰণ মানুহৰ মস্তিষ্কৰ চিন্তা-চেতনাৰ প্ৰতিফলিত প্ৰকাশেই হ'ল সংস্কৃতি। মানুহৰ চিন্তা-চেতনাক সদায়ে মানুহে কলাত্মক ৰূপত সৃষ্টি কৰি প্ৰকাশৰ বাবে অহোপুৰুষাৰ্থ কৰে, যাক আমি সাহিত্য বুলি কওঁ। একোটা জাতি বা জনগোষ্ঠীৰ সভ্যতা সংস্কৃতিৰ শৈল্পিক প্ৰকাশ সাহিত্য কলাকো আমি প্ৰচলিত ব্যৱস্থাৰ মূল শক্তি অৰ্থনীতিৰ সমাজ জীৱন যিহেতু সদায় অৰ্থনৈতিক উৎপাদন ব্যৱস্থাৰ লগত জড়িত। সেয়ে সাহিত্যিক সমকালীন আৰ্থ-সামাজিক ব্যৱস্থা একোটাৰ প্ৰতিফলন বুলি ক'ব পাৰো। অৱশ্যে সাহিত্য-সংস্কৃতিয়ে যে আৰ্থ-সামাজিক ব্যৱস্থাৰ ওপৰতো ক্ৰিয়াশীল ৰূপত ভূমিকা লয় সেই কথাও অনস্বীকাৰ্য। এই সন্দৰ্ভত মাক্স-এঙ্গেলছে সমাজৰ উপৰি সৌধ ৰাজনীতি ধৰ্মনীতি, সাহিত্য-শিল্প-সংস্কৃতি আদি সকলো সময়তেই চূড়ান্ত ভাৱে সমাজৰ মূল সৌধ আৰ্থ-সামাজিক ক্ৰিয়া-কাণ্ডৰ ওপৰতেই নিৰ্ভৰশীল আৰু বাকীবোৰৰ কোনো ভূমিকা নাই বুলি অৱমূল্যায়ন কৰা নাই। বৰঞ্চ সমাজৰ মূল ভেটী অৰ্থনীতিৰ ওপৰতো যে, শিল্প-সংস্কৃতি আদি উপৰি সৌধ বোৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰে সেই কথা তেওঁলোকে স্বীকাৰ কৰি গৈছে। গতিকে সমাজত সাহিত্য শিল্পৰ ভূমিকাক তেওঁলোকে মুঠেই উলাই কৰা নাই। সেয়ে এঙ্গেলছে কৈ গৈছে ঃ "Political, legal, philosophical, religeous, literary, artistie etc. development is based on economic development. But all these react upon one another and also upon the economic basis, one must think that the economic situation is cause and solely active, whereas everything else is only passive effect on the contrary inter action takes place on the basic economic necessity, which ultimately always asserts



itself." গতিকে সাহিত্য-সংস্কৃতি হ'ল সমাজৰ অবিচ্ছেদ্য অংগ। লেনিনেও তেওঁৰ প্ৰতিফলন সুত্ৰত (theory of reflection) সাহিত্য-শিল্প বাস্তৱৰ প্ৰতিবিম্ব বা প্ৰতিফলন বুলি মন্তব্য কৰি কৈছে যে পানীৰ পৰা মাছ যিদৰে আঁতৰাই নিব নোৱাৰি। সমাজৰ পৰাও সাহিত্যক আঁতৰাই দিব নোৱাৰি মেথিউ আৰ্নল্ডেও সাহিত্যক জীৱনৰ সমালোচনা বুলি ব্যাখ্যা কৰিছে। ক্ৰিষ্টোফাৰ কডৱলেন্ড লিখিছে ঃCulture cannot be separated from economic production or poetry is a productive or economic activity of man. To separate it from this foundation makes its development impossible to understand.

সাহিত্য এনে এক মাধ্যম যাৰ দ্বাৰা লেখকে সমাজৰ জটিল বাস্তৱ আৰু গভীৰ চিন্তাকৰ্যক ধ্যান- ধাৰণা সমূহক কলা শৈলী দান কৰি সৌন্দৰ্যশীল আৰু সহজসৰল ভাবে মানুহৰ হৃদয় গ্ৰাহ্য কৰি তুলিব পাৰে। মানুহৰ চিন্তাজগতক প্ৰভাৱান্বিত কৰিব পৰা এক শক্তিশালী মাধ্যম হৈছে সাহিত্য। লেলিনৰ মতে সহজবোধ্য কলাশৈলী সম্পন্ন সাহিত্য কৰ্মই অপৰিপক্ক পাঠক সমাজৰ মনতো তেওঁৰ চিন্তা-চেতনাক বিকাশ ঘটাবলৈ বাসনা জগায় আৰু কঠিন বাস্তৱৰ সতে মুখা-মুখি হ'বলৈ প্ৰেৰণা যোগায়।

মানৱ সভ্যতাৰ বিৱৰ্তনৰ কালছোৱাত বিভিন্ন স্তৰত বিভিন্ন শ্ৰেণীয়ে সমাজ নিয়ন্ত্ৰনৰ ভূমিকা পালন কৰি আহিছে। আনহাতে, উৎপাদনৰ অধিকাৰৰ পৰা বঞ্চিত গৰিষ্ঠ শ্ৰেণীটোক সিহঁতৰ নিয়ন্ত্ৰণত পৰিচালনা কৰিবলৈ মানুহৰ মনোজগতক প্ৰভাৱান্বিত কৰিব পৰা বিভিন্ন মাধ্যমক তেওঁলোকে কৌশলৰে হস্তগত কৰিছে। সেই মৰ্মে সমাজৰ চতুৰ নিয়ন্ত্ৰক শ্ৰেণীটোৱে এখন সমাজৰ উপৰি সৌধ স্বৰূপ সাহিত্য-কলা-সংস্কৃতিৰ ওপৰতো আগ্ৰাসন বাহাল ৰাখিব খোজে। এনেক্ষেত্ৰত সৃষ্ট সাহিত্যকৰ্ম হৈ পৰে এমুঠি 'এলিট'ৰ দ্বাৰা মুষ্টিমেয় শিক্ষিত সমাজৰ বাবে উপভোগ্য এক কলাৰূপ। এনে সাহিত্য-কৰ্মক কোনো কাৰণতে জনমুখী বুলি অভিহিত কৰিব নোৱাৰি। যি সাহিত্য কৰ্মত জনগনৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষাৰ বাস্তৱ ছবি প্ৰকাশ নেপায় তেনে সৃষ্টিক জনসাধাৰনে আপোন বুলি গ্ৰহণ নকৰে। লেলিনে কৈছে 'সাহিত্যই জনগনৰ অনুভূতি, চিন্তা, ইচ্ছা আৰু আকাংক্ষাৰ ঐক্য সাধন কৰি বিকাশ ঘটায়।' যি সাহিত্যত এই মৌলিকত্ব নাই তেনে সাহিত্যক জনমুখী সাহিত্য বুলিব নোৱাৰি। সমাজত প্ৰগতিশীল নতুন মূল্যবোধৰ জন্ম দিব পৰাটোৱেই হ'ল জনমুখী সাহিত্যৰ শক্তি। কিন্তু এই বিশেষ শক্তি শ্ৰেণীসমাজত কেতিয়াবা সমাজৰ স্বাৰ্থত পৰিচালনা হোৱাৰ বিপৰীতে সমাজ নিয়ন্ত্ৰক শাসক শ্ৰেণীটোৰ স্বাৰ্থ পূৰণৰ বাবেহে পৰিচালিত হোৱা পৰিলক্ষিত হয়। গনজীৱনৰ প্ৰকৃত ছবিখন পৰিস্ফুটঃ ভাৱে দাঙি নধৰি মুষ্টিমেয় শাসকৰ মুনাফা লাভৰ বাবে সাহিত্যৰ প্ৰকৃত সত্বাক বিক্ৰী কৰা সেইসকল লেখক-সাহিত্যিক যিমানেই বিদগ্ধ প্ৰতিভা সম্পন্ন পণ্ডিত নহওক জনগনে কোনো কালেই তেনে সাহিত্য-কৰ্ম নাইবা লেখক-সাহিত্যিকক নিজৰ অন্তৰত স্থান নিদিয়ে। তথাপি শাসক- শোষক

শ্ৰেণীটোৱে তেওঁলোকৰ ধ্যান-ধাৰণাকেই সাহিত্য-সংস্কৃতিৰ যোগেদি সাম্ৰাজ্যবাদীৰ বিশ্বজোৰা প্ৰচাৰ মাধ্যমৰ জৰিয়তে জনসাধাৰণৰ ধ্যান-ধাৰণা বুলি বহুল প্ৰচাৰ চলায়।

সমাজত নতুন দৃষ্টিভংগীৰ সৃষ্টি কৰিব পৰা সাহিত্যৰ যি বিশেষ শক্তি তাৰেই মহীয়ান ব্যক্তি হ'ল সাহিত্যিক সকল। প্ৰচুৰ মেধাৰ অধিকাৰী কিছু সাহিত্যিকৰ প্ৰতিভা আজি ৰজাঘৰৰ পৃষ্ঠপোষকতাত পণ্য দ্ৰব্যৰ দৰে পুঁজিপতি গোষ্ঠীৰ ওচৰত বিক্ৰী কৰিছে। লেনিনে কিন্তু নিজৰ হাত আৰু মস্তিষ্ক বন্ধকত দি ৰজাঘৰৰ প্ৰিয় পাত্ৰ হৈ স্বাচ্ছন্দ্যময় জীৱন উপভোগ কৰিব বিচৰা এই চাম লেখক-সাহিত্যিকক মানসিক ভাৱে পৰাধীন বুলি আখ্যা দিছে। সমাজত থাকিও এইচাম পণ্ডিত সমাজ বিচ্যুত। আনহাতে কোনো সমাজ-ব্যৱস্থাই যদি সেইখন সমাজৰ গৰিষ্ঠ শ্ৰেণীটোৰ মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰাত ব্যৰ্থ হৈছে তেন্তে তেনেবোৰ সমাজ-ব্যৱস্থাত স্থিতাৱস্থাৰ শিকলি চিঙি নতুন সমাজ-ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ শক্তিশালী মুনাফা খোৰ শ্ৰেণীৰ বিৰুদ্ধে নিজৰ মুক্তি সংগাম সাৰস্ত্য কৰি আহিছে। এনে সমাজৰ আমূল পৰিৱৰ্তনৰ বাবে কৰা প্ৰতিখন সংগ্ৰামতে এচাম লেখকে নিজৰ মহান সৃষ্টি-কৰ্মৰ অৱদানেৰে এক প্ৰভাৱ শালী ভূমিকা গ্ৰহণ কৰি আহিছে। এইসকল লেখকে কেতিয়াও অত্যাচাৰী শোষক-শাসকৰ স্বাৰ্থত জনজীৱনৰ পৰা বিচ্যুত হৈ সাহিত্য-চৰ্চা কৰা নাই। যিহেতু সমাজেহে সৃষ্টি সাহিত্য কৰে, সেয়ে সাহিত্য সদায় সমাজৰ ওচৰত দায়বদ্ধ হোৱা উচিত। এই দায়বদ্ধতাৰ বাবেই বিশ্ব সাহিত্যৰ ইতিহাসলৈ দৃষ্টিপাত কৰিলে আমি দেখা পাওঁ যে বিশ্বৰ বিভিন্ন কোনত নতুন সমাজ-ব্যৱস্থা প্ৰৱৰ্তনৰ হকে হোৱা সংগ্ৰামৰ বিভিন্ন মহান লেখক-সাহিত্যিকে অৱদান আগবঢ়াই থৈ গৈছে। তেওঁলোকৰ মহান সৃষ্টিকৰ্মই জনগনক অত্যাচাৰী শাসক-শোষকৰ বিৰুদ্ধে সংগ্ৰামৰ প্ৰকৃত দিশ নিৰ্ণয় কৰাত সহায় কৰিছে। বিপ্লৱী কবি পাৱলো নেৰুডা, পুস্কিন, নাজম হিকমত; মুছা জলিল আৰু গৰ্চিয়া লৰকাৰৰ কবিতাই আজিও সংগ্ৰামী জনতাক জাতীয় প্ৰেমেৰে জাগৰিত কৰি তোলে। ৰাছিয়াৰ বিপ্লৱত মেক্সিম গৰ্কী, টলষ্টয়, চালোকভ, ফ্ৰান্সত ৰোঁমা ৰোঁলা, বালজাক, চীন বিপ্লৱত লু-চুন আৰু ইংলেণ্ডত ডিকেন্সৰ সাহিত্যিক অৱদান আজিও স্মৰণীয়। এইসকল সাহিত্যিকৰ অস্ত্ৰ সদৃশ লিখনিৰ ভূমিকাৰ বাবে এই লেখকসকল হৈ পৰিছিল শাসক সকলৰ শত্ৰু স্বৰূপ। তথাপি এই লেখক সকলে জনগনৰ পক্ষত্যাগ কৰি অত্যাচাৰী শাসক গোষ্ঠীক পদলেহন কৰা নাছিল। সেই বাবে বহু লেখকেই চৰম দাৰিদ্ৰ আৰু মৃত্যু ভয়ত জীৱন অতিবাহিত কৰিব লগা হৈছিল। এইসকল সাহিত্যিকে শ্ৰমজীৱী শোষিত জনতাৰ ধ্যান-ধাৰণা, আশা-আকাংক্ষা আৰু সংগ্ৰামৰ ন্যায্যতাক কলাৰূপ দিয়াৰ উদ্দেশ্য আগত ৰাখি সাহিত্য সৃষ্টি কৰিছিল। বিশ্বৰ প্ৰতিখন বিপ্লৱী যুদ্ধৰ ইতিহাসত এইসকল সংগ্ৰামী সাহিত্যিকৰ দুৰ্দান্ত ভূমিকাই জনগনক পৰিৱৰ্তনৰ স্পৃহা জগাই তোলাই নহয় ধৰ্মৰ ৰহস্যময় মায়াজালৰ পৰা মুক্ত কৰি প্ৰকৃত বাস্তৱক প্ৰতিষ্টা কৰাত প্ৰচেষ্টা চলাই আহিছিল।



(২)

অসমত প্ৰৱৰ্তিত আৰ্থ-ৰাজনৈতিক সমাজৰ গৰিষ্ঠ শ্ৰেণীটোক শোষণ-শাসনেৰে জৰ্জৰিত কৰিছে। প্ৰতিটো খিলঞ্জীয়া জাতি-জনগোষ্ঠী অৰ্থনৈতিক নিৰপত্তা হীনতাত মৰিশালীলৈ পৰ্যবসিত। আৰ্থ-ৰাজনৈতিক তথা সাংস্কৃতিক সকলো দিশৰ পৰাই নিৰাপত্তা হেৰুৱাই পেলোৱা একোটা জাতিৰ মাজত দেখা দিব পৰা সকলো সমস্যাৰে বধ্যভূমিত পৰিণত হৈছে অসমৰ জাতীয়-জীৱন। জাতিটোৰ জীৱন-মৰণৰ এই সংকট কালতো কিন্তু অসমৰ এচাম শিল্পী-সাহিত্যিক এতিয়াও ৰোমৰ সম্ৰাট নীৰোৰ দৰেই বীণৰ সুৰৰ আনন্দত মছগুল। চফল যৌৱনৰ তেজেৰে লুইতৰ পাণী ৰঙা হোৱাৰ সময়তো, জীয়ৰী-বোৱাৰী ধৰ্ষিতা হোৱাৰ সময়তো, অত্যাচাৰী শাসক গোষ্ঠীক কৱলত দেশৰ আৱাল-বৃদ্ধ-বণিতা নিৰ্যাতিত হোৱাৰ সময়তো তেওঁলোকে নিৰ্বিকাৰ ভাৱে লুইতৰ পাৰৰ সূৰ্য্যাস্তৰ বৰ্ণনা, প্ৰেমৰ ৰোমাঞ্চকৰ সস্তীয়া বৰ্ণনা, শাসক গোষ্ঠীক গুনানোকীৰ্তনত মত্ত হৈ আছে। জাতীয় জীৱনৰ হাঁহি-কান্দোনৰ ছবিখন দাঙি ধৰাৰ পৰা এইচাম মুধাফুটা লেখক-সাহিত্যিক বহু দূৰত। আন এচামে আকৌ মূল সমস্যাটোক উদঙাই দেখুৱাৰ সলনি অসমৰ জনগণৰ দুৰৱস্থাৰ হেতু যেন অসমৰ জাতি-জনগোষ্ঠীসমূহ নিজেই বুলি হে বুজাব বিচাৰিছে। সাহিত্যচৰ্চাৰ নামত কিছুমান তৰল যুক্তিৰে নতুন পুৰুষক নতুন সমাজ গঢ়িবলৈ কৰা চিঞৰ বাখৰ। শাসক-শোষক গোষ্ঠীৰ ওচৰত জগৰীয়া হোৱাৰ ভয়ত, নিজৰ স্বাচ্ছন্দ্যময় জীৱন বিলাস হেৰুৱাৰ ভয়তো এচাম মেধাসম্পন্ন লিখকে সমাজৰ প্ৰতি নিজৰ দায়িত্ব-কৰ্ত্তব্য পালন কৰিবলৈ আগবাঢ়ি অহা নাই। সেয়ে জাতীয় জীৱনক প্ৰকৃত দিশ নিৰ্ণয়ৰ সন্ধান দি সংগ্ৰামী চেতনাৰে উদ্ধুৰ্দ্ধ কৰিব পৰা লেখক অসমীয়া সাহিত্য জগতত দুভাৰ্গ্যজনক ভাৱে বিৰল। যি দুই এজনে প্ৰকৃত সত্যক উদঙাই দেখুৱাবলৈ কলম হাতত তুলি লৈছে, তেওঁলোকৰ দুৰৱস্থা দেখি যেন বাকী বোৰ নিতাল মাৰিছে। প্ৰকৃত সাহিত্যিক লেখকসকলৰ যদি সৈনিক মন এটা নাথাকে তেন্তে কালজয়ী সাহিত্য সৃষ্টি সম্ভৱ নহয়। সাহিত্য যদি সমাজ-জীৱনৰ ওচৰত দায়বদ্ধ তেন্তে লেখকসকল হ'ব লাগিব সমাজৰ হিত সাধনকাৰী অস্ত্ৰহীন ৰণুৱা। অসমৰ বৃহৎ সমাজখনৰ স্বাৰ্থতে আজি আকৌ প্ৰকৃত সত্যক প্ৰতিষ্ঠা কৰিব পৰা সাহিত্যিকৰ প্ৰয়োজন। প্ৰকৃত সত্যক কলাৰূপ দি ফুটাই তোলাৰ উদ্দেশ্যেৰে কলম হাতত তুলি লোৱা নবীন লেখকসকলৰ ওচৰত আজি অসমৰ জনসাধাৰণ আশাবাদী। এতিয়া অসমৰ সাহিত্য জগতত মেক্সিম গৰ্কীৰ 'মা'ৰ দৰে উপন্যাস, লু-চুনৰ দৰে গল্পকাৰ, নাজিম হিকমতৰ কবিতা, পল-ৰবচনৰ ৰচনাৰ দৰে সাহসী সৃষ্টি কৰ্ম অসমৰ জনতাই বিচাৰে। দেশ প্ৰাণ লক্ষীধৰ শৰ্মাৰ দৰে বিপ্লৱী বুদ্ধিজীৱি, বিপ্লৱী-সৈনিক-শিল্পী বিষ্ণুৰাভা, জ্যোতি প্ৰসাদৰ দৰে শিল্পী, অম্বিকাগিৰিৰ দৰে জাতীয়তাবাদী, অসমৰ শোষিত-নিষ্পেষিত জনগনে বিচাৰে। প্ৰকৃত সাহিত্য সমস্ত বাধাৰ বিপৰীতে অনিৰুদ্ধ। অসমৰ খিলিঞ্জীয়া, জাতি-জনগোষ্ঠীৰ জীয়াই থকাৰ সংগ্ৰামত নিজ নিজ মহান ভূমিকা পালন কৰিবলৈ অস্ত্ৰহীন ৰণুৱা সাহিত্যিকসকল আগবাঢ়ি অহাটো আজিৰ সময়ে দাবী কৰে। ■



OKDISCD

বিশেষ নিবন্ধ

# সাম্প্ৰতিক অসমৰ যুৱ-ছাত্ৰ আন্দোলনৰ ধাৰা

□ হেমন্ত কুমাৰ শইকীয়া

বিশ্বৰ যুৱ-ছাত্ৰ আন্দোলনৰ ইতিহাসত অসমৰ এক সুকীয়া মৰ্যাদা-সম্পন্ন স্থান আছে। ১৯৭৯ চনৰ অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ সময়ত অসমৰ যুৱ-ছাত্ৰই যি এক গণ জাগণৰ সূচনা কৰিব পাৰিছিল সেয়া এক গৌৰৱ উজ্জ্বল অধ্যায়, কিন্তু আন্দোলনৰ নেতৃবৰ্গৰ মতাদৰ্শগত উত্তৰণৰ বিপৰীতে মধ্যবিত্তীয় সুবিধাবাদক প্ৰশ্ৰয় দিয়াত এনে গৌৰৱ উজ্জ্বল সংগ্ৰামী ইতিহাসো আজি ৰোমাঞ্চকৰ স্মৃতিত পৰিণত হৈছে।

অসম আন্দোলনৰ সময়ছোৱাৰে পৰা অসমত মূলতঃ সদৌ অসম ছাত্ৰ-সন্থায়ে যুৱ-ছাত্ৰৰ নেতৃত্বদায়ী একমাত্ৰ জাতীয় ভাবাপন্ন ছাত্ৰ সংগঠন আছিল। অন্যান্য সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰৰ Pressure Group স্বৰূপ যুৱ-ছাত্ৰ সংগঠনবোৰৰ কাগজে-কলমে স্থিতি আছিল যদিও মতাদৰ্শগতদুৰ্বল ভিত্তি, আৰু সম-সাময়িক জাতীয় আৱেগক ইতিকিং কৰা মনোভাৱ গ্ৰহণ কৰাত এই ছাত্ৰ-সংগঠনসমূহে অসমৰ যুৱ-ছাত্ৰৰ মানসিকতাক বিশেষ প্ৰভাৱান্বিত কৰিব পৰা নাছিল।

অসম আন্দোলনৰ পৰিসমাপ্তিয়ে যিদৰে অসমৰ জাতীয় জীৱনত এক ধনাত্মক প্ৰভাৱ পেলাইছিল একেদৰে যুৱ-ছাত্ৰৰ মানসিকতা আৰু সাংগঠনিক ভিত্তিৰো সমীকৰণবোৰ সলনি কৰি পেলাইছিল অতি দ্ৰুততাৰে। উদাহৰণস্বৰূপে অঃ জাঃ যুঃ ছাঃ পঃ ক্ৰমবৰ্দ্ধমান গণভিত্তি, সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰৰ Pressure Group স্বৰূপ ছাত্ৰ সংগঠনৰ আগ্ৰাসন আৰু ভাৰতীয় জাতীয়বাদ জাপি দিয়াৰ কাৰ্যসূচী বিশেষভাৱে লক্ষ্যণীয় আছিল।

পৰিৱৰ্তিত পৰিস্থিতিত, বিশেষকৈ অসমত এটা প্ৰজন্মই আৰম্ভ কৰা জাতীয় আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নৰ তীব্ৰতা বৃদ্ধিৰ লগে লগে এই জাতীয় প্ৰশ্ন আৰু যুৱ-ছাত্ৰৰ ৰাজনীতি লক্ষ্যণীয়ভাৱে পৰিৱৰ্তিত হ'বলৈ আৰম্ভ কৰে।

যিটো সময়ত অসমত ভিন্নধৰ্মী সন্ত্ৰাসে অসমৰ জনজীৱন কোঙা কৰি পেলাইছিল, তেনে পৰিস্থিতিত আছুৰ ভূমিকা আশাস্পদ নহয়। বন্ধৰ দৰে সস্তীয়া কাৰ্যসূচী আৰু বিবৃতি যুদ্ধৰ বাহিৰে জনগণ তথা যুৱ-ছাত্ৰ সমাজক জাতীয় সংগ্ৰামৰ বাবে ৰাজপথলৈ উলিয়াই আনিবলৈ আছু ব্যৰ্থ হোৱা পৰিলক্ষিত হ'ল। ইয়াৰ বিপৰীতে আছুৰ তৃণমূল পৰ্যায়ত সাংগঠনিক কামৰ নামত স্কুল-কলেজ, বিশ্ববিদ্যালয়ৰ নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ আৰু এচাম সুবিধাবাদীয়ে আছুৰ পুঁজি গঠনৰ বাবে আছুৰ লক্ষ্য, উদ্দেশ্যত একাত্ম নোহোৱা ছাত্ৰ-ছাত্ৰীৰ পৰাও বৰঙণি সংগ্ৰহতহে সীমাবদ্ধ থকা দেখা গ'ল। কেইবাজনো শীৰ্ষ নেতৃত্বই আছুৰপৰা অঃগঃপঃলৈ এনে এক পৰিক্ৰমা আৰম্ভ কৰিলে যে 'আছু'ক অগপৰ pressure group বুলি কিয় ক'ব নেলাগে তাৰ যুক্তিসমূহো নিজেই খণ্ডন কৰিলে। নেতৃত্বৰ এনে কিছু সামন্তীয় চিন্তাসম্পন্ন সিদ্ধান্ত আৰু কাৰ্যাৱলীয়ে আছুক লাহে লাহে সৰ্ব সাধাৰণ ছাত্ৰ সমাজৰ পৰা দিনে দিনে আঁতৰাই লৈ গ'ল। কেইবাজনো শীৰ্ষ নেতৃত্ব নামত ছাত্ৰ নেতা হ'লেও তেওঁলোকে যে ইতিমধ্যে ছাত্ৰ জীৱন অতিক্ৰম কৰিছে সেয়া এতিয়া সকলোৰে বাবে ছাত্ৰ ৰাজনীতি কথা ওলালেই আলোচিত বিষয় হৈ পৰে। লগতে ৰগৰবো। অঃ যাঃ যুঃ ছাঃ পঃয়েও চেগা-চোৰোকাকৈ লোৱা কাৰ্যসূচীত নিজৰ স্থিতি বৰ্তাই ৰখাৰ বাবে কৰা সংগ্ৰামৰ অস্তিত্ব ৰখাৰ সংগ্ৰাম যেনহে অনুভৱ হয়। ইমানখিনিলৈকে এই দুই জাতীয় ভাবাপন্ন সংগঠনৰ ভূমিকা আশাপদ বুলি ধৰিলেও সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ Pressure Group স্বৰূপ সৰ্বভাৰতীয় ছাত্ৰ সংগঠনে অসমৰ জাতীয় সমস্যাৰ ক্ষেত্ৰত সম্পূৰ্ণ প্ৰতিক্ৰিয়াশীল ভূমিকা গ্ৰহণ কৰি অহাহে পৰিলক্ষিত হ'ল।

> সংসদীয় বিকল্পই সমাজৰ আৰ্থ-সামাজিক উন্নতি সাধিব পাৰিব বুলি ভাবো। সেইটো কিন্তু এক নিৰ্দিষ্ট আঁচনিভিত্তিক হ'ব লাগিব, যিহেতু এতিয়ালৈকে সংসদীয় ব্যৱস্থাটো জনগণৰ স্বাৰ্থত ব্যৱহাৰ হোৱা নাই। সেয়েহে এটা আদৰ্শভিত্তিক বিকল্পই অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত উন্নতি সাধিব পাৰিব বুলি আমাৰ বিশ্বাস। সংসদলৈ নিৰ্বাচিত ব্যক্তিগৰাকীৰ অসমৰ জনজীৱন, ইয়াৰ আৰ্থ-সামাজিক পৰিৱেশ আদিৰ বিষয়ত সম্যক জ্ঞান তথা জড়িত হ'ব লাগিব, আৰু তেতিয়াহে জনগণৰ স্বাৰ্থত প্ৰয়োজনীয় সংসদীয় ব্যৱস্থাটোও পৰিৱৰ্তন হ'ব পাৰে। তেতিয়াই বিকল্পৰ প্ৰতি সন্দেহ কৰাৰ থল নেথাকিব। ৰাজ্যৰ সম্পদৰ ওপৰত অধিকাৰ সাব্যস্তকৰণেই অসমৰ উন্নতিৰ প্ৰধান বাটকটিয়া, সেই উন্নতি এই ব্যৱস্থাটোৰ মাজেৰেই সাধিব লাগিব। এই উন্নতিৰ বাবে প্ৰকৃত জাতীয় প্ৰেমী নাগৰিকৰ হাতত দায়িত্ব অৰ্পিত হ'লে এই দিশত উন্নতি হ'ব বুলি আমি নিশ্চিত।
>
> শ্ৰীঅপূৰ্ব কুমাৰ ভট্টাচাৰ্য
> সাধাৰণ সম্পাদক
> অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ।

শেহতীয়াকৈ অঃগঃপঃই বিধ্বস্ত কৰা আঞ্চলিকতাবাদৰ ধাৰাক পুনৰ জীৱিত কৰাৰ বাবে আছু, অঃ জাঃ যুঃ ছাঃ পঃয়ে পূৰ্ণ প্ৰস্তুতি আৰম্ভ কৰিছে। কিন্তু ছবছৰীয়া অসম আন্দোলনে দিয়া অসম চুক্তি ৰূপায়ণৰ বাবে আছু, অঃ জাঃ যুঃ পঃ আগ্ৰহশীল যেন দেখা নাযায়। বিক্ষিপ্তভাৱে দুই এক সংগ্ৰামী কাৰ্যসূচীৰ আহ্বান দিলেও জনগণক ৰাজপথলৈ উলিয়াই অনাৰ কোনো প্ৰচেষ্টা বৰ্তমানেও দেখা পোৱা হোৱা নাই। অসম আন্দোলনৰ যি মূল 'ইছ্যু' আছিল বিদেশী সমস্যা, এখন শুদ্ধ ভোটাৰ তালিকা, নাগৰিক পঞ্জী— এই বিষয়বোৰো এতিয়া সংসদীয় ৰাজনৈতিক দলৰ ৰাজনৈতিক 'ইছ্যু' হৈহে পৰিছে। অসমৰ যুৱ-ছাত্ৰ সংগঠনসমূহে জাতীয় পুঁজি গঠনৰ দিশটোক সদায় এলাগী কৰি থৈছে।

ভাৰতীয় সংসদীয় ব্যৱস্থা এটাৰ প্ৰতি আমাৰ মুঠেও সমৰ্থন বা মোহ নাই। শোষকৰ স্বাৰ্থত এই ব্যৱস্থা গঢ়ি তোলা হৈছে। ই জনগণৰ মৌলিক সমস্যাসমূহ সমাধান কৰিব পৰা নাই। যোৱা পঞ্চাশ বছৰীয়া অভিজ্ঞতাই সেই ব্যৰ্থতাক ভালকৈ সূচিত কৰিছে। আগতেও পৰা নাই, ভৱিষ্যতেও নোৱাৰে।

সংসদীয় বিকল্পতকৈ সংগ্ৰামী বিকল্পৰ প্ৰতিহে আমি আস্থাশীল। সমাজ ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তনৰ বাবে এই সংগ্ৰাম আৱশ্যম্ভাৱী।

মুকুট সিংহ চুতীয়া
সম্পাদক, আমকা

আছুৰ দৰে সংগঠনসমূহে অসমৰ অৰ্থনীতিৰ প্ৰভাৱ বিস্তাৰ কৰিব পৰা উদ্যোগীকৰণৰ বিষয়টোক সংকীৰ্ণ ব্যক্তি স্বাৰ্থলৈ পৰ্যবসিত কৰিছে। থলুৱাৰ স্বাৰ্থ ৰক্ষা নোহোৱাকৈ নুমলীগড় শোধনাগাৰ স্থাপনত ৰিলায়েঞ্চৰ দৰে বহুজাতিক কোম্পানীসমূহক আইন-শৃংখলা পৰিস্থিতি নিজে নিয়ন্ত্ৰণ কৰাৰ প্ৰতিশ্ৰুতি দি অসমৰ বজাৰখনত যিদৰে অথলুৱাৰ আগ্ৰাসনক walk over দিছে, সেই স্থিতিয়ে আছুৰ জাতীয় দায়বদ্ধতাক বহু অধঃপতিত কৰিছে। তুলনামূলকভাৱে এনে দিশত অঃ জাঃ যুঃ ছাঃ পঃৰ স্থিতি বহু পৰিমাণে যোগাত্মক যেন পৰিলক্ষিত হ'লেও বিশেষ কোনো সুদূৰপ্ৰসাৰী কাৰ্যসূচী আৰু ফলাফল আজি লক্ষ্য কৰা নাযায়।

আছু আৰু অঃ জাঃ যুঃ ছাঃ পঃৰ দুৰ্বল সংগ্ৰামী ভূমিকাই আজি অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজতো উমি উমি ক্ষোভৰ জুই জ্বলিছে বাবেই প্ৰতিটো জনগোষ্ঠীয়েই নিজা ছাত্ৰ সংগঠনক দৃঢ় কৰাৰ কামত ব্ৰতী হৈছে। নক'লেও হয় যে এনে বিচ্ছিন্ন ছাত্ৰ শক্তিয়ে আজি প্ৰতিক্ৰিয়াশীলসকলক বিশেষভাৱে উপকৃত কৰিছে। আছু, অঃ জাঃ যুঃ ছাঃ পঃ আদি বৃহৎ ছাত্ৰ সংগঠনবোৰ আজি সংকীৰ্ণ অসমীয়া জাতিয়তাবাদৰ দ্বাৰা আক্ৰান্ত হৈ পংগু হোৱা বুলি যি জনৰৱ উঠিছে তাৰ বাবে দায়ী কিন্তু নেতৃত্বদায়ী যুৱ-ছাত্ৰ অংশই।

এনে বহু ৰাজনৈতিক অস্থিৰতাই অসমৰ যুৱ-ছাত্ৰ আন্দোলনৰ গতিপথক সদায় বাধাগ্ৰস্ত কৰি আহিছে। শেহতীয়াকৈ তৃতীয় বিকল্পৰ নামত আছু, অঃ জাঃ যুঃ ছাঃ পঃত যি এক যুদ্ধকালীন কুছ-কাৱাজ আৰম্ভ কৰিছে সেয়াই যিকোনো সচেতন ব্যক্তি মাত্ৰকে ভবাই তুলিছে—"আজি অসমৰ যুৱ-ছাত্ৰ আন্দোলন কোনপথে?

অঃ গঃ পঃই নিজেই আজি আঞ্চলিকতাবাদৰ কবৰ খান্দিছে, সেই কবৰত যে অঃ গঃ পঃ নিজে পোট খাব, কেৱল সেয়াই নহয়, অসমত আঞ্চলিকতাবাদৰো কণ-কঠিয়া মাৰিব। অঃ গঃ পঃৰ এই অনুশীলনে বাস্তৱিকতে প্ৰমাণ কৰিছে সৰ্বভাৰতীয়ই হওক বা আঞ্চলিকতাবাদৰ চোলা পিন্ধাসকলেই হওক, কাৰো হাতত অসমবাসী আৰু যুৱ-ছাত্ৰ সমাজৰ নিস্তাৰ নাই। এনে এক পটভূমিত আছু, অঃ জাঃ যুঃ ছাঃ পঃ সংসদীয় যুঁজৰ প্ৰতি অনুৰাগ বৃদ্ধিয়ে ভবাই তুলিছে আঞ্চলিকতাবাদৰ দৰে অসমৰো যুৱ-ছাত্ৰৰ সংগ্ৰামী অধ্যায় ইতিহাসহে হৈ ৰ'বগৈ নেকি? আছু আৰু অঃ জাঃ যুঃ ছাঃ পঃয়ে যদি অগপই



ধ্বংস কৰা আঞ্চলিকতাৰ পুনৰ জীৱিত কৰিবৰ বাবে নিজৰ সমগ্ৰ শক্তিক্ষয় কৰে আৰু নিজেও সংসদীয় বোকাত লুটুৰি-পুতুৰি হয়গৈ স্বাভাৱিকতে অসমৰ যুৱ-ছাত্ৰ আন্দোলন নিঃচিহ্ন হৈ যাব। ইয়াৰ সুযোগ গ্ৰহণ কৰি সাম্প্ৰদায়িক আৰু প্ৰতিক্ৰিয়াশীল সৰ্বভাৰতীয় ছাত্ৰ সংগঠনসমূহে যদি অসমৰ সংগ্ৰামী ছাত্ৰ শক্তিক পুনৰ দুৰ্বল কৰি পেলায়, অদূৰ ভৱিষ্যতে কিন্তু আছু, অঃ জাঃ যুঃ ছাঃ পঃয়ে জবাবদিহি হ'ব লাগিব।

সেয়েহে অসমৰ সমূহ সৰ্বসাধাৰণ যুৱ-ছাত্ৰ আৰু জাতীয় ভাবাপন্ন যুৱ-ছাত্ৰ সংগঠনসমূহ নেতৃত্বৰ বাবে কঠিন সময় উপস্থিত হৈছে, কি কৰা উচিত হ'ব, এতিয়াই ভাবক। সময়ে কিন্তু কাকো ক্ষমা নকৰিব। অন্যথা অসমৰ সৰ্ব-সাধাৰণ যুৱ-ছাত্ৰই নিজেই অন্য এক প্ৰগতিশীল গণতান্ত্ৰিক যুৱ-ছাত্ৰ সংগঠনৰ ইস্তাহাৰ তৈয়াৰ কৰিব লাগিব। □

কংগ্ৰেছ-বিজেপি-চি পিআই-চিপিআই(এম) অগপ, আকালি, টিডিপি ইত্যাদি সংসদীয় ৰাজনৈতিক দলবোৰৰ দ্বাৰা ভাৰত, অসমৰ আৰ্থ-ৰাজনৈতিক আৰু সামাজিক দিশৰ উন্নতি সম্ভৱ নহয়। কিয়নো আৰ্থ-ৰাজনৈতিক আৰু সামাজিক দিশৰ উন্নতিৰ বাবে প্ৰকৃতাৰ্থত ঔপনিৱেশিক শোষণৰ বিৰুদ্ধে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম গঢ়ি তুলিবই লাগিব। লগতে সমাজজীৱনত যিবোৰ সামন্তীয় মূল্যবোধ আৰু অৱশেষ তথা ৰূপ আছে ইয়াৰ বিৰুদ্ধেও অসমৰ উন্নতিৰ বাবে অপৰিহাৰ্য। ওপৰত উল্লেখিত ৰাজনৈতিক দলবোৰে সাম্ৰাজ্যবাদ, সামন্তবাদৰ স্বাৰ্থহে ৰক্ষা কৰে। গতিকে এই দলবোৰে অসমৰ, ভাৰতৰ প্ৰকৃতাৰ্থত উন্নতিৰ বাবে কোনো কাম কৰিব নোৱাৰে, আমকা (URMCA) চি পি আই (এম, এল) পি চি চি, এ এছ ডি চি, চি পি আই(এম এল) লিবাৰেচন ইত্যাদি দলবোৰে এক বিপ্লৱী পৰিৱৰ্তনৰ যোগে অসমৰ আৰ্থ-ৰাজনৈতিক সামাজিক দিশৰ উন্নতিৰ বাবে সংসদীয় বিকল্পৰূপে নিজক আগবঢ়াই নিয়াৰ চেষ্টা কৰিছে। ৰাছিয়া, চীনৰ অধঃপতনৰ পিছত, চিন্তাৰ জগতখনলৈ গ্ৰামচিৰ তত্ত্বৰ প্ৰভুত্ব ইত্যাদিৰ জৰিয়তে চি পি আই (এম এল), পি চি চিয়ে চূড়ান্ত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। কেৱল সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ চূড়ান্ত গণতান্ত্ৰিকতাৰ জৰিয়তেই নহয় বিপ্লৱী চেতনা সমৃদ্ধ জনগণতান্ত্ৰিক বিকল্প ব্যৱস্থা হৈ অসম ভাৰতৰ উন্নতি সাধিব পাৰিব বুলি আমি বিশ্বাস কৰোঁ।

অৰুণ গগৈ
উপদেষ্টা, সদৌ অসম টাই আহোম ছাত্ৰ সন্থা

*পদাতিকৰ অহা সংখ্যা এক এপ্ৰিলত প্ৰকাশ পাব—*



OKDISCD

# ইতিহাস অধ্যয়নৰ প্ৰণালী

□ কিশোৰ মোহন ভট্টাচাৰ্য

সভ্যতা, সংস্কৃতিৰ বিভিন্ন উপাদানক যি চালিকা শক্তিয়ে নিয়ন্ত্ৰণ কৰে, তাকে ইতিহাসৰ সমল বোলে। সময়ৰ সোঁত আৰু গতিয়েই ইতিহাস। ইতিহাস বোলা অভিধাৰা কোনো নিৰ্দিষ্ট সাৰ্বজনীন সংজ্ঞা নাই। জীৱনৰ ছবি আৰু চেতনাৰ দলিলকে সাধাৰণভাৱে ইতিহাস বোলা হয়। ইতিহাস অধ্যয়ন এক বহুমুখি প্ৰক্ৰিয়া। সম্প্ৰতি ইতিহাস অধ্যয়নৰ প্ৰাণলী কাৰ্যত বহুচৰ্চিত বিষয় হিচাপে পৰিগণিত হৈছে।

ব্যৱহাৰিক অৰ্থত দেখা যায় যে—ইতিহাস অধ্যয়ন এক জটিল অথচ মনোগ্ৰাহী প্ৰক্ৰিয়া। তথ্য আহৰণ আৰু সংশ্লিষ্ট ক্ষেত্ৰত সেইবোৰৰ সংযোজন—এইয়ে ইতিহাস অধ্যয়নৰ প্ৰধান উদ্দেশ্য। ঐতিহাসিক সমলবোৰ পোনচাটেই হাতলৈ নাহে, কাৰণ সময়-সাপেক্ষে বাস্তৱসন্মত ঘটনাই ইতিহাস ৰচনাৰ মুখ্য চাবি-কাঠি।

কেইবাটাও প্ৰণালীৰে ইতিহাস অধ্যয়ন কৰিব পৰা যায়। স্বৰূপাৰ্থত ইতিহাসৰ প্ৰত্যক্ষ অধ্যয়নৰ কেতবোৰ প্ৰণালী এইখিনিতে দাঙি ধৰা হ'ল। প্ৰথমতে, বস্তুনিষ্ঠ তথা ভাৱপ্ৰসূত জল্পনা-কল্পনা আঁতৰাই ইতিহাসৰ নিৰ্দিষ্ট প্ৰসংগত আঁত ধৰি কথাবোৰ জুকিয়াই ল'ব লাগে। সামগ্ৰিক দৃষ্টিভংগী ফুটাই তুলিবলৈ যুক্তি আৰু অনুমানৰ সৰল সমীকৰণ কৰিলে কোনো ঐতিহাসিক ঘটনাৰ নিৰপেক্ষ গুৰুত্ব প্ৰকাশ হোৱাৰ পথ সুগম হয়।

নৃতাত্ত্বিক বিশ্লেষণেৰে ইতিহাসৰ ঘটনাক্ৰম তথা সময় উপযোগী মতামত প্ৰমাণ কৰিব পৰা যায়। ৰাজনৈতিক আনুষ্ঠানিকতা তথা জনজীৱনৰ ৰুচি-অভিৰুচিবোৰ ইতিহাসৰ বুকুত থিতাপি ল'লে নৃতাত্ত্বিক সমীক্ষাৰে সকলোবোৰ দিশ তন্ন তন্ন কৈ লিপিবদ্ধ কৰিব পৰা যায়।

দ্বিতীয়তে, ভৌগোলিক উপাদানবোৰৰ সঠিক গুণাগুণ নিৰূপণ কৰি ঐতিহাসিক মূল্যাংকন কৰিব পৰা যায়। বিভিন্ন প্ৰাসংগিক ব্যাখ্যা আৰু পৰ্যালোচনা দাঙি ধৰিবলৈ যাওঁতে ভৌগোলিক প্ৰশ্নবোৰে ইতিহাসক পৰিচালনা কৰে।

সময় আৰু পাৰিপাৰ্শ্বিক অভিব্যঞ্জনাবোৰে ইতিহাস অধ্যয়নৰ বেলিকা বিশেষ ভূমিকা পালন কৰা দেখা যায়। ভূগোল হৈছে ইতিহাসৰ ৰূপকাত্মক সমীক্ষক। ভূগোল অধ্যয়নৰ সহায়ত ঐতিহাসিক তথ্য উদঘাটনৰ পথ সহজে চিনাক্ত কৰিব পৰা যায়।

তৃতীয়তে, ৰাজনৈতিক চিন্তাৰ বিকাশৰ বিভিন্ন স্তৰত বস্তুদত্ত-অন্তৰ্দত্ত সহযোজিত



হৈ থাকে। ৰাষ্ট্ৰৰ উৎপত্তি আৰু বিভিন্ন শাসন প্ৰণালীৰ উদ্ভাৱনে ইতিহাস অধ্যয়নৰ প্ৰণালীবোৰক অধিক মহত্ত্ব প্ৰদান কৰিছে। ৰাজনীতি বিজ্ঞানৰ বহিৰংগত অমীমাংসিত হৈ থকা আটাইবোৰ ৰাজনৈতিক সমলক ইতিহাসে আকোৱালি লয়। গতিকে সমীক্ষাত্মক দৃষ্টিৰে ৰাজনৈতিক বিশ্লেষণে সামৰি লোৱা প্ৰসংগবোৰ নিচৰ্তভাৱে আলোচনা কৰিব লাগে।

শাসনতন্ত্ৰৰ তুলনাত্মক বিশ্লেষণেৰে ইতিহাসৰ বিভিন্ন স্বৰূপ অধ্যয়ন কৰিব পাৰি। সংগ্ৰহ আৰু সংৰক্ষণ হৈছে ইতিহাস অধ্যয়ন প্ৰণালী আয়ত্ত কৰাৰ প্ৰথম চৰ্ত।

চতুৰ্থতে, অৰ্থনৈতিক দণ্ড আৰু সামাজিক প্ৰেক্ষাপটৰ ক্ৰমবিকাশৰ বিভিন্ন ধাৰা পৰ্যালোচনা কৰিব লাগে। মন কৰিবলগীয়া কথা হ'ল—এই যে লোককথা বা জনশ্ৰুতিবোৰক ইতিহাসৰ সাজপাৰ পিন্ধোৱাটো অযুগুত। সাধাৰণতে অৰ্থনীতিৰ বিভিন্ন সূত্ৰ আৰু সামাজিক জীৱনৰ অনেক লক্ষ্য নিৰ্দ্ধাৰিত উপাদানে ঐতিহাসিক সমলবোৰক নিয়ন্ত্ৰিত কৰে।

ইতিহাস অধ্যয়নৰ প্ৰণালী পৰিবেশভেদে বিচিত্ৰ হ'ব পাৰে। আনহাতে ইতিহাসৰ পৰোক্ষ অধ্যয়ন ব্যক্তিভিত্তিক হোৱা দেখা যায়। স্বাভাৱিক অৰ্থত নিৰ্দিষ্ট সূত্ৰ মুখস্থ কৰি ইতিহাস অধ্যয়ন কৰিব নোৱাৰি। ইতিহাসে কথা কয়—কথাৰে পিছে ইতিহাস অধ্যয়নৰ বাট মুকলি কৰিব পৰা নাযায়। কাৰণ সাধনাপুষ্ট চিন্তা আৰু ধৈৰ্য সমৃদ্ধ পৰিশ্ৰমে ইতিহাস অধ্যয়নৰ প্ৰণালী নিৰ্ণয় কৰিব পাৰে। □

'কি যে দুৰ্বাৰ এটা ইচ্ছাৰ তাড়নাত মই
প্ৰতিনিয়ত সংগ্ৰাম কৰি আছোঁ
মোৰ নিজৰ স'তে, মোৰ পৃথিৱী আৰু
শব্দৰ স'তে।'

*—সনন্ত তাঁতী*

গল্প

# বৰনীয়া আলিবাট, একাঁবেকা

শিবানন্দ কাকতি



বুঢ়াপাহাৰৰ ৰাস্তাৰ পাকঘূৰণিত তাৰ কেইবাবাৰো বমি হ'ল।

মাকৰ কোলাত তাৰ একেবাৰে সৰু ভায়েক, কাষত দেউতাক। জীপগাড়ীখনৰ পিছৰ দীঘল চিট দুটাৰ এটাত সি, তাৰ বাৰ বছৰীয়া ককায়েক আৰু তাৰ তলৰ আঠ-ন বছৰীয়া ভায়েক। আনটো চিটত দেউতাকৰ অফিচৰ মানুহ দুজন-লীলাধৰ শইকীয়া আৰু কমল পাচনি। আৰু তেওঁলোক দুয়োৰে মাজতে চেপেটা লাগি বহি আহিছে সিহঁতৰ একমাত্ৰ পাঁচ বছৰীয়া সুৰ ভনীয়েক। মাত্ৰ-ডেৰ দুই বছৰৰ আন জন এই ন-দহ বছৰতে সিহঁতৰ চাৰি ভাই-ককাই আৰু এজনী ছোৱালী।

ৰাতিপুৱা পোহৰ হওঁ -নহওঁতেই সিহঁতে যোৰহাট এৰিছে। মালৌআলিৰ খালী হৈ পৰা ভাড়া ঘৰটোৰ পৰা ওলাই মাকে দুৱাৰ দলিতে এবাৰ সেৱা কৰিছিল গোটেই ঘৰটোলৈকে চাই। ইতিমধ্যে কালিয়েই ভগাই থোৱা জীপ খনৰ নিৰ্দ্দিষ্ট ঠাইবোৰত তাক আৰু সৰু ভায়েকক বাদ দি সকলোবোৰ উঠিছেই। মাকৰ কোলাত ভায়েক; লগতে ঠিক আচলতে ধৰি থকাৰ দৰেই মাকৰ পিছে পিছে সি। সৰু-দীঘল যিকোনো যাত্ৰাতে বমি কৰাতো তাৰ অভ্যাস। কিন্তু এইকেইদিন সি প্ৰায়েই কৈ আহিছে সি বমি নকৰে, তাক লৈ কোনেও এইবাৰ চিন্তা কৰিব নালাগে। সি দাদাক হতঁৰ লগতে পিছৰ চিটত বহিব পাৰিব। মাকৰ একান্ত ইচ্ছা তাক আগৰ চিটত লগতে বহাই নিয়াৰ, কিন্তু মাকৰ কোলাত থকা সৰু কেচুৱাটোৰে নগাঁৱলৈকে ইমান দীঘলীয়া যাত্ৰাত দেউতাকে কথাটোত সিমান জোৰ দিয়া নাই। সেইবাবেই এতিয়া এইসময়লৈকে তাৰ বহা ঠাই নিশ্চিত হোৱা নাই।

অনিশ্চিত বহা ঠাইৰ কাৰণেই হওক বা এই ঘৰটো একেবাৰে এৰি থৈ যাব লগাত সি ভাবিব বা বুজিব নোৱাৰা, যিকোনো দুখতেই হওক ঘৰটো এৰি যোৱাৰ



এই অন্তিম মূহুৰ্ত্তলৈকে সকলো সময়তে মাকৰ লগত সি লাগি আছে। ঘৰটোৰ পৰা সকলোবোৰ ওলাই যোৱাৰ পাছত দেউতাক আৰু পাচনিয়ে কোঠাবোৰ কেইবাবাৰো কিবা এৰিছে নেকি চাই যোৱাৰ পাছত একেবাৰে শেষত, মাকে লাহে লাহে প্ৰতিটো কোঠাত, সৰু-বৰ প্ৰতিটো কোঠাত এবাৰ এবাৰকৈ ভূমুকি মাৰিছে। কোঠাবোৰৰ বেৰত সোঁহাত খনেৰে একোবাৰ চুই চাইছে, প্ৰতিবাৰতে যেন চলচলীয়া চকুৰে কোঠাবোৰক মৰমেৰে মাত লগাইছে; আনখন হাতৰ আঙুলিত সিখন হাতেৰে ধৰি যেন একোটা সেৱা কৰিব খুজিছে। ইটোৰ পৰা সিটো কোঠালৈ মাক, কোলাত সৰু ভায়েক আৰু মন্ত্ৰমুগ্ধৰ দৰে কোনো কথা আৰু শব্দ নকৰাকৈ মাকৰ লগত সি।

অৱশেষত দুৱাৰদলিত মাকৰ এই দীঘল প্ৰণিপাত। সিও এনেয়ে মাকৰ লগত আঠু কাঢ়ি দিলে।

ইতিমধ্যে আগবঢ়াবলৈ অহা চৌহদৰ ঘৰৰ মালিক বৰুৱা, বৰুৱানী আৰু তেওঁলোকৰ ল'ৰা-বোৱাৰী প্ৰায় সকলোবোৰৰ পৰা বিদায় লৈ মাক জীপখনত বহিলহি। সি পাছৰ চিটত। বেলি ওলাবলৈ বহুপৰ থাকোঁতে সিহঁতৰ জীপ গাড়ীখন মালৌআলি পাৰহৈ চাৰি নং বাৰ্ড স্কুলৰ সন্মুখেৰে ঘাইপথত উঠি তৰাজান এৰিলে, নগাঁও অভিমুখে গাড়ীখন এটা নিৰ্দ্দিষ্ট গতিত গৈ থাকিল। জীপখনৰ পিছে পিছে ডাঙৰ ট্ৰেইলাৰখন; ট্ৰেইলাৰত বোজাই সিহঁতৰ ঘৰৰ আচবাব আৰু অন্যান্য সামগ্ৰী।

প্ৰচণ্ড গতিবেগে গাড়ীখনত নাছিল। বহুসময়লৈকে মাক আৰু দেউতাকৰ বাহিৰে সিহঁত আটাইবোৰেই পিছপিনে অনৰ্গল কথা পাতি গৈছিল। অনৰ্গল কথা আৰু প্ৰশ্নেৰে বিব্ৰত কৰিছিল লীলাধৰ আৰু পাচনি খুৰাকক। যোৱা সপ্তাহত তেওঁলোকেই সিহঁতৰ গাঁৱৰ ঘৰত প্ৰথম খেপৰ বস্তু-বাহানি থৈ গৈছিল। বাকীখিনি সিহঁতৰ পিছে পিছে আজিৰ ট্ৰেইলাৰখনত।

দেউতাকে সিহঁতক কৈছে, এতিয়া আৰু সিহঁত নগাঁও টাউনত নেথাকে, সিহঁতে সিহঁতৰ নিজৰ ঘৰলৈ যাব, শেতালিলৈ। তাতে থাকিব। তাতে ভাল ভাল স্কুল হৈছে, অঞ্চলটোৰ বহুতেই নাম কৰি পাছ কৰিছে বিভিন্ন স্কুলৰ পৰা; গতিকে সিহঁত তাতে থাকিব, তাতে পঢ়িব। সকলোৰে ভাল হ'ব; বিশেষকৈ ভাল হ'ব সিহঁতৰ অসুখীয়া মাকৰ। মাকৰ অসুখৰ কাৰণে গাঁও কি ভাল হ'ব সি বুজা নাছিল; আনকি হয়তো আনকেইটায়ো। কিন্তু সি গৈ ক'ত থাকিবগৈ, ক'ত পঢ়িব লাগিব, ক'ত খেলিব লাগিব, সেইবোৰ ভাবি সি আঁতাব পৰা নাছিল। তাৰ ক্ৰিকেটৰ বেটখন নতুন। কিন্তু ষ্টাম্প আৰু গ্ল'ব্চ তাৰ নাই। তাত বা কাৰোবাৰ আছে নে নাই বা থাকিলেও দিবনে নিদিয়ে। সি ভালকৈ জানে দেউতাকে তাক অন্ততঃ এতিয়াই এইবোৰ কিনি নিদিয়ে। বহু কষ্ট কৰি তাক কোনো কোনোৰে দিয়া পইছা গোটাই আৰু মাকৰ অনুযোগত দেউতাকে যোগ দিয়া। পইচাৰে কোনোমতে সি মাত্ৰ কেইমাহমানৰ আগত এইখন বেট কিনিছে,



OKDISCD

তাকো তাৰ মনৰ অপছন্দৰ। সেয়ে সি আশা কৰে, গাঁৱত এখন বহল ফিল্ড ক'ৰবাত থাকক, দুই এটা টীম থাকক, যাৰ অন্যান্য সামগ্ৰীৰে সি তাৰ খেলা আৰম্ভ কৰিব পাৰে। সেয়ে বিশেষ কিছুমান প্ৰশ্ন তাৰ অনবৰতে অব্যাহত থাকে।

গাঁৱলৈ সি অৱশ্যে একেবাৰে নহা নহয়। কিন্তু যি দুই এদিনৰ বাবে বিয়া, বিহু বা আন অৱসৰত সিহঁত গাঁৱলৈ আহিছিল সেই সময়খিনিত গাঁৱত কি আছে কি নাই সেইবোৰ ভাবিবলৈ সি সময় নেপাইছিল, বা ভবাৰ প্ৰয়োজনো নহৈছিল। কিন্তু এতিয়া সিঁহত একেবাৰে আহিছে দেউতাকৰ গাঁৱলৈ থাকিবলৈ, সিহঁতৰ নিজৰ গাঁৱলৈ, গাঁৱত থকা নিজৰ ঘৰলৈ।

প্ৰশ্নবোৰৰ সাম্ভাব্য আৰু আনুমানিক উত্তৰ দি লীলাধৰ পাচনিহঁত ভাগৰি পৰাৰ আগতেই তাৰ ভাগৰ লাগিবলৈ আৰম্ভ কৰিলে। খুব ৰাতিপুৱাই উঠাৰ বাবে ইতিমধ্যে ভনীয়েক লীলাধৰৰ কোলাত শুলেই। তাৰ লগত বহি অহা ভায়েক এই অলপ আগতে পাচনিৰ কোলা পাইছেগৈ। অলপ সময়তেই ক'ব নোৱাৰাকৈ ককায়েকৰ কোলাতে সি হালি পৰিল। মাকে পিছলৈ চাই তাৰ ভৰি দুটা চিটৰ ওপৰত মেলি দিয়ালে। ককায়েকে চিটত আউজি সৰু সৰু ঠেকেচনিত মূৰটো লৰাই চকু মুদি মুদি গৈ থাকিল আৰু একেই ছন্দোবদ্ধ জোকাৰণিৰে সি ক্ৰমে গভীৰ টোপনিত, এটা সময়ত লালকাল, ককায়েকৰ দুইভৰিত মূৰথৈ।

খকমককৈ সাৰ পাই সি পোনচাটেই বাহিৰলৈ মূৰটো উলিয়ালে। অক্‌কৈ অক্‌কৈ উকালি দিলে, এবাৰ, তাৰ পিছত আৰু এবাৰ। পাচনি আৰু ককায়েকে পিছপিনৰ পৰা তাক ধৰি থাকিল। বমিৰ চিটিকনি জীপৰ ভিতৰত, ককায়েক আৰু পাচনিৰ গাত অ'ত ত'ত ফুট ফুট হৈ পৰি গ'ল। বুঢ়া পাহাৰ পাৰ হয় মানে সি আৰু দুবাৰ মান বমি কৰিলে। জখলাবন্ধাৰ হোটেল এখনত মাকে তাৰ চকু মুখ ভালকৈ ধুৱাই দিলে। সি নিজেও কেইবাবাৰো কুলুকিয়ালে।

জখলাবন্ধা এৰাৰ অলপ সময়ৰ পাছতেই সি আকৌ টোপনি গ'ল।

নগাঁও টাউনৰ এপিনে ডিমৰুগুৰি পানীগাঁৱেদি সোমাই আনপিনে হয়বৰগাঁও খুটকটিয়া পাৰহৈ ওলোৱালৈকেও সি গভীৰ টোপনিত লালকাল। সি একোকে কব নোৱাৰাকৈয়ে গোটেই নগাঁও চহৰখন এসময়ত পাৰ হৈ গ'ল।

বেৰেজীয়াত সোহাঁতে গাড়ীখন ঘূৰাই প্ৰথম যেতিয়া পি. ডব্লিউ. ডি. ৰ শিলগুটিৰ ৰাষ্টাত জীপখনৰ হেন্দোলনি আৰু জোকাৰণি হঠাৎ বেছি হ'ল, শুই থকা সি প্ৰথম চকু মেলিলে। প্ৰথমে ওপৰলৈ জীপখনৰ ক'লা হুডৰ চালিখনলৈ চাই চাই অলপ সময় সি যেন অনুমান কৰিব খুজিলে ক'লৈ আহি আছে সিহঁত। গভীৰ টোপনি আৰু ভাগৰত সি যেন সকলোবোৰ পাহৰি গৈছিল। লগে লগে তাৰ মনলৈ আহিল সিহঁত সিহঁতৰ ঘৰলৈ আহি আছে।



সি ভালদৰে বহি লৈ বাহিৰলৈ চাই পঠালে। বাহিৰত ৰাষ্টাৰ দুয়োকাষে সজাল ধৰা ধাননিৰ কজলা পথাৰ বহু দূৰলৈকে কেৱল ধাননি, মাজত একো নাই, কেৱল মুকলি পথাৰ। আনকি কোনো এজোপা অকলশৰীয়া গছো নাই।

সি অনেক সময় চাই থাকিল পথাৰবোৰলৈকে। শিলগুটি ৰাস্তাত গাড়ীখন লাহে লাহে গৈ আছে। আৰু বেছি সময় নাই, অলপ পাছতেই কুৰুৱাবাহী, তাৰ পিছত বাওঁহাতে দুই কিলোমিটাৰ মান গৈ আকৌ বাওঁহাতে মাত্ৰ আধা কিলোমিটাৰমানতেই সিহঁতৰ গাঁও, শেতালি।

কুৰুৱাবাহীৰ মূৰতে দুকাষৰ পথাৰ শেষ। তাৰ পিছত অলপ সময় গাওঁ, বাঁহনি আৰু দুই এঘৰ নতুনকৈ পথাৰ ভাঙি ঘৰ পতা গৃহস্থী। তাৰ পিছত দুয়োকাষে আকৌ পথাৰ। আনকি জামুগুৰি চাৰিআলিটোৰ বাওঁপিনে ঘূৰি সিহঁত গাঁৱৰ মূৰ নোপোৱালৈকে কেৱল পথাৰ আৰু পথাৰ।

কজলা ধাননিবোৰ পথাৰত একাকাৰ হৈ যেন বিয়পি পৰিছে। আবেলিৰ এই গোটেই পথাৰবোৰতেই যেন কোনো নিৰ্দ্দিষ্ট ধাননি নাছিল, নাছিল পথাৰৰ মাজৰ কোনো সৰু বৰ আলি। ডাঠ কজলা ৰঙৰ বহল চাদৰ এখন যেন পাৰি থোৱা আছিল কেউপিনৰ আকাশত পাৰবোৰ চই থকাকৈ। সি একমনে তাকেই চাই আহি আছিল। হঠাৎ সি গম পালে গাঁৱৰ মূৰৰ প্ৰথম চাৰি আলিটো জীপখনে পাৰ কৰিলে। অলপ পিছতেই সিহঁতৰ ঘৰ।

বহুবছৰৰ আগতেই চূণ দিয়া বেৰ বাটামৰ পথালিকৈ এটা দীঘল ঘৰ, ওখ। ওপৰত খেৰৰ চাল। সি এই ঘৰটোলৈ আগেয়েও আহিছে, কব পৰা হোৱাৰে পৰা কেইবাবাৰো। কিন্তু তেতিয়াৰ অতি কম সময়ৰ আতিথেয়ত এই ওখ ঘৰটোৰ লগত তাৰ কোনো আত্মিক সম্পৰ্ক স্থাপন হোৱা নাছিল। কিন্তু এতিয়া দেউতাকে কৈ আহিছে এইটোৱেই হ'ব সিহঁতৰ নিজৰ ঘৰ।

অলপ সময়ৰ ভিতৰতেই চাৰিওপিনৰ পৰা অনেক সৰু বৰ ল'ৰা-ছোৱালী, ডেকা-বুঢ়া মানুহ আহি সিহঁতৰ গাড়ীখন আগুচি ধৰিলে। অনেকে দেউতাক-মাকক মাত লগালেহি। বংশৰ সম্পৰ্কীয়া ভতিজাক বীৰেন আগৰে পৰাই ৰৈ আছিল। বীৰেন দৌৰী আহি সিহঁতৰ ওচৰ পালেহি।

আস্ত ব্যস্ত হৈ দেউতাকক সুধিলে,

ঃ ভালে ভালে পালেহিনে খুৰাদেউ?

ঃ পালোহি দে।

ঃ কিবা অসুবিধা হৈছিল নেকি ৰাস্তাত, বীৰেনে আকৌ সুধিলে।

ঃ নাই, একো নাই। দেউতাকৰ চমু উত্তৰ। তাৰ বমি কৰা! সেইটো আৰু কি



OKDISCD

অসুবিধা হ'ব পাৰে।

পাচনি আৰু ড্ৰাইভাৰজনক কিবা এটা ক'বলৈ দেউতাক আগবাঢ়ি গ'ল।

দিয়ক দিয়ক মোক দিয়ক, বীৰেন আগবাঢ়ি আহি মাকৰ কোলাত শুই থকা ভায়েকক তুলি ললে। আকৌ সেই একেই প্ৰশ্ন।

ঃ ভালে ভালে পালেহি নে?

ঃ পালোহি দিয়া কোনোমতে। মাকে তালৈ আঙুলিয়াই আকৌ ক'লে, মাজত সি মাত্ৰ গোটেই পাহাৰটো বমি কৰিলে, ই ভাইটিয়ে।

প্ৰায়সকলো ঘৰৰ ফাললৈ আগবাঢ়ি গ'ল। অলপ দূৰ গৈ আধাবাটৰ পৰা সি আকৌ উলটি আহি গাড়ীৰ ওচৰ পালেহি। ইতিমধ্যে গাঁৱৰ আন আন চুবুৰীৰ পৰাও অনেক লৰা-ছোৱালী আহি জীপন ঘেৰি লৈছেহি।

গোটেই জীপখনৰ আশে পাশে ঘূৰণীয়াকৈ লৰা-ছোৱালীবোৰ। দূৰে দূৰে দুই এজন ডাঙৰ মানুহ। সি বাট ফালি গাড়ীখনৰ ওচৰ পালেগৈ।

নুচুবা, নুচুবা, কোনেও নুচুবা, বেয়া হ'ব গাড়ী, কোনেও নুচুবা। তাৰ উপস্থিতিত লৰা-ছোৱালীৰ দলটো ঘূৰণীয়াকৈ অলপ পিছুৱাই গ'ল। মাজত গাড়ীখন। গাড়ীখনৰ কাষে কাষে এবাৰ পাক মাৰি সি আগৰ চিটত বহি ললে, কোনোৱে যাতে গাড়ীখন চুব নোৱাৰে।

গাড়ীখন বেৰি তাৰ সমান বয়সৰ, তাতোকৈ সৰু বা ডাঙৰ অনেক লৰা-ছোৱালী। বিশেষ একোকথা নোকোৱাকৈ, নিজ নিজ ভিতৰতে সৰু সৰু ফুচ্-ফুচনি আৰু আলোচনাৰে সকলোৰে জীপখনলৈ চাই আছে। বেছিভাগ কথা জীপখনৰ চকা, হুড়, ইঞ্জিন, ধোঁৱা, বা ট্ৰেইলাৰ সম্পৰ্কীয় সিহঁতৰ নিজ নিজ উৎসুক্য আৰু নিজৰেই বিভিন্ন উত্তৰ। অবিন্যস্ত, জৰাজীৰ্ণ অথবা অসংযত সাজ-পাৰ লৰা-ছোৱালীবোৰৰ মাজত জীপখন, জীপখনত বহি সি। ক'লা হাফপেন্টৰ ওপৰত চুট কৰা এটা ৰঙীন টি চাৰ্ট। এপাত ভৰিৰ জোতাৰ ফুটবৰ্ডত মাজে মাজে শব্দ কৰিছে আৰু আনখন ভৰি ভিতৰত।

চুলে, চুলে, চুলে- গাড়ীখন চুলে। পৰমাই গাড়ীখন চুলে, কোনোবা কেইটামানে একেলগে চিঞৰি উঠিলে।

সি একেজাপেই গাড়ীৰ পৰা নামি আন পিনে দৌৰি আহিল।

তাৰ প্ৰায় সমান বয়সৰে লৰা এটা গাড়ীখনৰ পিছপিনৰ টায়াৰ মাড্‌গাৰ্ডৰ ওপৰৰ মুকলি অংশ খিনিত এনেয়ে হাত এখন দি চাই আছে। সি আশা কৰিছিল তাক দেখাৰ লগে লগে লৰাটোৱে হাত খন এৰি দিব আৰু ঘেৰ কৰি থকা লৰা-ছোৱালীবোৰৰ লগত আকৌ মিলি পৰিব। কিন্তু নাই, লৰাজন, পৰমাই, গাড়ীখন চুয়েই থাকিল।



পৰমাক প্ৰথমে দেখি সি অলপ হতভম্ব হ'ল। একো নোহোৱাৰ দৰে পৰমাৰ এখন হাত তেতিয়াও লাগি আছে গাড়ীখনত আৰু আনখন হাতত ওলমি আছে পৰমাৰ নিজৰ আন এখন গাড়ী। মৰাঠাৰি , জুইশলাবাকচ, ভলুকা বাঁহৰ গাঁথি আৰু অন্যান্য সামগ্ৰীৰে নিৰ্মিত পৰমাৰ নিজা এখন গাড়ী।

সি অলপমান আগবাঢ়ি আহিল। পৰমাৰ ওচৰতে ৰ'লহি। পৰমা আৰু তাৰ চকুয়ে চকুৱে পৰিল।

পৰমাই এবাৰত জীপখনৰ তললৈ চালে আৰু হঠাৎ চিঞৰি উঠিল, ঐ নহয় বুজিছমোৰ জীপখনৰ সৈতে একেই। সকলোকে যেন চিঞৰি চিঞৰি পৰমাই ক'লে। মাত্ৰ সেই তলৰ ধোঁৱা ওলোৱা নলীডাল নাই, সেইডাল লগাব পাৰিলেই সকলোবিলাক একেই হৈ যাব।

সি কিবা এটা কোৱাৰ আগেয়ে পৰমাই তালৈ অকণো লক্ষ্য নকৰাকৈ তাৰ পৰা আতৰি গ'ল। আৰু তাত নৰলেই। লৰাবোৰে একেদৰেই আকৌ গাড়ীখন আৰু তাক চাই ৰ'ল। সি কি কৰিব নকৰিব ভাবি থাকোতেই বীৰেনে তাক ঘৰলৈ লৈ গ'লহি। সন্ধ্যা হৈ আহিছে, মুখ হাত ধুই কিবা এটা খাবলৈ লাগে।

পিছদিনা দুপৰীয়ামানে পাচনি, লীলাধৰ আৰু ড্ৰাইভাৰ সকোলবোৰ গলগৈ। গাৱত কি কি বোৰ নাথাকিব তাৰ তালিকাত সিহঁতৰ ঘৰলৈ প্ৰায়ে আহি থকা এই জীপখনৰ কথাও দেউতাকে বাৰে বাৰে কৈ আহিছিল। আবেলি মানলৈ সি যেন প্ৰথমবাৰৰ বাবে ভালদৰে বুজিব পাৰিলে সিহঁতৰ ঘৰলৈ দেউতাকৰ এই জীপখন কেতিয়াও আৰু নাহে। গাঁৱতে থাকি টাউনৰ অফিচ কৰিবৰ বাবে দেউতাকে এতিয়া ইয়াৰ অফিচৰ গাড়ীও গাঁৱলৈ আনিব নোৱাৰিব।

বাৰান্দাখনৰ কাঠৰ খুটা এটাত আউজি সি অলপ পৰ ৰ'ল। জীপগাড়ীখনৰ কালি আৰু আজিৰ অহা-যোৱা, পিচলৈ নিয়া, ঘুৰোৱা, ট্ৰেইলাৰখন ফিট্ কৰা আদিৰে গোটেই চোতালখনতে কৰা টায়াৰৰ সৰু বৰ দাগবোৰ এতিয়াও মাৰ যোৱা নাই। ডাগবোৰলৈ সি অলপ সময় চাই থাকিল। তেনে এটা দাগৰ ওপৰেদি খোজ কাঢ়ি আহি আহি সি ঘৰৰ পদুলিমুখ পালেহি। আৰু ৰাস্তাটোৰেদি শিলগুটি আৰু বালিৰ মাজেৰে যি আনুমানিক দাগ বছৰাই জীপখন আগবেলাতে যোৰহাটলৈ বুলি আকৌ উলটি গল তালৈকে অলপ সময় তলমূৰকৈ চাই আন এবাৰত ৰাস্তাটোৰে বহুদূৰলৈ চাই পঠালে, চাৰি আলি পাৰহৈ যিমান দূৰলৈকে সি চাব পাৰে।

থিক সেই সময়তে সোনাৰমৰ ঘৰৰ পিনৰ পৰা দৌৰী আহি থকা পৰমা তাৰ সন্মুখতে পৰিলহি। পৰমাৰ হাতত এডাল দীঘল ৰচি আৰু ৰচিডালৰ আন মূৰত পৰমাৰ নিজৰ জীপগাড়ীখন, শিলগুটি আৰু ধুলি-বালিৰ মাজেৰে ঢলং-পলং, একাবেঁকাকৈ আহি আছে। তাৰ সন্মুখতে পৰমা ৰ'ল। খাকী এটা হাফপেন্ট আৰু হাত দীঘল কোৱা গেঞ্জীৰ



OKDISCD

দুই এটা ফাটৰ মাজেৰে পৰমাৰ মিঠাবৰনীয়া গাটো অ'ত ত'ত ওলাই আছে।

ঃ কি নাম তোমাৰ?

ঃ পৰমা।

ঃ তোৰ?

ঃ ভাইটি।

ঃ কোন ক্লাচত পঢ়া?

ঃ ক্লাচ ফাইভত, তই?

ঃ এক শ্ৰেণী তলত।

দুয়োটা অলপ সময় ৰ'ল। পৰমা আকৌ লৰ মৰাদি যাবলৈ ওলাল।

ঃ এইখন কাৰ গাড়ী?

ঃ যাৰ হাতত আছে।

ঃ মানে তোমাৰ।

সি এবাৰত বহি হাউলি পৰমাৰ গাড়ীখন চুই চাব খুজিলে। পৰমাই ঘপকৈ দৌৰ মাৰি গাড়ীখন টানি লৈ গুচি গ'ল। চিঞৰি চিঞৰি কৈ গ'ল "কালি তহঁতৰ গাড়ী চুব দিছিলি, এতিয়া মোৰ গাড়ীও তই চুব নোৱাৰ।" এটা সময়ত আন এটা পদুলিৰে পৰমা অদৃশ্য হৈ গ'ল।

মাকক লাহে লাহে প্ৰায় মনে মনে সি সুধিলে, এই পৰমা বোলাতো ক'ৰ লৰা? আমাৰ এই চুবুৰীটোৰেই, তই মন কৰা নাইনে, মধু বৰদেউতাহঁতৰ ঘৰৰ লৰা, বৰ ভাল লৰা বোলে। তই বন্ধু হৈছ নেকি? নিৰুদ্বেগ মাকে কৈ গ'ল।

পৰমাই একো উত্তৰ নিদিলে। দুদিনমানৰ পিছত সি আকৌ আহি মাকৰ ওচৰত বহিলহি। আকৌ প্ৰায় মনে মনে আৰু লাহে লাহে মাকক যেন সুধিব খুজিলে, পৰমাই তাক বাৰু এখন গাড়ী বনাই দিবনে! অলপ সময় মাকৰ কাষতে এনেয়ে বহি থাকি একো এটা নোকোৱাকৈয়ে সি উঠি গ'ল।

পৰমাহঁতৰ ঘৰ সি চিনি পাইছে। সিহঁতৰ ঘৰৰ পৰা তিনিখন চোতাল পাৰ হৈ মধু বৰ দেউতাকহঁতৰ চোতাল। চোতালপ ৰদত মেলি ৰখা ওখোৱা ধানবোৰৰ মাজে মাজে কৰি ৰখা ঠেক বাটবোৰেদি কেতিয়াবা পোনে পোনেই পৰমাহঁতৰ চোতাল ওলাবগৈ পাৰি। সি দুদিনমান দুয়োকাষৰ ধানত ভৰি নলগোৱাকৈ অকলে অকলে ইখন চোতালৰ পৰা সিখন চোতাললৈ খোজকঢ়াৰ খেল খেলিছে; খেলি খেলি সি পৰমাহঁতৰ চোতালো পাইছেগৈ। বৰমাকে মিঠৈ বা নাৰিকলৰ লাড়ু এটাও খাবলৈ দিছে। কেতিয়াবা খাইছে বা কেতিয়াবা খোৱা নাই। কিন্তু সি পৰমাক কব লগা কথাটো এতিয়াও কব



পৰা নাই।

পৰমাহঁতৰ ঘৰৰ চোতালত কোনোয়েই নাছিল। ঘৰৰ আন মানুহবোৰ বোধহয় হাট বা পথাৰলৈ গৈছে। চুচুক- চামাক কৈ সি প্ৰথমে চোতাল্‌তে ৰ'ল। কাৰোবাক মাত দিম বুলি ভাবিও সি একো মাতবোল কৰা নাই। দুৱাৰ দলিত ভৰি দি দুইখন হাতেৰে দুৱাৰখনত ধৰি সি আৰু অলপ সময় ৰ'ল। নাই, কোনোৱেইচোন নাই। এই ৰাতিপুৱাতে মানুহবোৰ ক'লৈ গ'ল।

সি আৰু অলপ আগবাঢ়ি ঘৰৰ আনটো কোঠা পালেগৈ। ক'ৰবাত দা-কটাৰীৰে কিবা কাটি থকাৰ একোটা মৃদু শব্দ সি শুনিবলৈ পালে। সি আৰু আগবাঢ়ি গ'ল। ৰান্ধনি ঘৰটোৰ কাষৰ ভাতখোৱা মজিয়াৰ ওপৰেৰে সি আহি পিছপিনৰ দুৱাৰখনত হাত দিলেহি।

পিছচোতালত পৰমাই মৰাঠাৰি বাঁহৰ গাঠি আদি গোটাই কিবা কাটি আছে। তাৰ পিনে পিঠি দি একান্ত ভাবে অতি মনোযোগে পৰমাই তাৰ নিজৰ কাম কৰি আছে।

কঁকালত এবোজা বাঁহৰ জেং আৰু শুকান ঢকুৰা কোঁচা মাৰি লৈ বৰমাক পিছপিনৰ বাৰীৰ পৰা আহি কুঁৱাটোৰ পাৰ পাইছেহি। তাক তেতিয়ালৈকে কোনেও দেখা পোৱা নাই।

সিজোৰা ধানৰ কেৰাহিটোৰ কাষতে খৰিৰ বোজাটো থৈ বৰমাকে অলপ টানকৈয়ে সুধিলে।

ঃ কি এইবোৰ কটাকটি কৰি আছ, অথনিৰেপৰা?

ঃ গাড়ী এখন বনাই আছোঁ।

কামৰ পৰা মূৰ নোতোলাকৈয়ে পৰমাই ক'লে।

ঃ গাড়ী? তোৰচোন এখন আছেই!

ঃ মোৰ কাৰণে নহয় অ'।

অলপ সময় ৰৈ পৰমাই আকৌ ক'লে, সেই যে জেঠিহঁতৰ ভাইটি, তাৰ কাৰণে।

---



OKDISCD

বিবিধা

# দূৰদৰ্শন বনাম কিতাপ

শ্ৰী দিপক বৰা

মানৱ সমাজলৈ বিজ্ঞানৰ অৱদান অনন্য। মানৱ সমাজ-ব্যৱস্থাৰ উত্তৰণত, মানুহৰ জীৱন যাত্ৰাৰ উন্নয়নত, জ্ঞান, বিদ্যা-বুদ্ধিৰ বিস্তাৰত বিজ্ঞানৰ ভূমিকা উল্লেখযোগ্য। মানৱ সমাজলৈ কুৰি শতিকাৰ বিজ্ঞানৰ এটি  অন্যতম অৱদান হ'ল টেলিভিছন বা দূৰদৰ্শন। বৰ্তমান সমাজ-ব্যৱস্থাত দূৰদৰ্শনৰ যে এটি ইতিবাচক কল্যাণকামী ভূমিকা আছে সেইটো সত্য। কিন্তু তাৰ লগে লগে আমি দূৰদৰ্শনৰ নেতিবাচক ভূমিকাৰ বিষয়েও সচেতন হ'ব লাগিব। আচলতে, বিজ্ঞানৰ সকলো অৱদান অমৃতেই, ইয়াৰ ভুল প্ৰয়োগ, ভুল ব্যৱহাৰৰ বাবেহে এই বিলাক  গৰলত পৰিণত হয়। দূৰদৰ্শনো ইয়াৰ ব্যতিক্ৰম নহয়। আজি দূৰদৰ্শনৰৰ ইতিবাচক প্ৰভাৱতকৈ নেতিবাচক প্ৰভাৱে বিষবৃক্ষৰ ভূমিকা গ্ৰহণ কৰিছে তাক অস্বীকাৰ কৰিব নোৱাৰি। আজি আমাৰ সমাজত দূৰদৰ্শনৰ নেতিবাচক প্ৰভাৱ বিভিন্ন ক্ষেত্ৰত পৰিলক্ষিত হোৱাৰ লগতে কিতাপৰ জগত খনতো ইয়াৰ বিৰূপ প্ৰভাৱ পৰিছে। বিভিন্ন ইলেকট্ৰনিক মাধ্যমৰ ভিতৰত দূৰদৰ্শনেই কিতাপৰ জগত খনত আটাইতকৈ বেছি কু-প্ৰভাৱ পেলাইছে।

কোনো কোনো লোকে কয়-'দূৰদৰ্শন কিতাপৰ শত্ৰু নহয়'। সঁচা কথা। প্ৰকৃত জ্ঞানাৰ্জনত এই দুয়োটাৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু, সেই বুলিয়েই দূৰদৰ্শন কিতাপৰ বিকল্প হ'ব পাৰে নেকি? নোৱাৰে। দূৰদৰ্শনক আমি কিতাপৰ বিকল্প হিচাপে ললে নহ'ব। এটা কথা ঠিক, কোনো এখন কিতাপৰ কাহিনীভাগ দূৰদৰ্শনত চায় জানিব পাঁৰো। কিন্তু সিয়েই আমাৰ বাবে যথেষ্ট নহয়। কিয়নো, দূৰদৰ্শনত চাই আমি কিতাপখনৰ কাহিনীটোহে জানিব পাৰিম, লেখকজনৰ সৃষ্টিৰ মাজত লুকাই থকা জীৱন সৌৰভখিনি উপলব্ধি কৰিব নোৱাৰিম। সেয়েহে, আমাৰ বাবে কিতাপখন পঢ়াটো প্ৰয়োজনীয় হৈ পৰে। আকৌ,"কিতাপৰ অধ্যয়নেহে  পাঠক আৰু লেখকৰ মাজত সু-সম্বন্ধ গঢ়ি তুলিব পাৰে।" গতিকে, কিতাপ পঢ়িবই লাগিব।

বাস্তৱত দেখা গৈছে আমাৰ সমাজত মানুহৰ কিতাপ পঢ়াৰ অভ্যাস ক্ৰমাৎ হ্ৰাস পাই আহিছে। মানুহৰ কিতাপ পঢ়াৰ অভ্যাস হ্ৰাস পোৱাত অৰিহণা যোগোৱা কাৰক বিলাকৰ ভিতৰত অন্যতম হ'ল দূৰদৰ্শনৰ প্ৰভাৱ। দূৰদৰ্শনে মানুহৰ মাজত গ্ৰন্থপ্ৰীতি কমাই অনাৰ লগতে ই কিতাপ জগতখনৰো অশেষ ক্ষতিসাধন কৰিছে। দূৰদৰ্শনে আজি মানুহক কিতাপ পঢ়াৰ বিমল আনন্দৰ পৰা বঞ্চিত কৰিছে। বৰ্তমান দূৰদৰ্শনৰ



জনপ্ৰিয়তালৈ চাই অনুমান হয় যে দ্ৰুত গতিত বাঢ়ি অহা টি ভি প্ৰেমীৰ সংখ্যাই গ্ৰন্থপ্ৰেমীৰ অস্তিত্বকে এদিন নিঃশেষ কৰি পেলাব।

আজৰি সময় কটোৱাৰ এক সৰ্বোত্তম উপায় হ'ল কিতাপ পঢ়া। কিন্তু, আজি আমাৰ সমাজত মানুহে আজৰি সময় কিতাপ পঢ়ি কটাবলৈ ভাল নাপায়। কিতাপ পঢ়াতকৈ আজৰি সময় কটোৱাৰ নামত ঘন্টাৰ পিছত ঘন্টা ধৰি টিভিৰ সন্মুখত বহি থকাটোৱেই এওঁলোকৰ বাবে পৰম আনন্দৰ কথা। আনকি আজৰি পৰত কিতাপ এখন মোকোলাই লোৱাৰ অভ্যাস থকা লোকজনেও আজি আজৰি সময়কণ টিভিৰ সন্মুখত পাৰ কৰিবলৈহে ভাল পোৱা হৈছে। এইদৰে আজি টিভিয়ে মানুহক কিতাপৰ পৰা আঁতৰাই আনিছে। টিভিয়ে মানুহৰ সকলো ৰুচি আৰু চাহিদা পূৰণ কৰিবলৈ বিচাৰি সামাজিক সত্বাকে  সংকুচিত কৰি তুলিছে। অনাগত দিন বিলাকত টিভিয়ে আৰু ব্যাপকভাৱে জনজীৱনৰ মাজত সোমাই পৰি সামাজিক জীৱনৰ পৰিবৰ্তনৰ লগতে গ্ৰন্থপ্ৰেমী আৰু গ্ৰন্থৰ জগতখনলৈয়ো এক বিৰাট পৰিবৰ্তন আনিব সি নিশ্চিত।

দূৰদৰ্শনৰ প্ৰভাৱত যে মানুহৰ গ্ৰন্থপ্ৰীতি ইমান কমি গ'ল তাক ভাবিলে আচৰিত নহৈ নোৱাৰি। ল'ৰা-ডেকা-বুঢ়া সকলোৱে আজি কিতাপতকৈ দূৰদৰ্শনকহে বেছি ভাল পায়। এজন লেখকে লিখিছিলঃ "এসময়ত সন্ধিয়া হ'লেই কীৰ্তন বা নামঘোষাখন মেলি লৈ ঈশ্বৰৰ নাম গাই ভক্তি জনোৱা গাঁৱৰ বুঢ়াজনো আজিকালি সন্ধিয়া হ'লেই টিভিৰ সন্মুখত। নিজৰ ঘৰত নাথাকিলেও আনৰ ঘৰত গৈ হ'লেও নয়ন সাৰ্থক কৰেগৈ।" এৰা, নয়ন সাৰ্থকহে! এইদৰে টিভিৰ সন্মুখত সময় কটোৱাৰ পৰা আমাৰ নয়ন সাৰ্থক হোৱাৰ বাদে অন্য কিবা উপকাৰ হৈছেনে? যি কিতাপৰ পৰা মানুহে জীৱনৰ সঞ্জীৱনী সুধা পান কৰিব পাৰে তেনে কিতাপলৈ পিঠি দি দূৰদৰ্শন নামৰ "Idiot Box"টোৰ সন্মুখত ঘন্টাৰ পিছত ঘন্টা কটোৱাটো আমাৰ নৈতিক অধঃপতন নহয়নে?

ছাত্ৰাৱস্থাই হ'ল কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ উপযুক্ত সময়। এই কালছোৱাতে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিব পাৰিলে সেই অভ্যাস গোটেই জীৱন ধৰি থাকি যায়। আমাৰ ভাষাত শিশু, ছাত্ৰ-ছাত্ৰীৰ উপযোগী নানান আলোচনী, গ্ৰন্থ আদি আছে। এইবোৰৰ নিয়মীয়া অধ্যয়নে তেওঁলোকৰ কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাত যথেষ্ট সহায় কৰে। কিন্তু আমি আজি দেখিছো, শিশুসকল এই বিলাকতকৈ দূৰেদৰ্শনৰ প্ৰতিহে বেছি আকৰ্ষিত। তেওঁলোকৰ আকৰ্ষণৰ বস্তু মাত্ৰ দূৰদৰ্শনৰ বিচিত্ৰা (?) অনুষ্ঠানসমূহহে। আনকি পৰীক্ষাৰ আগৰ সময়ছোৱাৰ বাদে তেওঁলোকে বছৰৰ আন সময় বিলাকত পাঠ্যপুথি কেইখনো মেলি চাবলৈ অনীহা দেখুৱায়। অকমাত্ৰ মনোৰঞ্জনৰ উপায় দূৰদৰ্শনৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল আকৰ্ষিত হৈ তেওঁলোকৰ অমূল্য সময়বোৰ পাৰ কৰিলে তেওঁলোকৰ জীৱনছোন কিতাপ পঢ়াৰ অভ্যাসেই গঢ় লৈ নুঠিব। কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলি কিতাপক বন্ধুৰূপে ল'ব নোৱাৰিলে জীৱনৰ বিষয়ে



OKDISCD

বহুতো কথাই শিকা নহ'ব, জগতখনৰ এক বিশাল অংশই অপৰিচিত হৈ ৰ'ব।

দূৰদৰ্শনৰ প্ৰভাৱত হে মানুহৰ গ্ৰন্থপ্ৰীতি কমিছে এই বিষয়ে আজি কাৰো দ্বিমত নাই। কিন্তু, দূৰদৰ্শনে মানুহৰ গ্ৰন্থ প্ৰীতি কমোৱাৰ কথা আমি উপলব্ধি কৰিম অথচ তাৰ প্ৰতিকাৰৰ কথা চিন্তা নকৰি আমি বহি থাকিম সেয়ে হ'ব নেকি? দূৰদৰ্শনৰ কু-প্ৰভাৱৰ কথা চিন্তা কৰি ইয়াৰ প্ৰতিকাৰ কৰাৰ সময় আহি পৰিছে। প্ৰত্যেক জন সমাজ সচেনত ব্যক্তিৰে কিছুমান দায়িত্ব আহি পৰিছে। নতুন প্ৰজন্মটোক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰিবলৈ তেওঁলোকক গ্ৰন্থৰ পৰা পাব পৰা বিমল আনন্দৰ কথা বুজাই দিব লাগিব। দূৰদৰ্শনে যে আমাক একো দিব পৰা নাই এই ধাৰণা নতুন প্ৰজন্মটোৰ মনত জন্মাব পাৰিব লাগিব। আজি সকলোৱে দূৰদৰ্শনৰ পৰা হ'ব পৰা অপকাৰৰ বিষয়ে সচেতন হ'বৰ হ'ল। বিদেশৰ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা এজন অসমীয়া অধ্যাপকে অসমলৈ আহি অসমত দূৰদৰ্শনৰ প্ৰয়োভৱ দেখি মাকক কৈছিলঃ " অসমৰ ঘৰে ঘৰে টেলিভিচন সোমাইছে যেতিয়া দেশৰ ভৱিষ্যৎ বৰ বেয়া"। ('নতুন দৈনিক', ৯ অক্টোবৰ, ১৯৯৪)। বিদেশৰ পৰা আহিয়েই তেখেতে যেতিয়া দূৰদৰ্শনৰ পৰা হ'ব পৰা কুফলৰ কথা উপলব্ধি কৰিব পাৰিছে, আমি সচেতন হোৱাৰ সময় সাৰিয়ে গৈছে। ■



দলিল

# অসমৰ ৰজা পুৰন্দৰ সিংহৰ সৈতে ইংৰাজে কৰা সন্ধি ।।১৮৩৩।।

অনুবাদ ঃ ভৱকান্ত দত্ত

সবত্র সামাজ্ৰবাদৰ স্বৰূপ একে। সেই চৰিত্ৰই হ'ল চলে বলে কৌশলে সামাজ্ৰচিন্তাৰ কৰা। অধিকৃত জনগনৰ স্বাৰ্থৰক্ষা দখলকাৰীৰ বাবে গৌন বিষয়। এই শিতানত আমি আৰম্ভ কৰিবলৈ লৈছো কি দৰে বৃটিছ সামাজ্ৰবাদে আমাৰ দুখীয়া জনগনৰ আকাশৰ স্বাধীন ৰবি অস্ত যোৱাই বৃটিছৰ প্ৰাচীন সূৰ্য উদ্ভাসিলে ।

-- সম্পাদক

।। ১ম অনুচ্ছেদ।।

ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰে ধনশিৰি নদীৰ পূবলৈ আৰু উত্তৰ পাৰে বিশ্বনাথৰ ঠিক পূবফালে এটি নদীৰ পূৱলৈ অসমৰ এই ৰাজ্যখণ্ড কোম্পানীয়ে ৰজা পুৰন্দৰ সিংহক সমৰ্পন কৰে।

।। ২য় অনুচ্ছেদ।।

ৰজা পুৰন্দৰ সিংহই মহামান্য কোম্পানীক বছৰি ৫০,০০০ টকা (ৰাজা মহৰী মুদ্ৰা) দিবলৈ প্ৰকাশ কৰে।

।। ৩য় অনুচ্ছেদ।।

এতিয়া ৰজা পুৰন্দৰ সিংহক দিয়া ৰাজ্যখণ্ডৰ ন্যায় বিচাৰৰ ক্ষেত্ৰত পূৰ্বৰ দস্তৰ মতে কা আৰু নাক কৰ্চা, চকু কঢ়া অঙ্গক্ষত কৰা বা অন্য ধৰণৰে অত্যাচাৰ নকৰিবলৈ আৰু লঘু দোষতে গুৰু তথা নিষ্ঠুৰ শাস্তি নিদিবলৈ, মহামান্য কোম্পানীৰ ৰাজ্যত প্ৰচলিত ন্যায় বিচাৰৰ আৰ্হি, তেওঁৰ নিজৰ ৰাজ্যত প্ৰবৰ্তন কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ উপৰি তেওঁ সতীৰ আত্মদাহ প্ৰথাৰ সন্মতি নিদিব বুলি আশ্বাস দিছে।

।। ৪ৰ্থ অনুচ্ছেদ।।

ৰজা পুৰন্দৰ সিংহই তেওঁৰ দেশৰ মাজেৰে কোম্পানীৰ সেনা বাহিনী গ'লে খৰচ লৈ ৰচদ-পাতি আৰু পৰিবহনৰ যোগান ধৰি সাহায্য কৰিবলৈ গাত লয়।



OKDISCD

।। ৫ম অনুচ্ছেদ।।

যোৰহাটতেই হওক কিম্বা অন্যঠাইতেই হওক যতেই নহওক কিয় বৃটিছ চৰকাৰৰ সেনা বাহিনীৰ বাবে এটি স্থায়ী চাউনী পতাৰ বাবে ঠাইৰ প্ৰয়োজন হ'লে ৰজাই এইদৰে সন্মতি প্ৰকাশ কৰে যে তেনেদৰে চাউনী পাতিবলৈ দিয়া ঠাই ডোখৰৰ ভিতৰত তেওঁ কোনো ধৰণৰ কৰ্তৃত্ব নখটুৱাব, তেনেকুৱা চাউনীৰ সৈতে জড়িত সকলো কথা বৃটিছ চৰকাৰেহে সমাধান কৰিব।

।। ৬ষ্ঠ অনুচ্ছেদ।।

যদি শদিয়া বা অন্য কোনো ঠাইত সেনা বাহিনীৰ চাউনী এটি পতা হয়, তেনেহ'লে ৰজা পুৰন্দৰ সিংহই সেই সেনা বাহিনীয়ে বিচৰা ৰচদ পাতি আৰু পৰিবহনৰ বাবে সকলো ধৰণৰ সাহায্য দিবলৈ গাত লয়।

।। ৭ম অনুচ্ছেদ।।

ৰজা পুৰন্দৰ সিংহই তেওঁক দিয়া ৰাজ্য খণ্ডৰ শাসন কাৰ্য পৰিচালনা কৰাৰ ক্ষেত্ৰত সকলো সময়তে উজনি অসমত নিয়োগ কৰিবলগীয়া ৰাজনৈতিক অভিকৰ্তা অথবা গৰ্ভনৰ জেনেৰেলৰ অভিকৰ্তাজনৰ পৰামৰ্শ মানি চলিবলৈ গাত লয়।

।। ৮ম অনুচ্ছেদ।।

ৰজাই কোনো বিদেশী ৰাষ্ট্ৰৰ শাসন কৰ্তাৰ সৈতে চিঠি পত্ৰৰে বা অন্য কোনোধৰণে যোগাযোগ নকৰিবলৈ, অথবা কোনো সংবিদা বা অনুবন্ধনত নোসোমাবলৈ সন্মতি প্ৰকাশ কৰে। সকলো দৰকাৰী সময়তে তেওঁ ৰাজনৈতিক অভিকৰ্তা বা গৰ্ভনৰ জেনেৰলেৰ অভিকৰ্তাজনৰ সৈতে আলোচনা কৰিব। অভিকৰ্তাজনৰ যোগেদি প্ৰয়োজনীয় জ্ঞাপন আদি পঠিয়াব।

।। ৯ম অনুচ্ছেদ।।

গৰ্ভনৰ জেনেৰেলৰ অভিকৰ্তাজনে নতুবা ব্যক্তিগত সহকাৰীজনে দাবী কৰিলে বৃটিছ ৰাজ্যৰ ন্যায় বিচাৰৰ পৰা পলাই গৈ তেওঁৰ ৰাজ্যত, আশ্ৰয় লৈ থকা কোনো ব্যক্তিক চমজাই দিবলৈ ৰজা পুৰন্দৰ সিংহই গাত লয়। আৰু তেওঁৰ ৰাজ্যৰ পৰা পলাই গৈ মহামান্য কোম্পানীৰ ৰাজ্য বা অন্য ৰাজ্যত আশ্ৰয় লৈ থাকিলে তেনে ব্যক্তিক ধৰি দিবলৈ ৰজাই উপৰিভুক্ত (কোম্পানীৰ) বিষয়াসকৰ ওচৰত সদায়েই আবেদন কৰিব পাৰিব।

।। ১০ম অনুচ্ছেদ।।

এইটো স্পষ্টকৈ বুজা গ'ল যে এই সন্ধিয়ে ৰজা পুৰন্দৰ সিংহক বৰসেনাপতিৰ অধীন মোৱামৰীয়া ৰাজ্যৰ ওপৰত কোনো কৃতিত্ব দিয়া নাই।



।। ১১ম অনুচ্ছেদ।।

অসমত উৎপাদিত কানি ইয়াৰ অধিবাসীসকলৰ অনেক দুখ কষ্টৰ কাৰণ হিচাপে অপযশ অনাত ৰজাই এইটো গাত লৈছে যে মহামান্য কোম্পানীৰ ৰাজ্যত এই অনিষ্টৰ কাৰণ চন্তালিবলৈ যি কোনো কাম্যব্যৱস্থাৰ অনুৰূপ নীতি তেওঁক দিয়া ৰাজ্যতো প্ৰয়োগ কৰিব।

এই সন্ধিৰ চৰ্তাৱলীৰ প্ৰতি ৰজা বিশ্বাস ভাজন হৈ থকালৈ বৃটিছ চৰকাৰে তেওঁক যি কোনো বিদেশী শক্তিৰ আক্ৰমণৰ পৰা ৰক্ষণাবেক্ষণ দিবলৈ দায়িত্ব লয়। কিন্তু ভগবানে নকৰক, তাৰ অন্যথা হ'লে অৰ্থাৎ তেওঁ সন্ধিৰ চৰ্তাৱলী পালনৰ পৰা বিচ্যুত হ'লে আৰু নতুবা তেওঁৰ দায়িত্বত এৰি দিয়া তেওঁৰ দেশৰ জনসাধাৰণৰ ওপৰত নিৰ্য্যাতন চলোৱাৰ দোষত অপৰাধী হ'লে দেশখন কাঢ়ি আনি অন্য এজনক দিয়াৰ আৰু কোম্পানীৰ পোনপটীয়া অধিকাৰলৈ অনাৰ স্বত্ব মহামান্য কোম্পানীৰ চৰকাৰৰ হাতত ন্যস্ত থাকিব।

অং ২য় মাৰ্চ ১৮৩৩ অথবা
২০ ফাগুণ ১২৩৯ চন
স্বা/ টি. চি. ৰবাৰ্টচন
এ.১০৯৯
(মূলৰ পৰা অনুদিত)

<u>বৰসেনাপতি অঙ্গীকাৰ পত্ৰ ।।১৮২৬।।</u>

মিঃ স্কটৰ উপস্থিতিত বৰ সেনাপতিয়ে নিম্নৰূপ অঙ্গীকাৰ পত্ৰৰ প্ৰতি তেওঁৰ সমৰ্থন দিয়ে-

মই মটকসকলৰ মতি বৰ সেনাপতিয়ে নিম্নৰূপ প্ৰকাশ কৰোঁ যে মোৰ তলতীয়া ফুকন, বৰুৱা, ব্ৰাহ্মণ আৰু অন্যান্যসকলৰ তলত থকা গোট পাইকৰ মুঠ সংখ্যা হ'ল ১৬০ জন আৰু মোৰ হ'ল ২৬০ জন, ইয়াৰ ৪২ জন মোৰ নিজা লিকচৌ আৰু ১১ জন হ'ল হাজৰি খোৱা অৰ্থাৎ হাজৰিকাৰ অধীন।

৫ জন শইকীয়াৰ
১৫ ,, বৰ শইকীয়াৰ
৪২ ,, চাউল যোগনিয়াৰ (ৰাজ চমুৱা)
৫ ,, নেওগৰ
মুঠ ১২০ জন

এই খিনি বাদ দিয়াৰ পিছত থাকিল ৩০০ জন গোট পাইক। ইয়াৰে ১৫০ জন কাড়ী পাইক আৰু ১৫০ জন কামলা। এই সকল পাইকক মই দেশৰ মূল, দেৱাল,



OKDISCD

ডেৱান আদি চৰকাৰক যোগান ধৰিম, লগতে প্ৰকৃত দামলৈ চৰকাৰে বিচৰা মতে ৰচদ পাতিবো যোগান ধৰিব।

ইয়াৰ লোকসকলৰ ওপৰত মই মোৰ আইন সংগত অধিকাৰ খটুৱাম, অনুসন্ধান আৰু বিচাৰ কৰিম। হত্যাকাণ্ড, ডকাইতি আৰু গুৰুতৰ জখম আৰু ৫০ টকা মূল্যতকৈ অধিক পৰিমাণৰ চুৰিৰ বিচাৰ হ'লে, তেনে ক্ষেত্ৰত্ তদন্তৰ ব্যৱস্থা কৰি সেই সম্পৰ্কীয় কাগজ পত্ৰ আৰু জড়িত লোক সকলক চৰকাৰৰ বিষয়াৰ ওচৰলৈ পঠিয়াম আৰু সেই সম্পৰ্কে দিয়া যি কোনো আদেশ পালন কৰিম। দ্বিতীয় এখন নকৰালৈ এই প্ৰতিজ্ঞা পত্ৰ কাৰ্যকৰী হৈ থাকিব।

**বৰসেনাপতিৰ চনদ**

**গৱৰ্ণৰ জেনেৰেলৰ অভিকৰ্তা ইত্যাদিৰ পৰা মতি বৰ সেনাপতিলৈ,**

আপোনাৰ প্ৰতি এই আদেশ যে আপোনাৰ আৰু আপোনাৰ বিষয়া সকলৰ কাম কাজৰ বাবে প্ৰয়োজনীয় পাইকখিনি ৰখাৰ পিছত ৩০০ জন পাইক চৰকাৰৰ বাবে ৰাখিব। কিন্তু ইয়াৰো ২০ জন পাইকক মই আপোনাৰ ব্যক্তিগত তথা আপোনাৰ ল'ৰা-ছোৱালীৰ আৰু অন্যান্য সকলৰ কাম কাজৰ বাবে দিলোঁ আৰু বাকী ২৮০ জন পাইকক সদায়ে চৰকাৰক দিবলৈ সষ্টম কৰি ৰাখিব।

১৩ মে'১৮২৬ স্বাঃ বৰসেনাপতি

সাক্ষীঃ জিতুজয় দুৱলীয় গদাধৰ স্বাঃ মিঃ স্কট

মতি বৰ সেনাপতিৰ সৈতে কৰা চুক্তি ।। ১৮৩৫।।

মই চৈখোৱা গাঁৱৰ পেৰত মোৰ দাবী প্ৰত্যাহাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছোঁ। ই শদিয়া খোৱা গোহাঁই আৰু মোৰ মাজত বিবাদৰ কাৰণ হৈ আছে। লগতে মই এইটোও ইচ্ছা প্ৰকাশ কৰিছোঁ যে তলত দিয়া ধৰণে মোৰ ৰাজ্যৰ সীমাৰেখা স্বীকৃতি হয়- উত্তৰে ব্ৰহ্মপুত্ৰ আৰু পশ্চিমে ব্ৰহ্মদেশ। দক্ষিণে দিহিং নদীয়ে মোৰ ৰাজ্যক ৰজা পুৰন্দৰ সিংহৰ ৰাজ্যৰ পৰা পৃথক কৰিব আৰু পূৱে দিব্ৰুনদী আৰু দৌগুৰি জুৰিয়ে, যিটো দিব্ৰু নদীত পৰিছে, সীমাৰূপে থাকিব। দৌ গুৰি জুৰিৰ উৎপত্তি স্থলৰ পৰা এডাল ৰেখা টানি তাক বুঢ়ী দিহিং নদীৰ সৈতে সংলগ্ন কৰা হ'ব। সেইটো কৰিবলৈ লেফটেন্টেন কাৰ্লচনে এজন লোক পঠিয়াব পাৰে আৰু ময়ো এজন পঠিয়াম।

চোলজুৰি আৰু গৰুজুৰিৰ পিছৰটো দৌ গুৰি জুৰিত পৰিছে। মাজত থকা ভূ-খণ্ড মোৰ অধিকাৰৰ ভিতৰত বুলি গণ্য কৰা হ'ব আৰু ওপৰত উল্লেখ কৰা লোক দুজনে সেইখিনিক স্পষ্ট কৰি চিহ্নিত কৰি এডাল সীমাৰেখা নিৰ্দ্ধাৰণ কিৰব পাৰিব। এই বিলাকে হ'ল মোৰ ৰাজ্যৰ অধিকাৰত থকা ৰাজ্যখণ্ডৰ সীমাৰেখা আৰু ইয়াৰ লগত



বৃটিছ চৰকাৰ আৰু মোৰ মাজত অমীমাংসিত হৈ থকা টকা-পইচাব লেন-দেনৰ কোনো সম্পৰ্ক নহ'ব।

।।২য় অনুচ্ছেদ।।

মই অসম চৰকাৰৰ সৈতে চুক্তিবদ্ধ হোৱাৰ দৰে বৃটিছ চৰকাৰৰ ৰাষ্ট্ৰীয় খৰচৰ বাবে বৃটিছ চৰকাৰে দাবী কৰা মতে পাঁচ বছৰীয়াকৈ বৰ্দ্ধিত হাৰত নতুবা ১০,০০০ টকাৰ কৰ দিবলৈ সম্মত হ'ব নোৱাৰো। কিন্তু যদি বৃটিছ চৰকাৰৰ মই ভৱিষ্যতে ৩০০ কাড়ী পাইকৰ প্ৰতি পাইকৰ বাবে জনমূৰি ৬ টকাকৈ তাৰ বাবদ ১৮০০ টকা হয়গৈ, যোগান ধৰিব নালাগে, মই বৃটিছ চৰকাৰক এই কাড়ী পাইকৰ প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰখিনি প্ৰয়োজন হ'লে যোগান ধৰিব পাঁৰো। ঠিক সেইদৰে কেপ্তেইন নিউবিল ১৮২৯ চনত উজনি অসমৰ দায়িত্বত থাকোতে তাৰপৰা পলাই অহা পাইকৰ বিনিময়ত তেওঁক বছৰি দিবলৈ চুক্তিবদ্ধ হোৱা মুঠ ৫৫১ টকা দিবলৈ সম্মতি দিব পাৰো। লগতে বিগত দুবছৰত ৰজা পুৰন্দৰৰ ৰাজ্যৰ পৰা পলাই অহা পাইকসকলৰ হিচাপ ল'ম আৰু যদি সেই বিষয়ত সন্দেহ থাকে যে পলাতকসকলৰ ভুল হিচাপ দিয়াৰ সম্ভাৱনা আছে, তেনে হ'লে সেই ক্ষেত্ৰত বৃটিছ চৰকাৰে নতুনকৈ জৰীপ কৰিবলৈ এজন বিষয়াক মনোনীত কৰিব পাৰে।

স্বাঃ মতি বৰ সেনাপতি

সাক্ষীসকলঃ-
সৰু গোহাঁই, খামতি, শদিয়া
নুধময় জামাদাৰ, মৰং, গোলাপ সিং জামাদাৰ, বিশ্বনাথ,
গোপী শৰ্মা, দোলা শোভা বৰা , যোৰহাট। ■

প্ৰাসংগিক

# নিৰ্বাচনো সংগ্ৰামৰ অন্য ৰূপ হ'ব পাৰে

❑ ব্ৰজকিশোৰ শইকীয়া

আমাৰ দৃষ্টিত নিৰ্বাচন এক স্বয়ংসম্পূৰ্ণ গণতান্ত্ৰিক ব্যৱস্থা নহয়। নিৰ্বাচন সংসদীয় গণতন্ত্ৰৰ এটা অঙ্গ। শ্ৰেণী ভিত্তিক সমাজত এই সংসদীয় গণতন্ত্ৰই কাৰ স্বাৰ্থ ৰক্ষা কৰে? ভাৰতবৰ্ষত অতি স্পষ্টভাৱেই ই বৃহৎ পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰি আহিছে। মৌলিক সামাজিক সমস্যাবোৰ সমাধান কৰাত ভাৰতৰ সংসদীয় গণতন্ত্ৰ বিফল হৈছে। প্ৰত্যক্ষ সামৰিক হস্তক্ষেপৰ প্ৰৱণতা ক্ৰমবৰ্ধমান। মূলতঃ আমোলাতান্ত্ৰিক পুঁজিৰ দ্বাৰা দেশৰ অৰ্থনীতি নিয়ন্ত্ৰিত—যিটো সাম্ৰাজ্যবাদৰ ওপৰত নিৰ্ভৰশীল, ঐতিহাসিকভাৱেও ভাৰতৰ সংসদীয় গণতন্ত্ৰ জনগণৰ অংশগ্ৰহণমূলক গণতন্ত্ৰ (participatory democracy) নহয়, বৰং প্ৰতিনিধিত্বমূলক (repesentative democracy) আৰু সেই অৰ্থত অত্যন্ত সীমিত গণতন্ত্ৰহে ইয়াত বৰ্তি আছে। ৰাষ্ট্ৰব্যৱস্থাৰ এই চৰিত্ৰৰ পৰা নিৰ্বাচনী প্ৰক্ৰিয়া মুক্ত বুলি ভবাটো ভুল। ইয়াৰ সীমাবদ্ধতা অত্যন্ত গুৰুতৰ। কাৰণ প্ৰচলিত পৰম্পৰা, ৰাষ্ট্ৰযন্ত্ৰৰ নিয়ন্ত্ৰণ আৰু শাসকশ্ৰেণীবোৰৰ প্ৰভাৱ নিৰ্বাচনত সৰ্বাত্মক। অন্য কথাত, নিৰ্বাচনী সীমাবদ্ধতা বা তাৰ অন্তঃসাৰশূন্যতাই প্ৰচলিত ব্যৱস্থাটোৰ সীমাৱদ্ধতাকে প্ৰতিফলিত কৰে; যিহেতু প্ৰচলিত ব্যৱস্থাটোৰ পক্ষে ৰায় বিচাৰিহে নিৰ্বাচন পতা হয়। কিন্তু এই ব্যৱস্থাটোৰ বিৰুদ্ধে আমি সংগ্ৰাম কৰাৰ পক্ষপাতী বাবে তাৰ প্ৰতিটো দিশৰ সীমাবদ্ধতাৰ বিৰুদ্ধেই আমি সচেতনভাৱে জনগণক সংগঠিত কৰা প্ৰয়োজন। তদুপৰি সংসদীয় গণতন্ত্ৰত নিৰ্বাচন এক গুৰুত্বপূৰ্ণ অঙ্গ। অন্ততঃ নিৰ্দিষ্ট সময়ৰ ব্যৱধানত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ৰাষ্ট্ৰ বাধ্য। নিৰ্বাচন সময়মতে অনুষ্ঠিত কৰিব নোৱাৰাটো এক ব্যতিক্ৰম তথা ব্যৱস্থাৰ গুৰুতৰ সংকট হিচাপেই পৰিগণিত হৈছে আৰু তেনে কৰিবলৈ গৈ শাসকগোষ্ঠী বাৰে বাৰে শ'লঠেকত পৰিছে। অন্যহাতে, শাসকগোষ্ঠী একমাত্ৰ নিৰ্বাচনৰ বেলিকা জনগণৰ মুখামুখি বা আনকি জৱাবদিহি হ'ব লগাতো পৰে। জনগণৰ অংশগ্ৰহণ বা ভোটদান অবিহনে যিহেতু নিৰ্বাচন সম্পন্ন নহয় আৰু ভোটদাতাসকল সংগঠিত হ'লে ব্যৱস্থাটোত হস্তক্ষেপ কৰাৰ সুযোগ নিৰ্বাচনে আনি দিয়ে। সেয়েহে নিৰ্বাচনক জনসাধাৰণৰ স্বাৰ্থত আৰু শাসকশ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামৰ এক ৰূপ হিচাপে ব্যৱহাৰ কৰাৰ আমি পক্ষপাতী। আৰু এটা প্ৰসংগ এইখিনিতে প্ৰণিধানযোগ্য। প্ৰচলিত ব্যৱস্থাটো একমাত্ৰ নিৰ্বাচনৰ জৰিয়তেই টিকি থকা নাই। আৰু অসংখ্য প্ৰক্ৰিয়া, পদ্ধতিৰ জৰিয়তেহে ই টিকি আছে। অৰ্থনীতি, সংস্কৃতি, পৰম্পৰা, মতাদৰ্শ, প্ৰশাসন, প্ৰতিষ্ঠান—সমাজৰ এই সমস্ত দিশ একত্ৰিত কৰি প্ৰচলিত সমাজব্যৱস্থাটো—তাৰ হাজাৰটা বাহুৰ এটা বাহু মাথোঁ নিৰ্বাচন। এই ব্যৱস্থাটো অধঃপতিত, ক্ষয়িষ্ণু; কিন্তু



আমি তাৰ মাজত বাস কৰিছোঁ—অধঃপতিত হোৱাৰ সহস্ৰ মাধ্যম আমাৰ ওচৰত সুলভ। আমি শোষিত, শাসিত, পীড়িত, নিৰ্যাতিত আৰু প্ৰতাৰিত হোৱাৰ পৰা একমাত্ৰ নিৰ্বাচনৰ পৰা আঁতৰি থাকিলেই ৰক্ষা পৰিম নে? এনে মনোভাৱে বৰং আমাক নিষ্ক্ৰিয় কৰিহে পেলায়। সংগ্ৰাম—একমাত্ৰ সংগ্ৰামেই আমাৰ ৰক্ষা কবচ—যি আমাক আক্ৰমণ, অধঃপতন আৰু বিচ্যুতিৰ পৰা বচাব পাৰে। এই সংগ্ৰাম সৰ্বাত্মক আৰু সৰ্বক্ষণৰ সংগ্ৰাম হ'ব লাগিব।

নিৰ্বাচনকো সেয়ে আমি সংগ্ৰামৰ ৰূপ হিচাপে ব্যৱহাৰ কৰোঁ।

নিৰ্বাচন সম্পৰ্কে ৰাইজৰ মাজত সচৰাচৰ তিনিটা দৃষ্টিভংগী থকা দেখা যায়। এচামে ভাবে, নিৰ্বাচনৰ জৰিয়তে ভাল মানুহ আৰু ভাল দল পঠাই, পাৰিলে চৰকাৰ এখনত তেনে লোক সুমুৱাই দি ৰাইজৰ বাবে কাম কৰাব পাৰি। অন্য এচামে ভাবে—নিৰ্বাচন লেতেৰা ৰাজনৈতিক বস্তু—তাৰ পৰা কোনো কামত নাহে। অন্য এচামে আকৌ ভাবে—নিৰ্বাচন ভাল নে বেয়া সেইটো ডাঙৰ কথা নহয়—তাৰ সুবিধা ল'ব লাগে। চমু কথাত—নিৰ্বাচনমুখী, নিৰ্বাচন বিৰোধী আৰু সুবিধাপ্ৰয়াসী—এই তিনিওটা দৃষ্টিভংগীৰ এটাও শুদ্ধ বা সঠিক হিচাপে বিবেচনা কৰিব নোৱাৰি। নিৰ্বাচন সম্পৰ্কে একমাত্ৰ সঠিক দৃষ্টিভংগী হ'ল কেৱল সংগ্ৰামক আগুৱাই নিয়াৰ স্বাৰ্থত, শাসকশ্ৰেণীৰ কৌশলৰ মোকাবিলা কৰি জনগণৰ মৌলিক দাবীবোৰ তুলি ধৰি তাৰ ভিত্তিত ৰাইজক সংগঠিত কৰাৰ বাবে নিৰ্বাচনক এক সংগ্ৰামৰ ৰূপ হিচাপে ব্যৱহাৰ কৰাটো।

নিৰ্বাচনক সংগ্ৰামৰ স্বাৰ্থত ব্যৱহাৰ কৰোঁতে তাৰ তিনিটা প্ৰতিক্ৰিয়াশীল দিশৰ কথা মনলৈ আহিছে।

শাসকবৰ্গৰ চৰ্তত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিচৰা হয়। শাসকবৰ্গৰ প্ৰচাৰ, প্ৰতিশ্ৰুতি, শ্লোগান, ইস্তাহাৰ আৰু তেওঁলোকে তুলি ধৰা প্ৰতিনিধি আৰু বিকল্পৰ আধাৰতহে ৰাইজে তাত অংশগ্ৰহণ কৰিব লগা হয়। আনকি সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোৰ কেন্দ্ৰীয় বিষয় পৰ্যন্ত হৈ পৰে তেওঁলোকে তুলি ধৰা প্ৰতিক্ৰিয়াশীল ইছ্যু। এইবাৰ সুস্থিৰ চৰকাৰ প্ৰধান ইছ্যু। কিন্তু এই ইছ্যুবোৰে জনগণৰ অৱস্থা পৰিৱৰ্তন কৰিবনে? এই ইছ্যুবোৰ জনগণৰ একেবাৰেই অনাত্মীয় আৰু মৌলিকতাবিহীন। অথচ ব্যাপক ৰাইজে ভোট দিব এই ইছ্যুবোৰৰ পক্ষে বা বিপক্ষে।

এই পৰিপ্ৰেক্ষিততে আমি আহ্বান জনাওঁ, জনগণৰ সংগ্ৰামৰ ইছ্যুবোৰক নিৰ্বাচনৰ ইছ্যু কৰা হওক। জনসাধাৰণৰ মৌলিক আকাংক্ষাক নিৰ্বাচনৰ শ্লোগান কৰা হওক। জনসাধাৰণৰ চৰ্ত নিৰ্বাচনত আৰোপিত হওক!

দ্বিতীয়তে নিৰ্বাচনত দল তথা ব্যক্তিয়ে প্ৰতিদ্বন্দ্বিতা কৰোঁতে বিজয়ী হোৱাটোৱেই স্বাভাৱিকতে লক্ষ্য হৈ পৰে। সহজ বিজয়ৰ বাবে তেওঁলোকে তুলি ধৰে স্পৰ্শকাতৰ বিষয়বোৰ। শাসকগোষ্ঠীয়ে কেতিয়াও জনগণৰ ইতিবাচক আকাংক্ষা জাগ্ৰত কৰিব পৰা ইছ্যু তুলি নধৰে। তুলি ধৰে এনেকুৱা কিছুমান ইছ্যু যিবোৰত ৰাইজৰ ভূমিকা নাই, ৰাইজ নিৰ্ভৰশীল আৰু নিষ্ক্ৰিয় হৈ পৰিবলৈ বাধ্য। উদাহৰণস্বৰূপে 'সুস্থিৰ চৰকাৰ'ৰ শ্লোগান



OKDISCD

**শাসকবৰ্গৰ চৰ্তত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিচৰা হয়। শাসকবৰ্গৰ প্ৰচাৰ, প্ৰতিশ্ৰুতি, শ্লোগান, ইস্তাহাৰ আৰু তেওঁলোকে তুলি ধৰা প্ৰতিনিধি আৰু বিকল্পৰ আধাৰতহে ৰাইজে তাত অংশগ্ৰহণ কৰিব লগা হয়। আনকি সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোৰ কেন্দ্ৰীয় বিষয় পৰ্যন্ত হৈ পৰে তেওঁলোকে তুলি ধৰা প্ৰতিক্ৰিয়াশীল ইছু। এইবাৰ সুস্থিৰ চৰকাৰ প্ৰধান ইছু। কিন্তু এই ইছুবোৰে জনগণৰ অৱস্থা পৰিৱৰ্তন কৰিবনে?**

আঙুলিয়াব পাৰোঁ। সুস্থিৰ চৰকাৰ এখন গঠন কৰাৰ বাবে ৰাইজৰ ভূমিকা ভোটদানতে শেষ। তাৰ পিছত কৰিবলগীয়া একো নাথাকে। ৰাইজৰ মাজত তেওঁলোক ভয় বা বিপন্নতাবোধ উদ্ৰেক কৰে—স্বদেশ আক্ৰমণ হোৱা, স্ব-জাতি বিলুপ্ত হোৱা, স্ব-ধৰ্ম নাশ হোৱাৰ ভয়। নিৰাপত্তাহীনতা। আশংকা। কিন্তু তেওঁলোকে এই আশংকা ৰাইজে দূৰ কৰিব পাৰে বুলি মৰি গ'লেও নকয়—নিজেহে দূৰ কৰিব পাৰে বুলি কয়। এনেদৰেই তেওঁলোকে সুযোগ লয় ৰাইজৰ অসহায়, দুৰ্বল অৱস্থাৰ।

ৰাইজৰ মাজত এওঁলোকে উন্মাদনা জাগ্ৰত কৰে। গোষ্ঠী-চেতনা, সাম্প্ৰদায়িক চেতনা আৰু উগ্ৰ জাতীয়তাবাদী চেতনাৰে সুৰক্ষিত কৰে নিজ নিজ ভোট বেংক। তথাকথিত পৰম্পৰাগত ভোট-বেংক। তেওঁলোকে জনগণৰ দাৰিদ্ৰতাৰ সুযোগ লয়। ভোট-মালিকসকলৰ জৰিয়তে ভোট কিনে। মনস্তত্ত্বিক প্ৰভাৱিত কৰিবলৈ ব্যয়বহুল প্ৰচাৰ সংগঠিত কৰে।

এনেদৰেই তেওঁলোকে জনগণৰ আশংকা, অসহায়তা আৰু দাৰিদ্ৰতাৰ সুযোগ লৈ নিজক তুলি ধৰে ৰাইজৰ ৰক্ষাকৰ্তা প্ৰতিনিধি হিচাপে। বুৰ্জোৱাৰ অনুগত বুদ্ধিজীৱীয়ে যুক্তি তুলি ধৰে 'নিৰ্বাচনত চৰকাৰ কোনে গঠন কৰিব সেইটোহে আচল কথা।' গতিকে আটাইতকৈ নিঃকিন আৰু অপ্ৰাসংগিক দল বা লোকজনেও বুকু ফুলাই কয়—আমিয়ে চৰকাৰ গঠন কৰিম। এই মনোভাৱৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে ক্ষমতাপ্ৰয়াসী নীতিহীন জোটবন্ধন। তাকে তুলি ধৰা হয় 'বিকল্প' হিচাপে 'একমাত্ৰ বিকল্প' হিচাপে, দেশৰ বা জাতিৰ সংকটবোৰৰ মহৌষধ হিচাপে, সমাধান হিচাপে তাকে তুলি ধৰা হয়।

এই পৰম্পৰাক প্ৰত্যাহ্বান জনাই আমি তুলি ধৰোঁ বিৰোধী পক্ষৰ ধাৰণা। সংগ্ৰামী, গণতান্ত্ৰিক, বিপ্লৱী বিৰোধী পক্ষ। একমাত্ৰ সংগ্ৰামৰ জৰিয়তে, সংগ্ৰামৰ ময়দানতহে জন্ম হয় প্ৰকৃত 'বিকল্প'ৰ—যি ৰাইজৰ অফুৰন্ত সৃষ্টিশীলতা আৰু সক্ৰিয়তাৰ দুৱাৰ মুকলি কৰি দিয়ে, গণতন্ত্ৰক ৰাইজৰ জীৱনধাৰাৰ লগত সম্পৰ্কিত কৰে। তৃতীয়তে, বহুতে নিৰ্বাচনক



শাসকশ্ৰেণীৰ বা প্ৰচলিত ব্যৱস্থাৰ অতিশয় গুৰুত্বপূৰ্ণ দিশ হিচাপে দেখিও নেদেখা হয়। সেয়েহে সংগ্ৰামৰ হাতীয়াৰ হিচাপে, দীৰ্ঘম্যাদী-নীতি আৰু আদৰ্শ প্ৰতিষ্ঠাৰ মাধ্যম হিচাপে নিৰ্বাচনকলোৱাত কৌশলগত বিচ্যুতিৰ কবলত পৰে। অথবা, দীৰ্ঘম্যাদী সংগ্ৰামৰ পৰা তাক বিচ্ছিন্ন হিচাপে দেখে আৰু ক্ষণস্থায়ী সুবিধাৰ স্বাৰ্থত তাক ব্যৱহাৰ কৰাৰ প্ৰয়োজনবাদী (pragmatic) স্থিতি গ্ৰহণ কৰে। ইয়াৰ ফলত তাৎক্ষণিক সুবিধাৰ তুলনাত বহুগুণে গুৰুতৰ ক্ষতি-মতাদৰ্শগত পচন অনিবাৰ্য হৈ পৰে। এবটল মদৰ বিনিময়ত ভোট দিয়া; কেইহেজৰমান টকাৰ বিনিময়ত কোনো প্ৰাৰ্থী বা দলৰ হৈ 'লাগি দিয়া' আৰু ৰাজনৈতিকভাৱে এক ক্ষণস্থায়ী সংসদীয় বিকল্পৰ মোহত বন্দী হোৱাৰ নামত আমি কোনো পাৰ্থক্য নেদেখোঁ।

সম্প্ৰতি অসমত যুৱ-সমাজৰ এটা ব্যাপক অংশ এই অৱস্থাৰ বলি হৈছে। যুৱ-সমাজৰ শৰণাপন্ন হোৱাৰ বাহিৰে প্ৰাৰ্থীসকলৰ গত্যন্তৰ নাই। নিৰ্বাচনী প্ৰচাৰে গতি পাই একমাত্ৰ যুৱকসকলৰ সহযোগিতা থাকিলেহে। বিপৰীতে, নিৰ্বাচনৰ দৰে এটা গুৰুত্বপূৰ্ণ পৰ্যায়ত, সমাজৰ আটাইতকৈ জংগী আৰু সংবেদনশীল অংশ হিচাপে যুৱকসকলৰো এটা স্বাভাৱিক সঁহাৰি থাকে। কিন্তু যুৱকসকল আজি বিভ্ৰান্ত—কি নীতিত, কিহৰ বাবে তেওঁলোক আজি জঁপিয়াই পৰিব? ইয়াৰ ফল হৈছে মাৰাত্মক। একাংশ যুৱক ইতিমধ্যেই নীতিহীনভৱে নিৰ্বাচনত যুক্ত হৈ পৰিছে। অন্য একাংশই তৃতীয় বিকল্পৰ নামত সংসদীয় কুচ-কাৱাজ আৰম্ভ কৰিছে। আকৌ অন্য একাংশই সকলো নিষ্ক্ৰিয়ভাৱে চাই থাকিব লগা হৈছে। যুৱ-সমাজৰ মাজত অধঃপতনৰ কিছু বীজ বিয়পি পৰিছে।

সেয়েহে আমি আহ্বান জনাওঁ, এক আন্দোলনাত্মক প্ৰেৰণাৰে মৌলিক, সামাজিক-আৰ্থিক সংকটবোৰৰ বিৰুদ্ধে ৰাইজৰ পক্ষত থাকি সমুদায় যুৱ-সমাজে সক্ৰিয় উদ্যোগ লওক। বিকল্প কেনেকৈ গঢ়ি উঠিব—সংগ্ৰামৰ মাজেৰে নে নিৰ্বাচনৰ জৰিয়তে—এই প্ৰশ্নত স্থিতি স্পষ্ট কৰক!

# কবিতাৰ সঁতে এৰাতি

❑ দাউহাৰু কছাৰী

এদিন ৰাতি কবিতা এটাৰ সতে যুঁজি আছিলো।

এই যে দেখিছা মোৰ বেমাৰী দেহাটো! বিচনাত চট্ ফটাই থকা এটা গানৰ সুৰ- কিনো হ'ল কবিৰ আজি? কবিতাবোৰ নিচিনা নজনা অচিনাকী হ'ল?

মোৰ ভিতৰখনতো একে নহয় বাহিৰ খনেৰে। অথচ মোৰ প্ৰিয় বন্ধু হৈয়ো তোমালোকে বাৰে বাৰে ভুল কৰা - বাহিৰাখনকে ভিতৰখন বুলি। মোৰ বুকুৰ আটাইকেইটা কোঠালীয়েই তোমালোকে দখল কৰা। আৰু যদি কোৱা - মই কবি আজি কালি এটা নষ্ট চৰিত্ৰ, অথবা মোৰ সোঁ-বাঁও, পূৱ-পশ্চিম ভৰি আছে অহংকাৰৰ সাগৰ — মই ৰাজী আছো। কিন্তু মোৰ ভালপোৱা বিলাকতো মিছা নাছিল বন্ধু?

সাম্প্ৰতিক আমি একোটা শিলাখণ্ড হ'ব খোজোঁ। চুই দিলেই বাহুৰ এন্ধাৰত তোমাৰ কোমল ওঁঠৰ আঙুলি। আৰু যুগ যুগৰ যুদ্ধৰ ইতিহাস বৈ নিয়া এটা গৌৰৱোজ্জ্বল কঠিন শিল। আমি ধুমুহা হ'ব খোজোঁ। অথবা, সাগৰৰ ঢৌ হ'ব খোজোঁ বন্দুকৰ চকুত ৰাতি টোপনী নোযোৱা যুদ্ধৰ নিশা। আমি প্ৰেমিক হ'ব খোজোঁ— যুদ্ধ আৰু জোনাকৰ মৰম আকলুৱা এটা গান।

কিনো হ'ল কবিৰ আজি? কবিতাবোৰ নিচিনা - নজনা অচিনাকী হ'ল! উকা কাগজত চট্ -ফটাই চট-ফটাই পৰি থাকে বেমাৰে জুৰুলা কৰা কবি। কিনো হ'ল কবিৰ আজি - জেপৰ কলম জেপতে ৰ'ল।

প্ৰতি পুৱাই বাঢ়ি আহিব খোঁজে মোৰ অনুশোচনাৰ পাহাৰ, আৰু নিশা উত্তাল যৌৱন। মোৰ ভালপোৱা বিলাকতো মিছা নাছিল বন্ধু! মাথো বগা কাগজত হেৰাই যাব খুজিছিল মোৰ প্ৰেৰণা - ভালপোৱা আৰু অহংকাৰৰ সাগৰ.............
এদিন ৰাতি কবিতা এটাৰ স'তে যুঁজি আছিলো। ❑





# বিজ্ঞান সন্মত মানসিকতাৰ দৈন্য

হেৰম্ব প্ৰসাদ বৰুৱা

বৰ্তমান সময়ত বিজ্ঞান কৰ্মীৰ বৈজ্ঞানীক মানসিকতা আৰু সৰ্বসাধাৰণৰ মাজত দীৰ্ঘদিনীয়া ধৰ্মীয় ইতিহাসৰ পৰম্পৰাগত চিন্তাই, পৰস্পৰে পৰিপূৰক হিচাপে কাম কৰা সততে পৰিলক্ষিত হয়। এই দুয়োবিধ মানুহৰ মাজত প্ৰবলভাৱে ক্ৰিয়া কৰা অলৌকিক শক্তিৰ ওপৰত ন্যস্ত কৰা "বিশ্বাসে", বস্তুগত প্ৰকৃতিৰ কাৰ্য-কাৰণ সম্পৰ্কক ধূসৰ কৰি তোলা দেখা গৈছে। তথাকথিত বিজ্ঞান কৰ্মীয়ে সংগ্ৰামী জনচেতনাৰ মাজত দেখা পোৱা অন্ধ বিশ্বাস বা কু-সংস্কাৰৰ প্ৰভাৱক এওঁলোকে এওঁলোকৰ কাৰ্য-পদ্ধতিৰ মাজেদি অন্ধ-বিশ্বাস বা কু-সংস্কাৰক জনজীৱনত দৃঢ় কৰাহে দেখা যায়। সাধাৰণ এটা উদাহৰণেৰে কথাষাৰ বুজাব পৰা যায়। ধৰক, এজন সাধাৰণ মানুহৰ অসুখৰ চিকিৎসাৰ বাবে হাততে পোৱা চিকিৎসক এজনৰ ওচৰ চাপিল। চিকিৎসকজনে তেখেতৰ জ্ঞানৰ সীমাবদ্ধতাৰ মাজেদি ৰোগীজনক পৰীক্ষা-নিৰীক্ষা কৰিলে আৰু মৌখিক বিভিন্ন পৰামৰ্শৰ মাজেদি ঔষধি চিকিৎসা কাৰ্য চলালে। শেষত, ৰোগীজনৰ কাতৰ প্ৰাৰ্থনাৰ অন্তত, চিকিৎসকজনে শান্তনাৰ সুৰত ৰোগীজনক ক'লে, "আমি ডাক্তৰ সকলো মানুহ, আমাৰ সাধ্য অনুযায়ী আপোনাক ঔষধ পাতি দিলোঁ। বাকীখিনি ওপৰৱালা(ঈশ্বৰ)ৰ ওপৰত নিৰ্ভৰ কৰিব। তেখেতৰ অনুগ্ৰহ হ'লে আপুনি আৰোগ্য হৈ উঠিব।" চিকিৎসা বিজ্ঞানৰ প্ৰযুক্তি কৌশল হৈছে, বিজ্ঞান তত্ত্ব আৰু প্ৰায়োগিক ব্যৱস্থা। আমি বুজামতে, চিকিৎসা শাস্ত্ৰৰ প্ৰথম কাম হ'ল ৰোগৰ কাৰণ নিদ্ধাৰিণ কৰা। সঠিক কাৰণ নিৰ্ণয়ৰ যোগেদি উপযুক্ত ঔষধ প্ৰয়োগেৰে ৰোগ নিৰ্মূল হ'ব লাগে। এই যি কাৰ্য কাৰণ সম্পৰ্কৰহিত বিজ্ঞানৰ প্ৰযুক্তি কৌশল চিকিৎসকে প্ৰয়োগ কৰিলে, তাতেই অলৌকিক শক্তি নিৰ্ভৰতা আহি পৰিল। চিকিৎসাৰ মাজেদি পোৱা সুফল বা কু-ফল দুয়োটাৰ ক্ষেত্ৰতো সাধাৰণ মানুহৰ মনত কিন্তু কাৰ্য কৰণৰ এটা বিজ্ঞানসন্মত সম্পৰ্ক স্থাপন নহ'ল। তেওঁলোকৰ মনত বিজ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগতো, বিজ্ঞানসন্মত ধাৰণা এটা মনক দিয়াত, সমাজৰ অগ্ৰণী স্বৰূপ চিকিৎসক বিজ্ঞান কৰ্মীজন বিফল হ'ল। কেৱল চিকিৎসা বিজ্ঞান এটা মাত্ৰ সামান্য উদাহৰণ, এনে বিভিন্ন বিজ্ঞানসন্মত প্ৰযুক্তি কৌশল আছে, যিবিলাক সদায়ে এনে অলৌকিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰাৰ মানসিকতা প্ৰয়োগ কৰি, মানুহৰ মাজত তথাকথিত ধৰ্মীয় পৰম্পৰাক অব্যাহত ৰখা দেখা গৈছে। প্ৰযুক্তি কৌশল খটুৱাওঁতে বিজ্ঞানকৰ্মীৰ এনে ব্যৱহাৰে জনসমাজত সভ্যতাৰ অবিকাশমান অৱস্থাৰ পৰা পৰম্পৰাগত ভাবে আহি কুসংস্কাৰ হিচাপে থিতাপি লোৱা ভাবধাৰা, দৃঢ় কৰাত সহায় কৰিছে। সেই বাবেই যিকোনো বেমাৰ হ'লেই 'সকাম' পতা, গাড়ী-



OKDISCD

মটৰ চলোৱাৰ আগতে 'বিশ্বকৰ্মা'ৰ নাম লোৱা, বিৰাট ডাঙৰ ডাঙৰ উদ্যোগ গঢ়ি তোলোতেও অলৌকিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰি চলা আদি এনে এশ এবুৰি উদাহৰণ পোৱা যায়। প্ৰযুক্তি কৌশল কাৰ্য-কাৰণ সম্পৰ্কিত ; এনে প্ৰযুক্তিকৌশলৰ পৰা আধুনিক সা-সুবিধা গ্ৰহণ কৰিও আমি যেতিয়া অলৌকিক কৃতজ্ঞতা জ্ঞাপন কৰোঁ, তেনে অৱস্থাত আমাৰ মনত বস্তুনিষ্ঠ চিন্তাৰ উন্মেষ হোৱা অসম্ভৱ। ফলত বিপৰ্যস্ত চেতনা সুদৃঢ় হোৱাত সহায় হয়। অন্ধ-বিশ্বাসে বেৰি ধৰে।

**বিজ্ঞানীৰ কামেই হ'ল - মানৱ সভ্যতাক দীৰ্ঘম্যাদী কৰাৰ বাবে প্ৰকৃতিক বুজা আৰু পদ্ধতিগতভাৱে ইয়াক নিয়ন্ত্ৰণলৈ অনাৰ প্ৰচেষ্টা চলোৱা। যি সময়ত মানুহৰ মনত বিজ্ঞান চেতনাৰ বিকাশ নিম্নখাপৰ আছিল, সেইসময়ত প্ৰাকৃতিক পৰিঘটনাসমূহক কাৰ্য-কাৰণ পদ্ধতিৰে ব্যাখ্যা কৰাত মানুহ অপাৰগ আছিল বুলিয়ে, আজিৰ বিকাশমান অৱস্থাটো মানুহৰ চেতনাত তেনে অৱস্থাই ক্ৰিয়া কৰি থাকিব, ই সভ্যতাৰ পৰিপন্থী।**

আদিম যুগত বাস্তৱক বুজিব নোৱাৰি অলৌকিকতাক মানিব লগীয়া হৈছিল, আৰু বৰ্তমান সময়ত কাৰ্য-কাৰণৰ সুফল উপভোগ কৰি ইয়াৰ লগত বাস্তৱক ব্যৱহাৰিক আৱিস্কাৰে প্ৰমাণ কৰিছে যে এই বিশ্ব চৰাচৰত পদাৰ্থ আৰু পদাৰ্থৰ সম্পৰ্কৰ বাহিৰে আন একো নাই। কিন্তু মানুহৰ মৃত্যুত, পদাৰ্থগত পৰিবৰ্তনৰ কথা বুজিও, আমি কিন্তু বিজ্ঞানী-অবিজ্ঞানী সকলোৱে, "মৃতকৰ আত্মাৰ সদগতিৰ কাৰণে এক মিনিট ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ"। গতিকে বিজ্ঞানৰ পৰীক্ষামূলক বিকাশ আৰু ইয়াৰ প্ৰয়োগে মানুহৰ মানসিক চেতনাৰ মুঠেই পৰিবৰ্তন আনিব পৰা নাই।

বিজ্ঞানৰ তত্ত্ব আৰু ইয়াৰ প্ৰয়োগৰ মাধ্যমেৰে মানুহৰ মনত যেনেকৈ বিজ্ঞানসন্মত মানসিকতা গঢ়াত সহায় হোৱা নাই, ঠিক একে মানৱ সমাজতে সৃষ্টি হোৱা বিভিন্ন মানবিক সমস্যা সমূহো সমাধানৰ ক্ষেত্ৰত বিজ্ঞানসন্মত চিন্তা-চেতনা মানুহৰ মনত জাগ্ৰত হোৱা নাই। বিজ্ঞানত মানুহৰ কল্পনা পৰীক্ষাৰ মাজেৰে সত্যত উপনীত হয়। এই ক্ষেত্ৰত প্ৰতিটো পৰিঘটনাকে অতি সাৱধানেৰে কাৰ্য-কাৰণৰ সম্পৰ্কেৰে পৰীক্ষাত আগবঢ়া হয়। কল্পনা, প্ৰাথমিক স্তৰত বিমূৰ্ত হ'লেও সময় পৰীক্ষা সিদ্ধ হৈ বস্তুনিষ্ঠ হৈ পৰে। বিজ্ঞানৰ পৰীক্ষাসমূহ চলাই থাকোতে কোনো ধৰণৰ অলৌকিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰি সত্যত উপনীত হোৱা নাযায়। প্ৰাকৃতিক পৰিঘটনা সমূহ পৰীক্ষা কৰোঁতে বিজ্ঞানীয়ে আপেক্ষিক সত্যকে উদঘাটন কৰে। এনে আপেক্ষিক সত্যৰ ওপৰত ভেজনি দি পৰৱৰ্তী অধিক সত্যাসত্য নিৰ্ণয়ৰ বাট মুকলি ৰখা হয়। গতিকে কেৱল পৰীক্ষা সিদ্ধান্তটোকে চিৰন্তন সত্য বুলি মানি নলৈ, কাৰ্য-কাৰণ সম্পৰ্কেৰে গতিশীল আপেক্ষিক অৱস্থাক বিজ্ঞানে স্বীকাৰ কৰে।

আজি আমাৰ সমাজে কুৰি শতিকাৰ শেষস্তৰত আৰু একৈশ শতিকাৰ



দোকমোকালিৰ বিজ্ঞান বিকাশৰ উচ্চতৰ পৰ্য্যায়ত, আধুনিক প্ৰযুক্তি কৌশলৰ সকলো সা-সুবিধা লোৱা অৱস্থাতো, বিজ্ঞানসন্মত মানসিকতা গঢ় লৈ নুঠাৰ বাবেই প্ৰতিটো সামাজিক সমস্যা জটিলৰ পৰা জটিল ৰূপ ধাৰণ কৰিবলৈ আগবঢ়াই দিছে। যিমানেই সমাজত ন ন প্ৰযুক্তি কৌশলৰ বিকাশ ঘটিছে। সিমানেই আমাৰ সমাজত 'বিশ্বকৰ্মা' পূজাৰ পয়োভৰ বাঢ়িছে, বৰ্দ্ধিত হাৰত ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাত অকৃতকাৰ্যই সৰস্বতীপূজাৰ প্ৰাবল্য বঢ়াই তুলিছে। সামাজিক আসূয়া -অপ্ৰীতি যিমানে বাঢ়িছে, যাগ-যজ্ঞ, পূজা-পাতলৰ পৰিমাণ সিমানে বাঢ়ি গৈছে। অৰ্থাৎ এই যি সামাজিক পৰিঘটনা সমূহ এইবোৰ সমাধানৰ বাবে আমি প্ৰাকাৰান্তৰে বিজ্ঞানৰ কাৰ্য- কাৰণ সম্পৰ্কক নখুটুৱাই, অলৌকিক শক্তি নিৰ্ভৰ হৈ পৰিছোঁ। এইবোৰ ক্ষেত্ৰত সমাজৰ এচাম মানুহৰ চক্ৰান্তৰৰ কথা স্থানান্তৰত আলোচনাৰ থল থাকিলেও, বিজ্ঞানসন্মত মানসিকতাৰ অভাৱেই যে এনে ৰূপ দিছে, সেই বিষয়েহে আমি মনোনিবেশ কৰিছোঁ। বিজ্ঞান কৰ্মীৰ বাবে বিজ্ঞান সাধন যেন এক ব্যক্তিগত পেচা, নতুবা এক বিনাস, কিন্তু কোনো সামাজিক দায়বদ্ধতা নাই, এনে মনোবৃত্তিৰেই সভ্যতাক আমি যিমান আগবঢ়াই নিছো বুলি গৌৰৱ কৰিছোঁ, প্ৰকৃততে ততোধিক পশ্চাৎগামী হৈছোঁ পঞ্চম বাহিনীৰ কাম কৰি। বিজ্ঞান কৰ্মীয়ে সমাজত বিজ্ঞানসন্মত মানসিকতাৰ সৃষ্টি কৰিব নোৱাৰাটো তেখেত সকলৰ সমাজৰ প্ৰতি চৰম দায়িত্বহীনতা হিচাপে চিহ্নিত হ'ব। আজিৰ বিষয় ভিত্তিক "বিশেষীকৰণ' ব্যৱস্থাৰ চক্ৰান্ত চলিলেও মানুহৰ কিন্তু "নাল্পে সুখমস্তি যো বৈ ভূমা তৎ সুখম্ ভূমৈৱ সুখম্" অৰ্থাৎ জীৱন আৰু জগতক জনাৰ আৰু দুয়োকে এক অখণ্ড সমগ্ৰ ৰূপত চোৱাৰ স্পৃহা থাকিবই লাগিব। জীৱন আৰু জগতৰ অখণ্ড ৰূপেই প্ৰকৃতি, তৎ সম্পৰ্কিত যি কোনো এটি বিষয় নিঃসঙ্গ ভাবে স্বাধীন হ'ব নোৱাৰিব। আমি আগতেই উল্লেখ কৰিছোঁ যে, প্ৰাকৃতিক পৰিঘটনাসমূহ কাৰ্য-কাৰণত আবদ্ধ। গতিকে সেই বিজ্ঞানসন্মত দৃষ্টিভঙ্গী মানুহৰ গঢ়ি উঠিলেহে, মানৱ সমাজ সৰ্বাঙ্গসুন্দৰ হৈ বিকশি উঠিব। জগতৰ সামগ্ৰিক ৰূপত যিকোনো ঋতুৰ পেৰত এজন মানুহ বিশেষজ্ঞ হ'লে, এটা যান্ত্ৰিক পদ্ধতিৰে ব্যক্তি বিশেষৰ বা গোষ্ঠী বিশেষৰ সামগ্ৰিক উপকাৰ সাধন হ'ব পাৰে, কিন্তু ই মানৱ সমাজৰ সামগ্ৰিক উন্নতিৰ পৰিপন্থী হ'ব। এনে যান্ত্ৰিক জ্ঞান আজিৰ যুগত পণ্যলৈ পৰ্যবসিত হ'ব।

আধুনিক বিজ্ঞান শিক্ষা, সামগ্ৰিক সামাজিক শিক্ষাৰ লগত যুক্ত হৈ মানৱ সমাজৰ উপকাৰ সাধন কৰাত ব্যৰ্থ হৈছে। সামাজিক অৱস্থাত বিজ্ঞানসন্মত চিন্তাধাৰাৰে সমাজৰ ৰূপান্তৰ সাধন বা বৰ্তমান সমাজ-ব্যৱস্থাত দেখা দিয়া সমস্যাসমূহ সমাধানৰ অথবা সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ই উপস্থিত হৈ সমস্যাসমূহ সমাধান কৰাত ভূমিকা গ্ৰহণ কৰিব পৰা নাই। সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টিভঙ্গী হৈছে ঐতিহাসিক বিশ্লেষণ, প্ৰতিটো পৰিঘটনাকে কাৰ্যকাৰণৰ মাজেদি অনুধাৱন আৰু সমাধানৰ ক্ষেত্ৰতো ইয়াৰ গতিশীলতা অৱস্থানৰ লগত খাপখুৱাকৈ সামাজিক তত্ত্বৰ উদ্ভাৱন। কিন্তু বৰ্তমান সময়ত আমাৰ সমাজৰ উদ্ভূত সমস্যাসমূহৰ কাৰণসমূহ পদ্ধতিগত ঐতিহাসিক বিশ্লেষণৰ



OKDISCD

অভাৱ আৰু তৎজনিত সমাধানৰ ক্ষেত্ৰও সম্ভৱ নহয়। শৰীৰত ব্যাধি এটাৰ লক্ষণসমূহ ফুটি উঠাৰ বহুত আগতেই শৰীৰৰ কোনো নিৰ্দিষ্ট স্থানত বেমাৰৰ বীজানুৱে আক্ৰমণ কৰে; এনে স্থলত তাৎক্ষণিক উৎপত্তি বুলি ভবা চিকিৎসকে বেমাৰ ভাল কৰাতকৈ শৰীৰক অধিক বেমাৰ ফালে নিয়াৰ সম্ভাৱনা। চিকিৎসকৰ বাবে সম্ভৱপৰ সকলো পদ্ধতি প্ৰয়োগ কৰি ৰোগৰ কাৰণ নিৰ্ণত কৰাটো হ'ল প্ৰাথমিক কাম আৰু ইয়েই বিজ্ঞানসম্মত। উৎসতেই চিকিৎসাৰ জৰিয়তে বেমাৰ প্ৰতিৰোধ কৰাই হ'ব প্ৰকৃত চিকিৎসা। শৰীৰস্বৰূপ আমাৰ সমাজৰ বিভিন্ন ব্যাধিসমূহ, যিবোৰ আমাৰ বাবে আজি শংকাৰ কাৰণ হৈ পৰিছে, এইবোৰৰ কাৰণসমূহো ঐতিহাসিক, তাৎক্ষণিক নহয়। ইয়াৰ মূল বিচাৰি অতীতৰ বহুদূৰলৈ আগবাঢ়ি যাব লাগিব, নিহিত হৈ থকা কাৰণসমূহ বিশ্লেষণৰ যোগেদি আজিৰ ফলশ্ৰুতিৰ লগত মিলাব লাগিব, আৰু কেৱল এই পৰীক্ষামূলক পদ্ধতিয়েহে কাৰণ নিৰ্ণয় কৰিব। আমাৰ সমাজ ব্যৱস্থাৰ পৰিচালনা, নিয়ন্ত্ৰণৰ দায়িত্বত থকা সেই বিশেষ ব্যক্তিসকলে এই ৰূপ কাৰ্যৰ বাবে অপাৰগ। আমাৰ সমাজৰ পৰাই জন্ম হোৱা এই নেতাসকলৰ মানসিক স্তৰত বিজ্ঞানসম্মত চিন্তাৰ অভাৱ। আজিৰ যুগৰ শিক্ষাৰ 'বিশেষীকৰণ' ব্যৱস্থাত মুক্ত মনেৰে সমাজক অনুধাবন কৰা অসম্ভৱ,. যুক্ত হৈ থকা সামাজিক আন্তঃ সম্পৰ্কবোৰ বুজা এনে নেতাসকলৰ বাবে ধৃষ্টতা মাত্ৰ। সেয়ে তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত হোৱা ব্যৰ্থতা। উদাহৰণ, হিচাপে আজিৰ অসমত দেখা দিয়া উগ্ৰপন্থা বা সন্ত্ৰাসবাদৰ সমস্যাকে ধৰা হওক। প্ৰতিজন বিজ্ঞান মানসিকতাসম্পন্ন ব্যক্তিয়েই বুজে যে, আজিৰ শাসক গোষ্ঠীয়ে, কেৱল আইন শৃংখলাজনিত পৰিস্থিতি বুলিয়েই এই সমস্যাটোক সমাধান কৰিবলৈ যোৱাটো এটা প্ৰহসন মাত্ৰ। ৰাজনৈতিক লাভালাভৰ কথা আলোচনা নকৰাকৈয়ো এইটো ক'ব পাৰি যে, শাসকগোষ্ঠীয়ে সমস্যাৰ কাৰণ নিৰ্ণয় কৰাৰ বাবে সেই প্ৰাথমিক বিজ্ঞানসম্মত মানসিকতাৰ অভাৱ। গতিকে সঠিক কাৰণ নিৰ্ণয় নকৰাকৈ, সমস্যাক গাপ দি ৰাখিবলৈ যোৱাটো এহাতেদি শাসকগোষ্ঠীৰ বাতুলতা আৰু অন্যহাতে সমগ্ৰ সমাজ ব্যৱস্থাৰ বাবেই ভয়ঙ্কৰ ভৱিষ্যৎতত ডুবিব ধৰা অৱস্থা। আমাৰ সমাজত এনে বহুতো পণ্ডিত, ভৱিষ্যৎ দৰ্শী, বিজ্ঞানকৰ্মী, সমাজকৰ্মী আছে যিসকলে 'শান্তি' 'শান্তি' কৰি তথাকথিত নিৰপেক্ষ অৱস্থানৰ অৱস্থিত হৈ চিঞৰি আছে। এইসকল লোকে এই সমস্যাটোক কিছুমান উত্তপ্ত যুৱকৰ খেয়ালী দুঃসাহসিক কাম বুলিয়েই ভাবে, যেন ইয়াৰ কোনো মৌলিকতা নাই। সমাজত প্ৰতিষ্ঠিত এইসকল মুখাফুটা ব্যক্তিয়ে 'হৈছে' 'হৈছে' 'আৰু নালাগে' এনে এক অভিভাৱকত্ব সুৰত উগ্ৰবাদী আৰু শাসকগোষ্ঠী দুয়ো পক্ষকে শান্ত কৰিব বিচাৰে। অৰ্থাৎ সমস্যাক ঐতিহাসিক বিশ্লেষণ কৰিলে,প্ৰকৃত সত্য ওলাই পৰিলে, তেওঁলোকে হয়তো স্থিতাৱস্থাৰ বাহক শাসকগোষ্ঠীৰ লগত সংঘাতত নামিব লগা হ'ব, নতুবা তেওঁলোকৰ এনে বিজ্ঞানসম্মত মানসিকতাই নাই, যাৰ বাবে তেওঁলোকৰ এই অৱস্থা। তেওঁলোকে এই কাম কৰাত মুঠেই আগ্ৰহী নহয়। মানুহৰ জীৱন আৰু জীৱিকাৰ বাবে উপযুক্ত ব্যৱস্থা নথকা, সমাজৰ গৰিষ্ঠ সংখ্যাকে



যেতিয়া এনে অসম বিকাশিত নিমগ্ন হয়, তেতিয়া ইয়াৰ পৰা পৰিত্ৰান পাবৰ বাবেই শেষ সংগ্ৰামত অৱতীৰ্ণ হ'ব লগা হয়। ই সংগঠিথ ৰূপত হ'ব পাৰে নতুবা বিচ্ছিন্ন অসংগঠিত ৰূপত হ'ব পাৰে। এনে সংগ্ৰামৰ পৰিকল্পনাত থকা বিজ্ঞানসম্মত গতিশীল সমাজ পৰিবৰ্তনৰ তত্ত্বৰ মাজতে জয়-পৰাজয় নিহিত হৈ থাকে। অৰ্থনৈতিক স্বচ্ছলতাৰ সংগ্ৰাম, দীৰ্ঘদিনীয়া, অসংগঠিতৰ পৰা সংগঠিত ৰূপলৈ, তত্ত্বহীনৰ পৰা বিজ্ঞান সন্মত তত্ত সমৃদ্ধ ৰূপলৈ বিকশিত হোৱাৰ সম্ভাৱনা প্ৰচুৰ। স্বাৰ্থপূৰ্ণ শাসক গোষ্ঠীৰ বাবে সামাজিক গতিক অনুধাবন কৰা সম্ভৱ নহয়, সেয়েহে তেওঁলোকে বলপূৰ্বকভাৱে বাধা দি এনে সমাজ সংগ্ৰামক নিঃশেষ কৰাৰ প্ৰয়াস কৰে। সাময়িকভাৱে বাধা দি ৰখা সম্ভৱ হ'লেও, বিস্ফোৰণমুখী জনচেতনাই পুনৰ অদম্যভাৱে আনৰূপত হ'লেও জাগ্ৰত হৈ উঠে। সেয়ে আজিৰ পৰিস্থিতিত সমাজ বিকাশৰ ধাৰাক বিজ্ঞানসম্মত চিন্তা চেতনাৰেপৰ্যবেক্ষণ কৰা একান্তই প্ৰয়োজন। সমাজ পৰিবৰ্তনৰ তত্ত্বৰ মাজত থকা বিজ্ঞানসম্মত উপাদান যেনেকৈ বিপ্লৱক আগুৱাই নিয়াৰ সঠিক পথ নিৰ্ণয় কৰে, ঠিক তেনেকৈ শাসক গোষ্ঠীৰ বাবে সমস্যা হিচাপে দেখা দিয়া অৱস্থাক বুজিবৰ বাবেও লাগিব বৈজ্ঞানিক মানসিকতা আৰু জনচেতনাৰ লগত একাত্মতা।

জীৱন আৰু জগতক প্ৰকৃতিৰ অখণ্ডৰূপত চাবৰ বাবে প্ৰয়োজন হোৱা সামাজিক দৰ্শন আজি আমাৰ সমাজত অনুপস্থিত। কিন্তু বাস্তৱিকতে সিহে লাগতিয়াল আৰু সত্য। ঐতিহ্য পৰম্পৰাৰ ধজাবাহী অলৌকিকতা নিৰ্ভৰশীল অৱস্থা আমাৰ সমাজৰ মজ্জাগত পৰিণতি। বাস্তৱৰ লগত মুখামুখি হৈও, সংগ্ৰামী জীৱন অতিবাহিত কৰিও, আমি প্ৰতি পদক্ষেপতে চিন্তাৰ বিকাশত স্তব্ধ কৰি দিওঁ। কাৰ্য-কাৰণত প্ৰতিটো সংঘাটৰ লগত জড়িত কৰিব নোৱাৰাটো, ঐতিহ্য পৰম্পৰাৰ অন্যতম কৰুণ ফলশ্ৰুতি। ঐতিহ্যই হেচাঁ মাৰি ধৰি ৰখা মনোগতত, বৈজ্ঞানিক উদ্ভাৱনৰ ক্ষেত্ৰত লাগতিয়াল মানসিক উৰ্বৰতা থকা সম্ভৱ নহয়। সেয়ে আজি বিজ্ঞান বিকাশ ভাৰতীয় সকলৰ বাবে প্ৰাচীন ভাৰতীয় সভ্যতাৰ মাজতে বিকাশৰ ঐতিহাসিক ক্ৰম আজিও ত্বৰান্বিত। জীৱন সংগ্ৰামৰ প্ৰতিটো কাৰ্যতে বাস্তৱৰ মাজেদি জীয়াই আছোঁ যদিও, মনোজগতত ক্ৰিয়া কৰা বাস্তৱ আৰু অলৌকিকতাৰ দ্বন্দ্বত, অলৌকিকতাই প্ৰাধান্য লাভ কৰি আহিছে। ই আমাৰ সামগ্ৰিক সামাজিক ৰোগ, যাক নিৰাময় নকৰিলে আমি কৃত্ৰিম ভাবে চিঞৰি থাকি বিজ্ঞানসম্মত মানসিকতা গঢ়ি তোলা অসম্ভৱ আৰু ফলত বাস্তৱক অনুধাবন কৰাও আমাৰ বাবে সম্ভৱ নহ'ব। ■

সংস্কৃতি

# বাটৰ নাট হওঁক এক সংগ্ৰামী খোজ

সিদ্ধাৰ্থ নাৰায়ণ

যেতিয়াই জনসাধাৰণে নিজৰ প্ৰাপ্যৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে, তেতিয়াই অভিনয়ে প্ৰেক্ষাগৃহৰ মাজত আবদ্ধ হৈ নাথাকি বাটৰ নাটৰ ৰূপত জনগণক নিজৰ অধিকাৰ সম্পৰ্কে সজাগ কৰিবলৈ আগবাঢ়ি গৈছে। ইলেকট্ৰনিক যুগত সৰ্বগ্ৰাসী বুৰ্জোৱা মাধ্যমৰ বিপৰীতে বাটৰ নাট-শোষিতৰ অন্তৰংগ মাধ্যম হৈ পৰিছে। বাটৰ নাটো শোষক আৰু শোষিতৰ মাজৰ সাৰ্বজনীন দ্বন্দৰ দৰে মাধ্যমৰ দ্বন্দ হৈ পৰিছে। ইতিহাসত জনগনক সংগঠিত কৰাত বাটৰ নাটৰ এক উল্লেখযোগ্য ভূমিকা দেখা যায়। ১৯১৭ চনত ঐতিহাসিক ৰুছ সমাজতান্ত্ৰিক বিপ্লৱৰ সময়ত ৰুছ বিপ্লৱী কবি 'মাইকোভস্কি' বিপ্লবী কবিতা সমূহ ৰাজপথত শ্ৰমিকসকলৰ আগত নাটকীয়ভাৱে আবৃত্তি কৰা হৈছিল। তাৰ সফলতাৰ পিছত বিপ্লৱী ৰুছ নাট্যকাৰসকলে শোষক গোষ্ঠীৰ শোষণৰ বিৰুদ্ধে চুটি নাটক ৰচনা কৰি, বাটে-পথে পৰিবেশন কৰি জনসাধাৰক সংগঠিত কৰি ফুৰিছিল। ৰুছৰ সমাজতান্ত্ৰিক বিপ্লৱত এই বাটৰ নাট বা পথ নাটকে বিপ্লৱ আগবঢ়াই নিয়াত বিশেষ বৰঙণি আগবঢ়াইছিল। তাৰ পিছতেই শোষক আৰু শোষিতৰ সংঘাতেৰে আবৃত্ত দেশবিলাকত শোষক গোষ্ঠীৰ ফেচীবাদৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰাত বাটৰ নাট এক অভিনৱ পন্থা ৰূপে চিহ্নিত হ'ল।

আচলতে বাটৰ নাট " এজিট প্ৰপ" থিয়েটাৰৰ অংশ বিশেষ। "এপিক" থিয়েটাৰৰ পিতৃ বাৰ্টোল্ড ব্ৰেখ্‌ট আৰু ৰাজনৈতিক থিয়েটাৰৰ জন্মদাতা এৰভিন পিছকটৰ উদ্যোগত জাৰ্মানিত আৰম্ভ হোৱা এজিট প্ৰপ থিয়েটাৰৰ লক্ষ্য আছিল ফেচীবাদৰ বিৰুদ্ধে জনগণক সজাগ কৰা। ৰাছিয়াৰ ফিউছাৰিষ্ট আন্দোলনৰ প্ৰেৰণাত জাৰ্মানিত আৰম্ভ হোৱা "এজিট প্ৰপ" থিয়েটাৰে ফেচীবাদৰ সৰ্বগ্ৰাহী পদক্ষেপৰ বিৰুদ্ধে জনগণক সজাগ কৰি উত্তেজিত কৰাত আগভাগ লৈছিল। সেয়ে এই জাতীয় নাটকক "এজিট প্ৰপ" (Agitational propaganda) থিয়েটাৰ বোলা হয়। কালক্ৰমত "এজিট প্ৰপ" থিয়েটাৰে বিকাশ লাভ কৰি বাটৰ নাটৰ ৰূপ লৈছে। অৱশ্যে ৰাছিয়া, জাৰ্মানিৰ উপৰি আন বিভিন্ন দেশত দেশৰ সংঘাতময় সময়ত বাটৰ নাট প্ৰদৰ্শিত হৈছে। স্পেইনৰ গৃহযুদ্ধৰ সময়ত বা ভিয়েটনামৰ বিপ্লৱৰ আগৰ সময়ছোৱাত সাম্ৰাজ্যবাদী শাসন- শোষণৰ বিৰুদ্ধে বাটৰ নাটৰ জৰিয়তে জনমত গঠন কৰা হৈছিল। ইংলণ্ডত ১৯৩৩ চনত "দি ৰেড্ প্লেয়াৰ্চ গোষ্ঠীয়ে" মীৰাট কমিনিউষ্ট মাম্‌লাৰ সপক্ষে "মীৰাট" নামৰ বাটৰ নাট প্ৰদৰ্শন কৰিছিল।



চীন দেশত বিপ্লৱৰ আগমুহূৰ্ত্তত চীনৰ মুক্তি বাহিনীয়ে জনগনৰ বিপ্লৱী চেতনা জাগ্ৰত কৰিবলৈ বাটৰ নাটক অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিছিল। ভাৰতত বৃটিছ সাম্ৰাজ্যবাদৰ শাসন -শোষণৰ বিৰুদ্ধে প্ৰতিবাদী আন্দোলন গঢ়ি তোলাত "ভাৰতীয় গণ- নাট্য সংঘই" বাটৰ নাটকক এক সৰল মাধ্যম হিচাবে আত্মপ্ৰকাশ কৰায়। ইয়াৰ উপৰিও কিউবা, নেপাল, পকিস্তান, বাংলাদেশকে ধৰি আন আন দেশতো জনগণৰ জাগ্ৰত কৰাত বাটৰ নাটে বিশেষ ভূমিকা পালন কৰা দেখা যায়।

ৰাষ্ট্ৰযন্ত্ৰৰ নিপীড়ণে জনসাধাৰণৰ মাজলৈ নমাই অনা দুখ-দুদৰ্শাক প্ৰতীকবাদৰ জৰিয়তে উপস্থাপন কৰি শোষিত জনগণক নিজৰ অধিকাৰ সম্পৰ্কে সজাগ কৰাই বাটৰ নাটৰ লক্ষ্য। সেয়ে বাটৰ নাটত এক বিপ্লৱী চৰিত্ৰ বিদ্যমান। দৰাচলতে বাটৰ নাটক প্ৰতিবাদৰ এক জংগী ৰাজনৈতিক নাটক বুলি ক'ব পাৰি। ইয়াৰ কাম জনগনক জগাই তোলা আৰু সংগ্ৰামী মঞ্চত ঐক্যবদ্ধ কৰা। যিহেতু বাটৰ নাটৰ বেছিভাগ দৰ্শক কৃষক, মজদুৰ শ্ৰেণীৰ হয় সেয়েহে নাটকে সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ জীৱন সংঘাতসমূহৰ কাৰণসমূহ সুন্দৰ ভাৱে উপস্থাপন কৰি দৰ্শকক আকৃষ্ট কৰিব পাৰে। যেতিয়া দৰ্শকে নাটকৰ কাহিনীৰ মাজত নিজকে বিচাৰি পায় তেতিয়াই প্ৰকৃত চেতনা জাগ্ৰত হয়, শত্ৰু-মিত্ৰ চিনাক্তকৰণত অসুবিধা নাপায়। আচলতে বাটৰ নাটৰ দৰ্শক হয় বিপ্লৱৰ শিক্ষাৰ্থী মানৱ সম্পদ। সেয়ে মঞ্চ নাটকৰ দৰে বাটৰ নাটত দৰ্শকে, নাটক বিচাৰি আহিব নালাগে, নাটকেহে দৰ্শক বিচাৰি যায়। থোৰতে ইয়াকে ক'ব পাৰি যে বাটৰ নাট জন জাগৰণ আৰু জনশিক্ষাৰ উত্তম মাধ্যম।

ভাৰতত বাটৰ নাটৰ আলোচনা ছফ্‌দৰ হাচমীক বাদ দি সম্ভৱ নহয়। ১৯৭৩ চনত ছফ্‌দৰ হাচমীয়ে জন নাট্য মঞ্চ (জনম) গঠন কৰি জনসাধাৰণৰ জীৱনত সংগ্ৰামৰ সৈতে জন নাট্য মঞ্চক ওতঃপ্ৰোতভাৱে জড়িত কৰায়। শ্ৰমিক, কৃষক, দুখীয়া মধ্যবিত্ত মানুহৰ যন্ত্ৰণাবোৰক লৈ হাছমীয়ে কেবাখনো বাটৰ নাট ৰচনা কৰি জনসাধাৰণৰ ওপৰত পৰিবেশন কৰে। ছফ্‌দৰ হাচমী ৰচিত, জন নাট্য মঞ্চ পৰিবেশিত প্ৰথম নাট "মেছিন"। "মেছিন"ত আছে কাৰখানাত কাম কৰা শ্ৰমিক-মালিকৰ সংঘাত, উৎপাদনৰ সম্পৰ্ক, আৰু শ্ৰমিক ঐক্যৰ আবেদনৰ কথা। নাটকত অভিনয়ৰ জৰিয়তে জনসাধাৰণৰ জীৱন সংগ্ৰামক নিজৰো জীৱন সংগ্ৰাম হিচাবে সৰোগত কৰি, নাটকৰ জৰিয়তে শ্ৰমজীৱি মানুহৰ সংগ্ৰামক প্ৰতিপালিত কৰি প্ৰগতিশীল নাট্য আন্দোলনৰ ধাৰা সৃষ্টিত ছফ্‌দৰ হাচমী আছিল সাংস্কৃতিক কৰ্মক্ষেত্ৰখনৰ এক আপুৰুগীয়া সম্পদ। কিন্তু ১৯৮৯ চনৰ ১ জানুৱাৰী দেওবাৰে, ছাহিদাবাদৰ ঝাণ্ডাপুৰৰ আম্বেদকাৰ পাৰ্কত পত্নী মালা হাচমী আৰু জন নাট্য মঞ্চৰ শিল্পীবৃন্দৰ লগত "হাল্লাবোল" নামৰ বাটৰ নাটখন পৰিবেশন কৰি থকা অৱস্থাত, কংগ্ৰেছ 'ই' সমৰ্থিত ঝাণ্ডাপুৰৰ ৪০ নং ৱাৰ্ডৰ পৌৰসভাৰ নিৰ্বাচনী প্ৰাৰ্থী মুকেশ শৰ্মাৰ গুণ্ডাবাহিনীয়ে অসংখ্য দৰ্শকেৰে পৰিবৃত্ত ৰাজপথত ছফদৰ হাচমীক নিৰ্মমভাৱে হত্যা কৰে। হাচমীৰ লগতে মৃত্যু হয় ৰাম বাহাদুৰ নামৰ এজন স্থানীয় শ্ৰমিকৰ। ছফদৰ হাচমীৰ হত্যাৰ আঁৰত যে এক পৰিকল্পিত ৰাজনৈতিক ষড়যন্ত্ৰ আছে,

যি ইতিমধ্যে গুমৰফাক হৈছে। কলিকতাৰ নাগৰিক সন্মিলনৰ এক সভাত ছফদৰ হাচমীৰ পত্নী মালা হাছমীয়ে ছফদৰ হত্যাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে --"এই আক্ৰমণ কেৱল মতামত প্ৰকাশৰ স্বাধীনতাৰ ওপৰতেই আক্ৰমণ নহয়, এই আক্ৰমণ হাচমীৰ ৰাজনীতিত ওপৰত আক্ৰমণ। তেওঁৰ ৰাজনীতি আছিল জনগণক শোষণ মুক্ত সমাজ গঠনৰ পিনে আগুৱাই নিয়াৰ ৰাজনীতি।" অকল চফ্দৰ হাচমীয়ে নহয়, চীনা বিপ্লৱৰ সময়তো চীন দেশৰ বাটৰ নাট পৰিবেশন কৰি থকা সময়ত বিপ্লৱী নাট্যকৰ্মীসকলৰ শোষণ গোষ্ঠীৰ হাতত মৃত্যু হৈছিল। ১৯৬৫ চনত "সমাজতান্ত্ৰিক ছাল" নামৰ বাটৰ নাট লেখি অভিনয় কৰাৰ অপৰাধত উৎপল দত্ত আৰু জোছন দস্তিদাৰ চৰকাৰৰ পুলিচ বাহিনীৰ হাতত গ্ৰেপ্তাৰ হ'ব লগা হৈছিল।

ওপৰৰ কথাখিনি ৰিশ্লেষণ কৰি চালে দেখা যায় যে বাটৰ নাটকক শোষক শ্ৰেণীয়ে শংকাৰ দৃষ্টিৰে চায়। কাৰণ বাটৰ নাটৰ জৰিয়তে শোষিত জনগনে হৃদয়ৰ মৰ্মস্পৰ্শী আবেদন বিচাৰি পায়। নিজৰ প্ৰাপ্য হেৰুৱাৰ চিত্ৰ দেখিবলৈ পায়। মুনাফালোভী শোষক গোষ্ঠীৰ ষড়যন্ত্ৰ বুজি উঠি জনগনে সচেতনতাৰ ফালে আগুৱাই আহে। শোষকৰ বিৰুদ্ধে সংগ্ৰাম সংগঠিত ৰূপত আগবঢ়াত বাটৰ নাটে বিশেষ ভূমিকা লয়।

এইবিধ নাটকৰ এক যোগাত্মক দিশ হ'ল মুকলি ভাৱে পৰিবেশিত নাটৰ অভিনয় স্থলত চাৰিওফালে অগনন দৰ্শক থাকে। দৰ্শকৰ মাজত থাকিয়েই যিহেতু অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰে সেয়েহে দৰ্শক হৈ পৰে অভিনেতা-অভিনেত্ৰীৰ সহযোগী। তাৰ বাবে দৰ্শক, অভিনেতা আৰু কাহিনী একাত্ম হৈ পৰে। যিটো মঞ্চ নাটকত প্ৰায় নহয়। সেয়েহে জনগণৰ দৈনন্দিন সমস্যাক লৈ ৰচিত নাটসমূহ যিমানেই জনসাধাৰণৰ কাষলৈ যায় সিমানেই শাষক গোষ্ঠী তৎপৰ হৈ পৰে। শাষকসকলে তেতিয়াই জনসাধাৰণক শোষণ কৰাৰ বিভিন্ন কৌশল অৱলম্বন কৰে। আৰু তেনেকৈয়ে বিপ্লৱী কৰ্মীসকলে শাসক গোষ্ঠীৰ ৰোষত পৰি মৃত্যু পৰ্যন্ত আকোৱালী ল'ব লগ হয়।

তথাপিও অনেক ৰাজ্যতেই আজি বাটৰ নাট হৈ পৰিছে সংগঠিত কৃষক, শ্ৰমিক জনসাধাৰণৰ প্ৰতিবাদৰ ভাষা। ইয়াৰ কাৰণ এই মাধ্যমত কাৰ্যকাৰিতা আৰু নিম্নশ্ৰেণী মানুহৰ প্ৰতি দায়বদ্ধতা আছে। যাৰ বক্তব্য সজাগতা ধৰ্মী। কিন্তু অতি পৰিতাপৰ কথা অসমত যিমান গুৰুত্ব আছিল সিমান গুৰুত্ব আজি অসমৰ নাট্য কৰ্মীসকেল দিয়া দেখা নাযায়। আগৰ সময়ছোৱাত শ্ৰদ্ধাৰ নৱেন পাটগিৰি, সীতানাথ লহকৰ, ৰত্ন ওজা প্ৰমুখ্য ব্যক্তিসকলে আৰম্ভ কৰিছিল যদিও সেয়া যথেষ্ট নহ'ল। সেয়ে পৰিস্থিতিৰ গুৰুত্ব বুজি বৰ্তমান সময়ত জনসাধাৰণক এক উত্তোৰণমুখী পথ দিয়াৰ বাবে বাটৰ নাটৰ ভূমিকা যথেষ্ট আছে। বিশেষকৈ গাঁও অঞ্চলত প্ৰগতিশীল চিন্তা চৰ্চাৰে ৰচিত বাটৰ নাটৰ প্ৰদৰ্শনৰ মাজেৰে জনগণক সচেতন কৰাত গাঁও অঞ্চলৰ নাট্যকৰ্মীসকলে দায়বদ্ধ হওক। তাৰ বাবে অসমৰ বিশিষ্ট নাট্যকৰ্মী সকলৰ উপদেশ নবীন নাট্য কৰ্মীসকলৰ উৎসাহ যোগাব বুলি আমি ভাবোঁ। ■



কবিতা

# সাম্প্ৰতিক

-নীলিম কুমাৰ বৰুৱা

মাটি, বতাহ, পানী কিম্বা
মানুহ
ধোৱাঁৰঙী আৱৰণ/ কৈশোৰ কিম্বা পথাৰৰ সেউজীয়া
জোনাক কিম্বা তৰুণ কিশোৰীৰ টগ্‌বগ্ যৌৱন।
০ ০ ০ ০ ০ ০
ৰংহীন প্ৰতিটো জীৱন
অৰ্থনীতি = পুঁজিবাদ + উপনিবেশ
সংস্কৃতি= শোষকৰ সংস্কৃতি কিম্বা পণ্য সংস্কৃতি
ৰাজনীতি= নীতিহীনতা + শোষণৰ অনুঘটক
প্ৰযত্নে;
মুক্ত অৰ্থনীতি, গ্ল'বেলাইজেচন
স্থায়ী ঠিকনাঃ সাম্ৰাজ্যবাদ
য'ত তেজেৰে লুতুৰি- পুতুৰি নিহত যুৱকৰ মৃতদেহত
সাৰ পাই উঠে দেশৰ দোকমোকালি/ সেউজীয়া
নাৰীৰ উচুপনিত ধৰ্ষিতা হয় ৰাতি/ পুষ্টিহীনতাত ভোগা
শিশু/ কামিহাড় জিলিকা কাৰখানাৰ শ্ৰমিক
উজাগৰ কৃষকৰ হুমুনিয়াহত বিমৰ্ষ হয় সময়
যত দেউকা ভগা চৰাইৰ কাকলিত
মধ্যবিত্ত, উচ্ছিষ্টভোগী বুদ্ধিজীৱী, মধ্য ভোগীৰ চুবুৰীত
উদ্‌যাপিত হয়
বুটজোতাৰ গছকত দালালী স্বাধীনতা, সেয়া মোৰ স্বদেশ-
সেয়ে দগ্‌মগকৈ জ্বলি থকা স্বদেশ চেতনাৰ জুইৰ আঙণিত
বিস্ফোৰিত হয় স্বজন
নদীৰ বাঢ়নী ঢল /অৰণ্য কিম্বা পাহাৰ
গাঁৱৰ আলিবাট-কিম্বা শইচ পথাৰ/ সমদল
অথবা সুনীল আকাশৰ চকুত
তৰুণ সপোন;
তেজ, তেজ আৰু তেজ ....
কৰাল মৰা তেজৰ কোষত সাৰ পাই উঠিব বীজ
অংকুৰণ হব সময়ৰ সৰ্বোত্তম ফচল
সমতাৰ চিকুণ পুৱা ------ ■





OKDISCD

কবিতা

# 'পলস'

(ৰাম গগৈদেৱলৈ শ্ৰদ্ধাৰে)

❑ ভদ্ৰেশ্বৰ বড়া

বহুযুগৰ প্লাৱনৰ পিছত
জীপ লৈ উঠিছে মানুহৰ হৃদয়ে হৃদয়ে
পলসুৱা এখন পথাৰ
সূৰ্যস্পৰ্শী দোকমোকালিৰ সন্ধিক্ষণত
ইয়াত গজলিয়াই উঠিব সেউজীয়া স্বপ্ন
কুসুমিত হৈ উঠিব বিক্ষুব্ধিত তেজাল যৌৱন।

পলস সদায় উৰ্বৰা আৰু শস্যসম্ভৰা
পূৰঠ বীজ পৰিলেই ই অংকুৰিত হ'ব ক্ৰমান্বয়ে
সৃষ্টি হ'ব এখন প্ৰাচুৰ্যময় পথাৰ
লহপহাই উঠিব সদ্য-প্ৰজন্মৰ তেজোময় প্ৰতিশ্ৰুতি



সৃষ্টিময় পথাৰৰ অমল প্ৰেৰণা পলস
পথাৰ সৃষ্টি আৰু সংগ্ৰামৰ প্ৰতীক
পলসুৱা পথাৰৰ স'তে মানুহৰ আজন্ম সম্বন্ধ
যিদৰে নদীৰ স'তে বন্ধা আছে
মানুহ আৰু সভ্যতাৰ প্ৰগাঢ় পদচিহ্ন
পথাৰে শিকাইছে মানুহক সংগ্ৰামী হ'বলৈ....!

আহক,
পলসৰ স'তে গঢ়ি লওঁ প্ৰগাঢ়তা
পথাৰ বন্দনাৰে জগাই তুলো সৃষ্টিৰ প্ৰেৰণা
আৰু সংগ্ৰাম মূৰ পাতি লৈ আগবাঢ়ো
মানুহৰ হৃদয়ৰ গভীৰতালৈ....।



সমাজ বিজ্ঞানৰ আদিপাঠ

(১)

# দৰ্শন কি ?

❑ তপন দত্ত



আৰম্ভণি ঃ আদৰ্শবান ব্যক্তিক সমাজে শ্ৰদ্ধা কৰে। আদৰ্শবাদী ব্যক্তিয়েও নিজৰ আদৰ্শত আকোঁৰগোজ হোৱাৰ বাবেই সমসাময়িক সমাজৰ প্ৰতি পক্ষৰ পৰা বহু নিৰ্য্যাতন-নিপীড়নৰ সন্মুখীন হ'ব লগা হয়। ব্যক্তি বুলিলেই নহয় প্ৰতিটো দল বা সংগঠনৰে আদৰ্শগত ভিত্তি থাকে। আদৰ্শহীন দল বা সংগঠন সাধাৰণ চোৰ-ডকাইতৰ দলতকৈ বেছি পৃথক নহয়। তেনেহ'লে এই 'আদৰ্শ' মানে কি? ইয়াৰ ভিত্তি কি?

এই আদৰ্শৰ ভিত্তিয়েই দৰ্শন। দৰ্শনহীন সংগ্ৰাম দৃষ্টিহীন পথিকৰ লক্ষ্যভেদৰ দৰে। দৃষ্টিহীন পথিকে লক্ষ্যভেদ কৰা যিদৰে অসম্ভৱ একেদৰে দৰ্শনহীন ব্যক্তিৰ জীৱনো অসাৰ্থক। যিকোনো সংগ্ৰামৰ ক্ষেত্ৰতে দৰ্শন অপৰিহাৰ্য।

দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ হ'ল Philosophy. এই শব্দটো দুটা গ্ৰীক শব্দ Philos আৰু Sophia ৰ পৰা আহিছে। যাৰ অৰ্থ Philos মানে Love অনুৰাগ, Sophia মানে জ্ঞান Wisdo. অভিধানিক শব্দৰ অৰ্থ অনুযায়ী Philosophy মানে হ'ল Love of wisdom. জ্ঞানৰ প্ৰতি অনুৰাগ।

ভাৰতীয় দৰ্শনত সংস্কৃত 'দৃশ' ধাতুৰ পৰা দৰ্শন শব্দটো আহিছে। 'দৃশ' মানে দেখা। ভাৱবাদী সকলৰ মতে মানস চকুৰে দেখা। কিন্তু বহল অৰ্থত জীৱ আৰু জগতখনক যি দৃষ্টিভঙ্গীৰে চোৱা হয়, দৰ্শনৰ অৰ্থও সেয়ে।

জ্ঞানৰ প্ৰতি মানুহৰ অনুৰাগৰ উৎস ক'ত? প্ৰকৃততে অনুসন্ধিৎসূতা, কৌতূহল নিবাৰণ, মানৱ জাতিৰ অন্যতম সহজাত প্ৰবৃত্তি। অনুসন্ধিৎসূতাই বঢ়াইছে জ্ঞানৰ প্ৰতি অনুৰাগ, কৌতুলহ প্ৰবৃত্তিয়ে ৰহস্যৰ ওপৰত অনুসন্ধান কৰিবলৈ বাধ্য কৰাইছে। পৃথিৱীৰ ৰহস্যবাদৰ ওপৰত অধ্যয়ন আৰু অনুসন্ধানে বহু ৰহস্যৰ ভেদ ভাঙিছে আৰু বহু ৰহস্য, ৰহস্য হৈছে আছে।

এই অধ্যয়ন বা অনুসন্ধান বোলোতে আলোচনা, ব্যাখ্যা, জিজ্ঞাস, সিদ্ধান্ত গ্ৰহণ, সংশয় নিবাৰণ সকলোবোৰেই সোমাই আছে। অধ্যয়ন বোলেতে বুজাইছে সংশ্লেষণাত্মক অধ্যয়ন, যি অধ্যয়নত কোনো বিষয়ৰ ওপৰত সামগ্ৰীক ভাৱে অধ্যয়ন কৰাৰ লগতে অধ্যয়নৰ সিদ্ধান্তৰ সমন্বয়ো ঘটোৱা হয়। প্ৰকৃততে ই এক প্ৰণালীবদ্ধ বা বিজ্ঞাসন্মত অধ্যয়ন।



OKDISCD

দৰ্শনৰ উৎপত্তি আৰু ইয়াৰ উত্তৰণৰ মূলতে আছে মানুহৰ জ্ঞানৰ প্ৰতি অনুৰাগ, নজনাক জনাৰ আগ্ৰহ। পৃথিৱীত মানুহ সৃষ্টিৰ পিছতহে দৰ্শনৰ উৎপত্তি হৈছে। সেয়েহে মানুহৰ জন্ম বৃত্তান্ত জনাটো দৰ্শন জনাৰ বাবে অন্যতম পূৰ্বচৰ্ত (এই পৃথিৱী কেনেকৈ সৃষ্টি হ'ল, পৃথিৱীত মানুহৰ জন্ বিস্তাৰ কেনেকৈ হ'ল এই সম্পৰ্কৰ পাছত আলোচনা কৰা হৈছে।) মানুহৰ জন্ম বৃত্তান্তৰ প্ৰসংগ পিছলৈ ৰাখি আমি আলোচনা কৰিব খুজিছো আদিম মানৱ সমাজত দৰ্শনৰ উৎপত্তি কেনেকৈ হ'ল।

অনাদি অনন্তকালৰে পৰা প্ৰকৃতিৰ আশ্চৰ্য্যজনক, বিস্ময়কৰ, ৰহস্যময় আৰু কেতিয়াবা আনন্দদায়ক ঘটনা সমূহৰ লগত মানৱজাতি পৰিচিত হৈ আহিছে। আকাশৰ ৰামধেনু, ডাৱৰেৰে পূৰ্ণ আকাশত বিজুলিৰ চিকমিকনি, পুৱাৰ ৰেণুফাটৰ দৃশ্য, ধুমকেতু, হাটি পটি, চন্দ্ৰগ্ৰহণ, সূৰ্য্য গ্ৰহণ, ধুমুহ-বতাহ, মুষলধাৰাৰ বৰষুণ, বাৰিষাৰ বানপানী, ভূইকঁপ ইত্যাদি অসংখ্য ঘটনাৰাজীয়ে আদিম মানৱজাতিক কেতিয়াবা আনন্দ দিছিল, কেতিয়াবা দিছিল দুখ-ভয়, আশ্বৰ্য্য। জ্ঞানৰ উত্তৰণ নঘটা এই মানৱ প্ৰজাতিয়ে বুজি পোৱা নাছিল— কিয় ৰামধেনু ওলায়, বৰষুণ কিয় পৰে ইত্যাদি। বহু হাজাৰ বছৰ ধৰি পুৰুষানুক্ৰমিক ভাবে মানুৱ প্ৰজাতিয়ে এই প্ৰকৃতিৰ ঘটনাৰাজিক মগজুত স্থান দিছিল। কিন্তু কিয় এনে হয় সেই ৰহস্যৰ উত্তৰ পাবলৈ তেওঁলোকে অসমৰ্থ হৈছিল।

প্ৰকৃতিৰ ঘটনাৰাজিৰ কাৰণ জানিবলৈ আদিম মানৱ প্ৰজাতিয়ে চেষ্টা কৰিছিল। কিন্তু সেই ৰহস্যৰ ভেদ ভাঙিব পৰাকৈ মানুহৰ জ্ঞান নাছিল। প্ৰকৃতিৰ ওচৰত এই অসহায়তা (Helpless) আৰু জ্ঞানৰ অভাৱেই "আদিম চিন্তনৰ" জন্ম দিছিল। আদিম মানৱ প্ৰজাতিয়ে এই প্ৰাকৃতিক ঘটনাসমূহৰ কোনো কাৰণ উদঘাটন কৰিব নোৱাৰি কোনোৱা এক অজান নামহীন শক্তিয়ে এই ঘটনা বিলাক পৰিচালিত কৰিছিল বুলি তেওঁলোকে ধাৰণা উপজিছিল। এই অজান শক্তিৰ ধাৰণাই আজিৰ সমাজত প্ৰচলিত ঈশ্বৰ, ভগৱান, আল্লা, বিশ্বনিয়ন্তা আদিৰ ধাৰণা আনিছে, যি ৰহস্যবাদ, ধৰ্মৰ প্ৰধান ভিত্তি। আদিম মানৱৰ কোনো এক অজান বিশ্ব নিয়ন্তাৰ ওপৰত যি নিৰ্ভৰশীলতা, সেই ভিত্তিতেই গঢ়ি উঠিছে দৰ্শনৰ প্ৰথম খোজ।

প্লেটোৰ মতে, "দৰ্শনৰ উৎস আছিল আশ্চৰ্য্য আৰু বিস্ময়।'

**দৰ্শনৰ উত্তৰণ আৰু প্ৰকৃতি ঃ**

পৃথিৱীখন এটাকাছৰ ওপৰত আছে আৰু কাছটোৱে লৰচৰ কৰিলেই ভূমিকম্প হয়। আদম আৰু ইভ্ নামৰ দুগৰাকী পুৰুষ মহিলাক ভগৱানে মৰ্তালৈ (পৃথিৱীলৈ) পঠাই দিছিল আৰু তেওঁলোকৰ বংশ বৃদ্ধি হৈ পৃথিৱীত মানুহ জাতিৰ সৃষ্টি হ'ল। আদম আৰু ইভে জ্ঞান বৃক্ষৰ ফল খোৱাৰ বাবে মানুহে জ্ঞান পালে। এনেধৰণৰ ঈশ্বৰে মানুহ সৃষ্টি কৰা সম্পৰ্কত বহুতো উপকথা, সাধু, ধৰ্মীয় গ্ৰন্থ, মহাকাব্য,ত উপনিষদ আদিত পোৱা যায়। পৃথিৱীৰ প্ৰতিটো সভ্যতাৰ ইতিহাসৰে আদিম অৱস্থাত এনে এক বিশ্বনিয়ন্তাৰ ধাৰণাৰ আত্মপ্ৰকাশ ঘটে। দৰ্শনৰ উৎপত্তিৰ এই সাধাৰণ ধাৰণা আৰু দাৰ্শনিক চিন্তাৰ প্ৰাথমিক উপাদানবোৰ সকলোজাতি, সকলো মানৱ সভ্যতাৰ ইতিহাসত পোৱা যায়।

পৰিশেষত সিদ্ধান্ত হিচাবে ক'ব পাৰি— জীৱ আৰু জগতৰ ৰহস্যৰ সম্পৰ্কত (ধৰ্মও য'ত অন্তৰ্গত) সামগ্ৰিম জ্ঞান লাভ কৰিবলৈ যি সংশ্লেষাত্মক অধ্যয়ন চলোৱা হয় সেয়াই দৰ্শন। আমি



আগতেই উল্লেখ কৰিছো যে প্ৰাচীন কালতেই দৰ্শনে দেখা দিছিল। যেতিয়া মানুহে জগতৰ প্ৰকৃতিৰ ৰহস্য সম্পৰ্কে বিশ্বৰ বুকুত আত্মাৰ স্থান সম্পৰ্কে কৰিবলৈ আৰম্ভ কৰিছিল। দৰ্শনৰ সমগ্ৰ উত্তৰণৰ ধাৰাটো পৰ্যালোচনা কৰিলে বৰ্তমানেও দৰ্শনক আমি মূল দুটা ভাগত ভাগ কৰিব পাৰো।

১। ভাৱবাদী দৰ্শন ২। বস্তুবাদী দৰ্শন।

দৰ্শনৰ সমগ্ৰ ইতিহাসেই হৈছে এই দুই ধাৰাৰ মাজৰ সংগ্ৰামৰ ইতিহাস। এই দুই ধাৰাৰ মাজৰ সংগ্ৰামৰ মাজেদিয়েই দৰ্শনে গতি লাভ কৰিছে আৰু গতি লাভ কৰিবলৈ বাধ্য।

## (২)

# ভাৱবাদ আৰু বস্তুবাদ

দৰ্শনৰ সমগ্ৰ ইতহাসেই হৈছে দুই ধাৰাৰ মাজৰ সংগ্ৰামৰ ইতিহাস। এটা হৈছে ভাৱবাদ আৰু আনটো বস্তুবাদ।

ভাৱদাবে চেতনাক আগস্থান দিয়ে—অৰ্থাৎ 'চেতনাইহে বস্তু সৃষ্টি কৰে, এনে এক দৃষ্টিভংগীৰে বিশ্বপ্ৰকৃতি আৰু মানৱ সমাজক বিশ্লেষণ কৰে। ভাৱবাদৰ মচে চেতনাৰ সৃষ্টি বস্তুৰ আগত। এই তত্ত্ব অনুযায়ী কোনো এক বিশ্ব নিয়ন্তাই (ঈশ্বৰ, গড়,আল্লা) এই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰিলে। আৰু সৃষ্টি কৰিলে পৃথিৱীৰ। এই পৃথিৱীত বা বিশ্ব ব্ৰহ্মাণ্ডত ভগবানেই জীৱবো সঞ্চাৰ কৰিলে। এই সমগ্ৰ জীৱ-জগতৰ মূলতে আছে এক পৰমাত্মা, আৰু এইপৰমাত্মাই প্ৰতিটো জীৱ দেহত আত্মাৰ সঞ্চাৰ কৰিলে। জীৱৰ মৃত্যুৰ পাছত এই আত্মাগৈ পৰমাত্মাত বিলীন হয়। জন্ম-মৃত্যু সকলো এই নিৰাকাৰ বিশ্ব নিয়ন্তাৰ ইচ্চা অনিচ্ছাৰ ফল। দুখ, দাৰিদ্ৰ্য, সুখ-সম্ভোগৰ মূল নিয়ন্ত্ৰকো এই বিশ্ব নিয়ন্তাই। পূৰ্ব জন্মৰ কৰ্মফল অনুযায়ী সকলোৱে এই সংসাৰত জন্ম লৈ দুখ-সুখ ভোগ কৰিব লগা হয়। দুখ-দাৰিদ্ৰ্য সেয়েহে মানুহৰ অৱশ্যম্ভাৱী ফল, তাত মানুহৰ কোনা হাত নাই। ৰজা, মহাৰজা সকলক ঈশ্বৰে তেওঁৰ প্ৰতিনিধি স্বৰূপেমৰ্তলৈ পঠায় আৰু সেয়েহে প্ৰজা সাধাৰণে তেওঁৰ নিৰ্দেশ আইন বুলি পালন কৰিবই লাগিব। দাস সমাজ ব্যৱস্থা আৰু সামন্তীয় সমাজ ব্যৱস্থাত এনে দৃষ্টিভঙ্গীয়েই মূল দাৰ্শনিক দৃষ্টিভঙ্গী আছিল। ইউৰোপত ধৰ্মযাজক পোপে সেয়ে ইণ্ডালজেন্স কাকত বিক্ৰি কৰি প্ৰজাসাধাৰণে মুক্তিত লাভ কৰিব পাৰিব বুলি অদ্ভুত যুক্তি দি ধন অৰ্জন কৰিছিল।

মুঠ কথা হ'ল ভাৱবাদী দৰ্শনে সমাজৰ স্তৰ সমূহত শোযিত শ্ৰেণীয়ে সমাজপৰিবৰ্তন কৰিব বিচৰা চেষ্টাক সদায় বাধা দি আহিছে আৰু শোষক শ্ৰেণীক ৰক্ষণা-বেক্ষণ দি আহিছে। এই দাৰ্শনিক তত্বই যুগে যুগে ধৰ্ম, যুগে যুগে ধৰ্মাৰতাৰ বা ঈশ্বৰ এনে বহু অন্ধবিশ্বাসৰ জন্ম দি আহিছে।

ইয়াৰ বিপৰীতে বস্তুবাদে কৈছে—

বস্তুৰ অস্তিত্ব প্ৰথম আৰু মুখ্য, চেতনা গৌণ। বস্তুহীন চেতনা সম্ভৱ নহয়। বস্তুৱে চেতনা সৃষ্টি কৰে। অৰ্থাৎ যি তত্বই 'বস্তুক আদি' আৰু 'বস্তুৱে চেতনা সৃষ্টি কৰে" এনে সিদ্ধান্তত উপনীত হৈ বিশ্ব



OKDISCD

প্ৰকৃতি আৰু মানৱ সমাজক বিশ্লেষণ কৰিব বিচাৰে সেয়াই বস্তুবাদী দৰ্শন।

দৰ্শনৰ স্বৰূপ উপলব্ধি কৰিবলৈ দুটা প্ৰশ্নৰ ব্যৱহাৰ কৰা হয়— (১) বস্তুৰ প্ৰথম সৃষ্টি নে চেতনা প্ৰথম সৃষ্টি।

(২) বস্তুৱে চেতনা সৃষ্টি কৰে নে চেতনাই বস্তু সৃষ্টি কৰে। এই প্ৰশ্নৰ উত্তৰ যদি আহে—বস্তু প্ৰথম, বস্তুৱে চেতনা সৃষ্টি কৰে তেন্তে সেয়া বস্তুবাদ। যদি এই প্ৰশ্নৰ উত্তৰ হয় যে চেতনা প্ৰথম চেতনাইহে বস্তু সৃষ্টি কৰে সেয়াহ'ল ভাববাদ।

সেয়ে বস্তুবাদী দৰ্শনে যুগে যুগে ধৰ্ম, যগে যুগে ধৰ্মাৱতাৰ ঈশ্বৰ আদি ধাৰাবোৰক সদায় বিৰুদ্ধাচৰণ কৰে আৰু সমাজৰ পৰিবৰ্তনৰ বাবে শ্ৰমজীৱী মানুহক সংগ্ৰাম কৰি সমাজ পৰিবৰ্তন কৰিবলৈ প্ৰেৰণা যোগায়।

আজিৰ পৰিস্থিতিটো দৰ্শনৰ এই দুই ধাৰাৰ মাজত দ্বন্দ্ব বিদ্যমান। ভাৱধাদৰ আধুনিক প্ৰবক্তা সকলে সেয়ে মানুহৰ বৈযয়ীক কাম-কাজত গুৰুত্ব দিয়াৰ বিপৰীতে মানুহৰ উচ্চ নৈতিকতাবোধৰ কথা কয় (কিন্তু এই নৈতিকতাবোধ সৃষ্টিৰ বাবে প্ৰয়োজনীয় পৰিবেশ সৃষ্টিক অস্বীকাৰ কৰে), সমাজ বিবৰ্তনৰ কথা কয় অথবা সমাজক নিজে নিজে পৰিবৰ্তন হবলৈ এৰি দি নিজে দায়িত্ব শূণ্য হৈ নিৰলস জীৱন অতিবাহিত কৰিব বিচাৰে। ইয়াৰ বিপৰীতে বস্তুবাদী সকলে সমাজক ৰূপান্তৰ, সলনি কৰিবলৈ সংগ্ৰাম কৰে। তাৰ বাবে কানো বিশ্বনিয়ন্তাৰ হাতত সমাজৰ বিবৰ্তন হবলৈ এৰি দিব নিবিচাৰে।

যিহেতুকে চেতনা আৰু বস্তুৰ অস্তিত্বই দৰ্শনৰ মূল প্ৰতিপাদ্য বিষয় হৈ পৰিছে সেয়েহে উপৰোক্ত প্ৰশ্নৰ সমাধান আমিও বিচাৰিব লাগিব।

বস্তু প্ৰথম ঃ চেতনা বস্তুৰ সৃষ্টি

আমাৰ চৌপাশৰ পৰিবেশত দেখা নানা তৰহৰ সামগ্ৰীয়েই কেৱল মাত্ৰ বস্তু নহয়। দাৰ্শনিক দৃষ্টিভঙ্গীত বস্তুৰ সংজ্ঞা হ'ল— 'অনাদি অনন্ত কালৰ গৰ্ভত অসীম স্থান ব্যাপি থকা গতিশীল দ্ৰব্য সম্ভাৰ।''

এই বস্তুৰ কিছুমান সাধাৰণ গুণ আছে, যিখিনি গুণ বিজ্ঞান ভালদৰে বুজিবলৈ অতি প্ৰয়োজনীয়। যেনে—

১। বস্তু সদায় গতিশীল।

২। বস্তু আৰু গতিৰ বিনাশ নাই।

৩। স্থান আৰু কাল গতিশীল বস্তু বৰ্তি থকাৰ অন্যতম ধৰণ।

**১। বস্তু সদায় গতিশীল ঃ** এটা প্ৰকাণ্ড শিল কি দৰে গতিশীল? ই দুই ধৰণে গতিশীল প্ৰথম, পৃথিৱীৰ নিজস্বা গতিৰ লগে লগে শিটোৱেও গতি লাভ কৰে। দ্বিতীয়তে, শিলটোৰো ক্ষুদ্ৰ ক্ষুদ্ৰ অনু-পৰমাণু ইলেকট্ৰন, প্ৰট'ন আদি অবিৰাম গতিত গতিশীল। প্ৰতিটো বস্তুৰ ক্ষেত্ৰতেই অনু-পৰমাণু ইলেকট্ৰন আদি ভাগ ভাগ হৈ ক্ষুদ্ৰাদি ক্ষুদ্ৰ অনু-পৰামাণু ইলেকট্ৰন আদি সৃষ্টি কৰি আছে আৰু এইদৰে বৃহত্তম অনু-পৰমাণু ইলেকট্ৰনৰ সৃষ্ট কৰিছে। এনেদৰে পুৰণিৰ লয় আৰু নতুনৰ সৃষ্টিৰ মাজেৰে বস্তুৱে



গতিশীলতা লাভ কৰিছে।

**২। বস্তু আৰু গতিৰ বিনাশ নাই ঃ** প্ৰকাণ্ড প্ৰকাণ্ড শিল ভাঙি ব'ল্ডাৰ আৰু বিভিন্ন ৰূপৰ Metal Cheep বনোৱা হয় আৰু ইয়াক ভাঙি গুড়ি কৰি বালি তৈয়াৰ কৰা হয় ইত্যাদি। বস্তু এটা ৰূপৰ পৰা আন এটা ৰূপলৈ পৰিৱৰ্তন কৰিব পাৰি। কিন্তু ইয়াৰ বিনাশ নহয়। প্ৰকাণ্ড শিলৰ পৰা বালি হয়, ইয়াত শিলটোৰ নিজস্ব ৰূপ বালিলৈ ৰূপান্তৰ হ'ল। কিন্তু শিলটোৰ মূল পৰিমাণ একেই থাকিল।

এটা গতিশীল অৱস্থাত থকা শিল আন এটা শিলত ঠেকা খালে জুইৰ সৃষ্টি হ'ব আৰু তাৰ পৰা পোহৰ ওলাব। শিলটোৰ গতি শক্তি ঘৰ্ষণ, পোহৰ আৰু তাপ সৃষ্টিৰ মাজেৰে অন্য গতিশক্তিলৈ ৰূপান্তৰিত হয়।

বস্তুৰ অস্তিত্ব প্ৰথম আৰু মুখ্য, চেতনা হ'ল গৌণ। বস্তুহীন চেতনা সম্ভৱ নহয়। বস্তুৱে চেতনা সৃষ্টি কৰে। অৰ্থাৎ যি তত্বই 'বস্তুক আদি' আৰু 'বস্তুৱে চেতনা সৃষ্টি কৰে'' এনে সিদ্ধান্তত উপনীত হৈ বিশ্ব প্ৰকৃতি আৰু মানৱ সমাজক বিশ্লেষণ কৰিব বিচাৰে সেয়াই বস্তুবাদী দৰ্শন।

দৰ্শনৰ স্বৰূপ উপলব্ধি কৰিবলৈ দুটা প্ৰশ্নৰ ব্যৱহাৰ কৰা হয়। — (১) বস্তু প্ৰথম সৃষ্টি নে চেতনা প্ৰথম সৃষ্টি। (২) বস্তুৱে চেতনা সৃষ্টি কৰে নে চেতনাই বস্তু সৃষ্টি কৰে। এই প্ৰশ্নৰ উত্তৰ যদি আহে বস্তু প্ৰথম, বস্তুৱে চেতনা সৃষ্টি কৰে তেন্তে সেয়া বস্তুবাদ। যদি এই প্ৰশ্নৰ উত্তৰ হয় যে চেতনা প্ৰথম চেতনাইহে বস্তু সৃষ্টি কৰে সেয়া হ'ল ভাৱবাদ।

**৩। স্থান আৰু কাল গতিশীল বস্তু বৰ্তি থকাৰ অন্যতম ধৰণ ঃ** বস্তুৱে সদায় স্থান জুৰি থাকে। এই স্থানৰ পৰাই আমি বস্তুৰ অৱস্থিতি আৰু অন্য বস্তুবোৰৰ মাজৰ পৰা দূৰত্ব বুজিব পাৰো। বিশ্ব জগতত বস্তুৰ এই স্থান অসীম।

প্ৰতিটো বস্তুৰেই অতীত, বৰ্তমান আৰু ভৱিষ্যত আছে। এটা প্ৰকাণ্ড শিলৰ পৰা যেতিয়া সৰু শিলগুটি সৃষ্টি হয়, প্ৰকাণ্ড শিলটো হ'ল অতীত, বৰ্তমানটো হ'ল সৰু শিলটো আৰু ইয়াৰ গতি ভৱিষ্যতৰ ফালে, অৰ্থাৎ সেই সৰু শিলটোক পুনৰ ভাঙিলে ই বালিলৈ ৰূপান্তৰ হ'ব। সকলো বস্তুৰেই এটা কাল আছে। সকলো বস্তুৰেই এটা কালত আৰ্বিভাৱ হয়, কাল অনাদি অন্ত (ইয়াৰ কোনো আৰম্ভণি বা সমাপ্তি নাই)

চেতনা কি?

জৈৱ প্ৰকৃতিৰ সকলো বস্তুৰেই (প্ৰাণীৰ) দৈহিক, ইন্দ্ৰিয়, স্নায়ুৰ গঠন একে নহয় আৰু সকলোৰে এই গঠন উন্নতও নহয়। বিভিন্ন পৰ্যায়ৰ মাজেৰে আহি একমাত্ৰ মানুহেহে এক উন্নত স্নায়ুৰ গঠন, ইন্দ্ৰিয়ৰ গঠন আৰু মগজুৰ গঠন লাভ কৰিছে। সেয়েহে চেতনাৰ প্ৰসঙ্গত কেৱল মানুহৰ কথাকে আমি উল্লেখ কৰিম।

চেতনা হ'ল মানুহৰ মগজুত বস্তুৱে সৃষ্টি কৰ বিশেষভাৱে বিকশিত আৰু জটিল বস্তুৰ এটা গুণ। চেতনা কিন্তু নিজে এটা বস্তু নহয়। কিন্তু জ্ঞানৰ প্ৰক্ৰিয়া বিশ্লেষণত চেতনাৰ এক গুৰুত্বপূৰ্ণ স্থান আছে।



OKDISCD

জোনাক নিশাৰ অস্পষ্ট পোহৰত কেতিয়াবা সাধাৰণ ৰচি এডালকে এডাল সাপ বুলি ভ্ৰম হয়। সাপ এডাল দেখিলে স্বয়ংক্ৰিয়ভাৱে আমাৰ ভৰি থমকি ৰয় বা পিছুৰাই যায়। কাৰণ বস্তুময় জগতখনত ঘটি থকা বিভিন্ন ঘটনাৰাজীয়ে মানুহৰ মগজুত ঘটোৱা প্ৰতিফলনৰ ফলত মানুহৰ বিমূৰ্ত্ত চিন্তাৰ সৃষ্টি হয়। ইয়েই প্ৰথম পৰ্যায়ৰ জ্ঞান।

এই জ্ঞানৰ ওপৰত পুনৰ অনুশীলন আৰম্ভ হ'লে জ্ঞানে প্ৰসাৰতা লাভ কৰে। চেতনা হ'ল — আমাৰ চৌপাশে বস্তুময় জগতখনত সংঘটিত ঘটাই আৰু বিভিন্ন বস্তুৱে আমাৰ মগজুত প্ৰতিফলনৰ সৃষ্টি কৰি হেৱা বিমূৰ্তজ্ঞান।

**জড় বস্তু আৰু জীৱিত বস্তু ঃ**

জড় বস্তু আৰু জৈৱ বস্তু সকলো বস্তুৱেই গতিশীল বা পৰিৱৰ্তনশীল অন-পৰমাণুৰ সমষ্টি। হ'লেও জড় বস্তু আৰু জৈৱ বস্তুৰ মাজত এক গুণগত পাৰ্থক্য আছে। সেই পাৰ্থক্য হ'ল জীৱিত বা জৈৱ বস্তুৰ জৈৱিক প্ৰক্ৰিয়া চলি থাকে। (এই জৈৱিক প্ৰক্ৰিয়া হ'ল জৈৱ দেহ এটাৰ দেহ কোযবোৰে প্ৰকৃতিৰ পৰা প্ৰয়োজনীয় উপাদান আকৰ্যণ আৰু আহৰণ কৰি থাকে আৰু অপ্ৰয়োজনীয়বস্তুবোৰ এৰি দিয়ে। এই প্ৰক্ৰিয়া হৈছে নতুন কোষ গঠনৰ প্ৰক্ৰিয়া য'ত দেহটো গেলি পচি নাযায়।) অন্যহাতে জড় বস্তুৰ এই জৈৱিক প্ৰক্ৰিয়া নচলে। জৈৱ বস্তু এটাৰ এই জৈৱিক প্ৰক্ৰিয়া বন্ধ হৈ গ'লে ই জড় বস্তু হৈ পৰে।

জৈৱ প্ৰকৃতিৰ বস্তুৰহে চেতনা থাকে (যেনে—মানুহ, গৰু, হাতী ইত্যাদি)

জড় প্ৰকৃতিৰ বস্তুৰহে চেতনা নাথাকে (যেনে—এডোখৰ কাঠ, এটা শিলগুটি)

ভাৱবাদী দৰ্শনৰ মতে জড় পদাৰ্থত জীৱ বা আত্মাই আহি থিতাপি ল'লে জড় বস্তু, জৈৱ হৈ পৰে।

বস্তু আৰু চেতনা সম্পৰ্কীয় এইখিনি পূৰ্বধাৰণা লৈ আমি নিজৰ মাজতো তৰ্ক কৰোঁ আহক—

১। মানুহৰ চিন্তাৰ উৎস কি— বস্তু নে চেতনা?

২। মানুহৰ জ্ঞানৰ প্ৰথম ধাপ কি—বস্তু নে চেতনা?

৩। বস্তু বিহীন চেতনা বা জ্ঞান বা চিন্তা অহাটো সম্ভৱ নে?

৪। পৃথিৱীত প্ৰথম, বস্তুৰ সৃষ্টি নে চেতনাৰ সৃষ্টি হৈছিল?

৫। দুটা একে দিনাই জন্ম হোৱা শিশুক (দুয়ো জনেই সম্পূৰ্ণ নিৰোগী বুলি স্বীকৃত) এটাক এটা বন্ধ কোঠাৰ ভিতৰত আনটোক বহিঁ সমাজৰ সংস্পৰ্শত ডাঙৰ হ'বলৈ দিয়া হ'ল। অৰ্থাৎ এজন বস্তুময় জগতখনৰ লগত ভালদৰে পৰিবৰ্তিত আনজনক নহয়।

প্ৰশ্ন হ'ল— ১। সমাজ সম্পৰ্কীয় চেতনা কাৰ সৰ্বাধিক হ'ব আৰু কিয়?

২। জ্ঞানৰ প্ৰসাৰ কাৰ বাঢ়িব আৰু কিয়?

৩। চেতনাই যদি আদিমূল, বস্তুগত জগতখন যদি গৌণ, দুয়োজনেই সমান জ্ঞান সম্পন্ন হ'ব নালাগিছিলনে?



(৩)

# ভাৱবাদ আৰু বস্তুবাদৰ সংঘাত ঃ

## চেতনা আৰু বস্তুৰ দ্বন্দ্ব

দুটা শিশু জন্ম হৈছে একে সময়তে। দুয়োজনেই নিৰোগী বুলি স্বীকৃত। এটা শিশুক এটা বন্ধ কোঠাৰ ভিতৰত,কেৱল মাত্ৰ জীয়াই থকাৰ বাবে খাদ্যটোহে দি ডাঙৰ হ'বলৈ দিয়া হ'ল। আনটো শিশুক বস্তুময় বাস্তৱ জগতখনত সাধাৰণভাৱে ডাঙৰ-দীঘল হ'বলৈ দিয়া হ'ল। দুয়োজনেই বয়সৰ হিচাপত প্ৰাপ্তবয়স্ক হৈ গ'ল। আমাৰ পৰীক্ষা আৰম্ভ কৰোঁ। আমাৰ স্বাভাৱিক জ্ঞান বুদ্ধিৰেই আমি সিদ্ধান্তত উপনীত হ'ব পাৰিম যে, বন্ধ কোঠাত ডাঙৰ হোৱাজন বস্তুময় বাস্তৱ জগতখনত সাধাৰণভাৱে ডাঙৰ হোৱা জনতকৈ জ্ঞান বুদ্ধি চেতনাৰ দিশত পিছপৰা হ'ব। কিয়নো বন্ধ কোঠাৰ পৰিৱেশে বস্তুময়(বাস্তৱ) জগতখনৰ লগত তেওঁক পৰিচয় কৰোৱাব নোৱাৰিলে। সেই একেই কাৰণত জীৱ-জন্তুৰে ভৰপূৰ মানুহৰ সংস্পৰ্শহীন ঘন অৰণ্যত ডাঙৰ হোৱা টাৰ্জানে(যদিও কাহিনী, পটভূমিৰ বাস্তৱতা আছে)। কেৱল জন্তুৰ মাতহে বুজি পাইছিল।

কিন্তু যজিন শিশু বস্তুময় জগতখনৰ লগত নিবিড় সম্পৰ্কিত, তেওঁৰ চেতনাৰ, চিন্তাৰ, জ্ঞানৰ পৰিসৰ স্বাভাৱিকতে বেছি হ'ব। আমেৰিকাৰ এজন শিশু আৰু অসমৰ জকাইচুকীয়া গাৱঁৰ এজন শিশুৰ মাজত চিন্তা-চেতনা-জ্ঞানৰ পাৰ্থক্য আছে। আমেৰিকাৰ উন্নত প্ৰযুক্তিবিদ্যাৰ পৰিৱেশে শিশুসকলক বহু কথা আগতীয়াকৈ জনাৰ সুযোগ দিয়ে। "মানুহ পৰিৱেশৰ দাস" এই কথাষাৰ ইয়াৰলগতসম্পৰ্কযুক্ত।

জুয়ে পোৰে বুলি চেতনা নহালৈকে শিশুৰ জুইৰ প্ৰতি আকৰ্যণ বেছি, কিন্তু যিদিনাই জুয়ে পোৰা বাস্তৱ শিক্ষাই শিশুক চেতনা আনি দিব সেইদিনাৰ পৰাই জুয়ে পোৰাৰ একে বাস্তৱ জ্ঞান শিশুটোৱে পাব। যদি শিশুটোক খৰিৰ জুয়েহে পুৰিছিল তথাপিও তাৰ চিন্তাই প্ৰসাৰতা লাভ কৰি এটা সিদ্ধান্তত আহিব যে খৰিৰ জুই বুলিয়েই নহয়, চাকিৰ জুই, মমৰ জুই আদিয়েও পোৰে। ইয়াৰ জৰিয়তে তেওঁ এক সাধাৰণ (common) সিদ্ধান্তত আহিব যে জুয়ে পোৰে। ইয়েই জ্ঞান।

মানুহে লাভ কৰা প্ৰতিটো জ্ঞানেই এনেদৰেই বাস্তৱৰ পৰা আহৰিত। অৱশ্যে বাস্তৱৰ পৰা আহৰিত জ্ঞানৰ লগত মানুহৰ চিন্তাৰ সংমিশ্ৰণ ঘটাই উচ্চস্তৰীয় জ্ঞানলৈ গতিলাভ কৰে।

আপেল গছজোপাৰ পৰা আপেলটো সৰিপৰা দেখি নিউটনে মাধ্যাকৰ্যণ শক্তিৰ আৱিষ্কাৰ কৰিলে। নিউটনে মাধ্যাকৰ্যণ শক্তিৰ আৱিষ্কাৰ কৰাৰ আগতেও বহু মানুহেই গছৰ ফল সৰা দেখিছিল। কিন্তু সকলোৱে মাধ্যাকৰ্যণ শক্তি আৱিষ্কাৰ কৰিব নোৱাৰিলে।



OKDISCP

কিয়ঃ ভাববাদীসকলে ক'ব---নিউটন অছিল ঐশ্বৰিকচেতনাসম্পন্ন আৰু সেয়ে তেওঁৰ চেতনাই তেওঁক অসাধাৰণ জ্ঞানৰ অধিকাৰী কৰিছিল।

নিউটনৰ চেতনা উদয় হোৱাৰ মূলতে যদি ঈশ্বৰ হয়, তেনেহ'লে এই জ্ঞান (মাধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰ) নিউটনে জন্ম হৈয়ে দিলেহেঁতেন বা তাৰ বাবে আৰু পৰীক্ষা-নিৰীক্ষা কৰাৰ প্ৰয়োজন নাছিল। কিন্তু তেওঁ পৰীক্ষা নিৰীক্ষাকহে আগস্থান দিছিল। নিউটনৰবাবে প্ৰত্যক্ষ বস্তুগত অভিজ্ঞতা হ'ল আপেল সৰিপৰাটো। আপেলটো সৰিপৰা দেখিহে তেওঁৰ মগজুলৈ চিন্তা আহিছিল। অৰ্থাৎ, আপেল তললৈ সৰিপৰাৰ যি বাস্তৱ ঘটনা, এই ঘটনাটোৱেই তেওঁৰ মগজুলৈ চিন্তা আনিছিল। সেই চিন্তাইহে চেতনা আনি দিছিল বা ই জ্ঞানৰ পৰ্যায়লৈ গতি কৰিছিল যে "মাধ্যাকৰ্ষণ শক্তিৰ ফলত যি কোনো বস্তুৱেই পৃথিৱীৰ গালৈ আকৰ্ষিত হয়।"

নিউটনৰ দৰে তেওঁৰ পূৰ্বচামৰ মানুহে চেতনাপ্ৰাপ্ত নোহোৱাৰ মূলতে হ'ল---বস্তুগত বা বাস্তৱ ঘটনাৰ ওপৰত তেওঁলোকে প্ৰকৃত সত্যৰ সন্ধান কৰিব নোৱাৰাটো, ঘটনাক সত্যভাৱে বিশ্লেষণ কৰিব নোৱাৰাটো। প্ৰকৃত সত্য উদঘাটন কৰিবৰ বাবে পূৰ্ব জ্ঞানৰ প্ৰয়োজন। সেই পূৰ্ব জ্ঞান অবিহনে সত্যক উদঘাটন কৰিব নোৱাৰি। মানুহে এতিয়ালৈকে লাভ কৰা অধিকাংশ জ্ঞানেই পূৰ্ব জ্ঞানৰ ওপৰত আধাৰিত। জ্ঞানৰ অনুশীলনৰ জৰিয়তে মানুহে ক্ৰমে ক্ৰমে উচ্চস্তৰীয় জ্ঞানলৈ গতি কৰিছে।

মাৰ্কনীয়ে ৰেডিঅ' আৱিষ্কাৰ কৰিছিল। ৰেডিঅ' নিৰ্মাণৰ বাবে যিখিনি সামগ্ৰীৰ প্ৰয়োজন (যেনে-চুম্বক, বৈদ্যুতিক সৰঞ্জাম, বৈদ্যুতিক তাঁৰ ইত্যাদি) এই সকলো সামগ্ৰী তেওঁ প্ৰথমে আৱিষ্কাৰ কৰি লোৱা নাই। পূৰ্ব চামে আৱিষ্কাৰ কৰি যোৱা সামগ্ৰী (Material) আৰু বৈজ্ঞানিক সূত্ৰ (Scientific theory)ৰ ওপৰত নিৰ্ভৰ কৰিহে তেওঁ ৰেডিঅ' আৱিষ্কাৰ কৰিব পাৰিছে। মাৰ্কনীৰ পাছৰ চামেই আকৌ সেই তত্ত্বৰ উত্তৰণ ঘটাই (Modified) নতুন বস্তু আৱিষ্কাৰ কৰিব পাৰিছে।

প্ৰথম উদাহৰণটোলৈ আমি পুনৰউভতি আহোঁ।

১) চেতনাই মানুহক জ্ঞান দিয়া হ'লে দুয়োজনেই সমানে জ্ঞানসম্পন্ন হৈ উঠিলহেঁতেন। কাৰণ দুয়োজনেই "চেতনা"সম্পন্ন। পৰীক্ষা-নিৰীক্ষাই কয়---

২) সমাজ সম্পৰ্কীয় বা জগতখন সম্পৰ্কীয় জ্ঞান কাৰ সৰ্বাধিক হ'ব? স্বাভাৱিকউত্তৰ---বহিৰ্জগতৰ লগত সম্পৰ্কিত জনৰ।

৩) প্ৰসাৰ কাৰ বাঢ়িব?

সেই একেজনৰেই।

পৰিশেষত আমি নিম্ন লিখিত সিদ্ধান্তলৈ আহিব পাৰিলে আমাৰ পৰৱৰ্তী আলোচনা আগবঢ়োৱাত সহজ হ'ব।



১) আপেল সৰা দেখিহে নিউটনৰমনলৈ চিন্তা আহিছিল "গছৰ ফল সৰিলে ফলটো কিয় পৃথিৱীৰ বুকুলৈ আহে?" অৰ্থাৎ, মানুহৰ চিন্তাৰ উৎস-বস্তু বা বস্তুজগতৰ ঘটনা প্ৰৱাহ।

২) বস্তুবিহীন চেতনা বা চিন্তা বা জ্ঞান আহৰণ সম্ভৱ নহয়।

৩) মানুহৰ জ্ঞানৰ প্ৰথম ধাপ---বস্তু। তাৰ পাছতহে চিন্তা বা চেতনা।

দৰ্শনৰ দুই ধাৰাৰ (ভাৱবাদ-বস্তুবাদ) মাজৰ সংঘাতে শেষত বস্তুবাদকহে প্ৰগতিশীল আৰু বিজ্ঞানসম্মত ধাৰা হিচাবে প্ৰতিষ্ঠিত কৰালে। এই ধাৰাই প্ৰতিষ্ঠা কৰা মতবাদ অনুসৰি বস্তুৰ অস্তিত্ব প্ৰথম আৰু বস্তুময় জগতখনেই সকলো জ্ঞানৰ উৎস। এই বস্তুময় জগতখনত যিবোৰ প্ৰাকৃতিক চিৰসত্য নিয়ম আছে, সেই নিয়মবোৰ সমাজজীৱনৰ বাবেও প্ৰযোজ্য হ'ব। যিহেতু, মানুহৰ সমাজখনো বস্তুময় সমাজৰ পৰা উদ্ভুত।

এইদৰে বিশ্বজগত, মানৱসমাজ, মানুহৰ চিন্তাজগতৰ সকলোবোৰ ঘটনা আৰু সকলো প্ৰক্ৰিয়াৰ বিকাশত যিবোৰ ঘাই-ঘাই নিয়ম বিশ্লেষণ কৰাত আৰু অৱধাৰিত পৰিণতিৰ বিষয়ে যি বিজ্ঞানসম্মত সিদ্ধান্তত উপনীত হোৱাত বস্তুময় জগতখনক মূল আধাৰ হিচাপে লোৱা হয় সেই বস্তুবাদেই "মাৰ্ক্সবাদ"। ❑

(৪)

## মাৰ্ক্সবাদ সম্পৰ্কে

মাৰ্ক্সীয় দৰ্শনৰ জন্মভূমি আছিল মধ্য ইউৰোপ। ঊনৈশ শতিকাৰ মাজভাগৰ পৰাই মাৰ্ক্সবাদৰ বিকাশ আৰম্ভ হয় বুলিব পাৰি। সেই সময়তে ফ্ৰান্স, ইংলেণ্ড, ইটালি, স্পেইন আদি দেশসমূহত পুঁজিবাদৰ বিকাশ দ্ৰুত বৃদ্ধি পায়। ইংলেণ্ডৰ শিল্প বিপ্লৱৰ ফলশ্ৰুতিত ইংলেণ্ডকে ধৰি ইউৰোপৰ পুঁজিবাদী দেশসমূহত আৰু পুঁজিবাদলৈ বিকাশ লাভ কৰিব খোজা দেশসমূহত আৰ্থ-ৰাজনৈতিক আৰু আৰ্থ-সামাজিক ব্যৱস্থাৰ এক আমূল বিশৃংখল অৱস্থাৰ সৃষ্টি হৈছিল। এই বিশৃংখলতাৰ কাৰণ হ'ল—পুঁজিবাদৰ অন্তৰ্বিৰোধৰ ফল, অৰ্থাৎ পুঁজিবাদৰ উত্থানৰ ফলশ্ৰুতিত সমাজত শ্ৰমিক শ্ৰেণী দ্ৰুতভাৱে বাঢ়ি যাবলৈ আৰম্ভ কৰিছিল। মাত্ৰাধিক শ্ৰমশোষণৰ ফলত শ্ৰমিকৰ অৱস্থা পানীত হাঁহ নচৰা হৈছিল, নিবনুৱা সমস্যাই সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰিছিল ইত্যাদি। এই পৰিস্থিতিয়ে বৌদ্ধিক মহলত যথেষ্ট চিন্তাৰ উৎস হিচাবে দেখা দিছিল আৰু সমাজতত্ত্ববিদ, দাৰ্শনিকসকলে প্ৰচলিত সামাজিক তত্ত্ব, সমাজ দৰ্শন, ৰাজনৈতিক দৰ্শন, অৰ্থনৈতিক দৰ্শন, পুঁজিবাদে সৃষ্টি কৰা সমস্যাৰ কাৰণ ইত্যাদি সম্পৰ্কত গভীৰ অনুসন্ধান আৰু অধ্যয়ন আৰম্ভ কৰিছিল। ইতিমধ্যে সংঘটিত হৈ যোৱা বিশেষ ৰাজনৈতিক ঘটনা, ফৰাচী বিপ্লৱ, শিল্প বিপ্লৱ, বাষ্টিলৰ পতন, স্বেচ্ছাচাৰী ৰজাৰ বিৰুদ্ধে প্ৰজা সাধাৰণৰ বিদ্ৰোহ আৰু মূলতঃ সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ পৰিৱৰ্তে



OKDISCD

পুঁজিবাদী সমাজ ব্যৱস্থাৰ উত্থান আদিয়ে মানুহৰ চিন্তাৰ জগত জোকাৰি গৈছিল। এই সকলোবোৰৰ লগত যোগ হ'ল জাৰ্মান চিন্তাবিদসকলৰ চিন্তাচৰ্চা বা জাৰ্মান চিৰায়ত দৰ্শন, জাৰ্মান চিৰায়ত অৰ্থশাস্ত্ৰ আৰু কাল্পনিক সমাজবাদী তত্ত্ব।

সংক্ষিপ্তকৈ আলোচনা কৰিবলৈ গ'লে মাৰ্ক্সবাদ গঢ়ি উঠাৰ ঐতিহাসিক পূৰ্বস্বত্ত্বৰোৰ আছিল ১। **অৰ্থনৈতিক দিশত**—ক) সামন্তবাদৰ স্থানত পুঁজিবাদৰ উত্থান, খ) পুঁজিবাদে নিজে সৃষ্টি কৰা অন্তৰ্বিৰোধ। ২। **ৰাজনৈতিক দিশত**—ক) ফৰাচী বিপ্লৱ, খ) ৰজাৰ বিৰুদ্ধে প্ৰজা সাধাৰণৰ বিদ্ৰোহৰ লেখিয়া সেই সময়ৰ ঘটনাবোৰ। ৩। **সামাজিক দিশক**—ক) ছা-ছিমোঁ ফুৰিয়ে নামৰ ফৰাচী সমাজতত্ত্ববিদৰ উদ্ভাৱিত ইউটোপিয় (কাল্পনিক) সমাজতন্ত্ৰৰ জনপ্ৰিয় ধাৰণা। খ) জাৰ্মান চিৰায়ত দৰ্শন, জাৰ্মান চিৰায়ত অৰ্থশাস্ত্ৰৰ বৰঙণি।

এই আৰ্থ-ৰাজনৈতিক আৰু আৰ্থ-সামাজিক পৰিস্থিতিয়ে মধ্য ইউৰোপৰ চিন্তাজগত তোলপাৰ লগাই থকা সময়ত ১৮১৮ চনত জাৰ্মানত কাৰ্ল মাৰ্ক্স আৰু ১৮২০ চনত ফেডেৰিক এঙ্গেলচৰ জন্ম হয়। সময় আৰু সমাজৰ অগ্ৰগতিৰ লগেলগে তেওঁলোকেও এই সমস্যাবোৰত নিজকে জড়িত কৰে।

কাৰ্লমাৰ্ক্স আৰু ফেডেৰিক এঙ্গেলচে সেই সময়ৰ ফ্ৰান্স, ইংলেণ্ড আদি পুঁজিবাদী দেশসমূহৰ সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক ঘটনাৰাজীৰ গভীৰ বিচাৰ বিশ্লেষণ আৰু অধ্যয়ন কৰিছিল। সেই সময়ৰ সমাজ বিজ্ঞানৰ তত্ত্ব, ৰাজনৈতিক তত্ত্ব আদি গভীৰ অধ্যয়ন আৰু বিশ্লেষণৰ জৰিয়তে পুনৰ মূল্যায়ণ কৰিছিল। কাল্পনিক, বিমূৰ্ত চিন্তাৰ পৰিৱৰ্তে সংগ্ৰামৰত মানুহৰ অভিজ্ঞতাৰ বিচাৰ-বিশ্লেষণ আৰু সেইবোৰৰ সাধাৰণীকৰণ কৰিছিল। আৰু গঢ়ি তুলিছিল এক বিজ্ঞানসন্মত মতবাদ।

এনেদৰে কাৰ্লমাৰ্ক্স আৰু ফেডেৰিক এঙ্গেলচে জীৱনযোৰা সাধনাৰে গঢ়ি তোলা বৈপ্লৱিক মতবাদেইহ'ল মাৰ্ক্সবাদ। কাৰ্লমাৰ্ক্সৰ নাম অনুসৰি ই মাৰ্ক্সবাদৰূপে স্বীকৃত হয়। এই মতবাদ গঢ়ি তুলিবলৈ তেওঁলোকে ওৰেটো জীৱন অহোপুৰুষাৰ্থ কৰিছিল। ব্যক্তিগত জীৱনত কাৰ্লমাৰ্ক্সে বহু সাংসাৰিক দুখ-কষ্ট আৰু অভাৱ-অনাটন মূৰৰ ওপৰেদিপাৰ কৰিও বিশ্বৰ মানুহৰ মুক্তিৰ বাবে তেওঁ অমূল্য অৱদান আগবঢ়াবলৈ অকণো কাৰ্পণ্য কৰা নাই। সাধাৰণ চিকিৎসাৰ অভাৱত মাৰ্ক্সৰ চাৰিটা সন্তান মৃত্যুমুখত পৰিছিল। এটা শিশুৰ মৃত্যুৰ পাছত নিয়ম সংগত অন্ত্যেষ্টিক্ৰিয়াও তেওঁ টকাৰ অভাৱত কৰিব পৰা নাছিল। সেয়েহে সাধাৰণ মানুহৰ দুখবোৰ আৰু অভাৱ-অনাটনৰ উৎস বিশ্বৰ পৰা নাইকিয়া কৰিবলৈ তেওঁ আজীৱন কষ্ট কৰি গ'ল।

মাৰ্ক্সে তেওঁৰ জীৱন কালত যিমানখিনি অৱদান আগবঢ়াই থৈ গ'ল, যিখিনি আজি মাৰ্ক্সবাদ তত্ত্বৰ মূল কথা—সেই বিষয়বস্তুবোৰ হ'ল ১) **দৰ্শন প্ৰসংগত** ঃ জ্ঞানতত্ত্ব, দ্বন্দ্বাত্মক বস্তুবাদ, ঐতিহাসিক বস্তুবাদ আদি—এই বিষয়সমূহ মাৰ্ক্সীয় দৰ্শনৰ মূল বিষয়বস্তু। ২। **অৰ্থনীতি প্ৰসংগত** ঃ পণ্য, উৎপাদন, বিতৰণ আৰু এই সম্পৰ্কীয় আনুষংগিক বিষয়-



বস্তু, পুঁজিবাদ আৰু এইবিলাকৰ চৰিত্ৰ, উদ্বৃত্ত, মূল্যতত্ত্ব আদি বিষয়-বস্তুবোৰ 'মাৰ্ক্সীয় অৰ্থনীতিৰ মূল বিষয়-বস্তু। ৩। **বিজ্ঞানসন্মত সমাজবাদীতত্ত্বৰ প্ৰসংগত** ঃ সমাজ বিপ্লৱ, ৰাষ্ট্ৰৰ উৎপত্তি শ্ৰেণী সংগ্ৰামৰ তত্ত্ব, সমাজবাদ, সাম্যবাদলৈ উত্তৰণ আদি বিষয়-বস্তু বৈজ্ঞানিক সমাজবাদৰ লগত সম্পৰ্কিতএক অনন্য অৱদান। অৰ্থাৎ চমুকৈ ক'বলৈ গ'লে মাৰ্ক্সে দৰ্শন, অৰ্থশাস্ত্ৰ আৰু বিজ্ঞানসন্মত সমাজতত্ত্বৰ দিশতএক অভূতপূৰ্ব মতবাদ সৃষ্টি কৰি গ'ল।

মাৰ্ক্স-এঙ্গেলচৰ এই মাৰ্ক্সবাদক ভিত্তি কৰি কালক্ৰমত কেইবাজনো মণিষীৰ মহৎ অৱদানেৰে মাৰ্ক্সবাদ পুষ্ট হৈছে। মাৰ্ক্সে মাৰ্ক্সবাদৰ উদ্ভাৱন কৰিছিল যদিও ইয়াৰ বাস্তৱ ৰূপায়ণৰ বাবে সময়-সুবিধা নাপালে। মাৰ্ক্সবাদৰ সফল প্ৰয়োগ কৰোঁতা ভ্লাদিমিৰ ইলিচ লেনিনে তেওঁৰ প্ৰতিভাৰ প্ৰজ্ঞাৰে মাৰ্ক্সবাদৰ বহু উত্তৰণ ঘটাই গ'ল। বৰ্তমান যুগত সেয়েহে মাৰ্ক্সবাদ বুলি ক'বলৈ গ'লে মাৰ্ক্সবাদ-লেনিনবাদকেই একত্ৰে বুজা যায়। এই মতবাদ অথবা বৈজ্ঞানিক দৰ্শনে পৃথিৱীজুৰি কোটি-কোটি শ্ৰমজীৱি আৰু নিপীড়িত জনতাৰ মুক্তিৰ বাবে এক বিশাল শক্তিৰূপে পৰীক্ষিত আৰু স্বীকৃত হৈ আহিছে। যিবোৰ দেশত ইতিমধ্যে যুগান্তকাৰী সমাজ বিপ্লৱ সম্পন্ন হৈ গৈছে তেনে দেশ অৰ্থাৎ চীন, ভিয়েটনাম, কিউবা আদি দেশত এই মাৰ্ক্সবাদী-লেনিনবাদী তত্ত্বৰ সফল প্ৰয়োগ ঘটিছে। আৰু এই দেশৰ মহান নেতাসকলে মাৰ্ক্সবাদী-লেনিনবাদীতত্ত্বৰো বহু উত্তৰণ ঘটাবলৈ সক্ষম হৈছে। মাৰ্ক্সবাদ-লেনিনবাদৰ অৱলম্বনত চীনৰ মহান নেতা মাও-চে তুঙৰ মতবাদ আজি মাও-চে-তুং চিন্তাধাৰা বা মাওবাদ (Mao's Theory/Maoism) ৰূপে স্বীকৃত হৈছে। ভিয়েটনামৰ মুক্তি সংগ্ৰামৰ মহান নেতা হো-চি-মিন, কিউবাৰ বৰ্তমানৰো ৰাষ্ট্ৰপ্ৰধান ফিডেল কেষ্ট্ৰো আদিয়েও এই মাৰ্ক্সবাদ-লেনিনবাদক মুক্তি সংগ্ৰামৰ পথ নিৰ্দেশক নীতি হিচাবে গ্ৰহণ কৰিছিল। বৰ্তমানেও পৃথিৱীৰ চিন্তাবিদ, সমাজতত্ত্ববিদ, বৈজ্ঞানিক, দাৰ্শনিক পণ্ডিতসকলে মাৰ্ক্সবাদৰ মহান প্ৰত্যয় আৰু তত্ত্ববোৰক সত্য বুলি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। বহু দাৰ্শনিকে মাৰ্ক্সবাদৰ মহান প্ৰত্যয়বোৰক দেখুৱাই অস্বীকাৰ কৰিলেও তাৰ সুফলবোৰ পুঁজিবাদ গঠনৰ কামত ব্যৱহাৰ কৰিছে।

১৯১৭ চনৰ মহান অক্টোবৰ বিপ্লৱৰ ফলশ্ৰুতিত বিশ্বত পোন প্ৰথমবাৰৰ বাবে মাৰ্ক্সবাদৰ সফল প্ৰয়োগেৰে ৰুচিয়াত বিপ্লৱ কৃতকাৰ্য হয়। এই বিপ্লৱৰ ফলশ্ৰুতিত বিশ্বৰ প্ৰথমখন সমাজবাদী ৰাষ্ট্ৰ হিচাবে ছোভিয়েট ৰুচিয়াই ভূমুকি মাৰে।

তাৰ পাছৰ পৰা ক্ৰমান্বয়ে বিশ্বৰ এখনৰ পাছত এখনকৈ দেশ সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ অংশীদাৰ হৈ পৰে। ১৯৪০ চনত মঙ্গোলীয়া, ১৯৪৯ চনত চীন, ১৯৫৯ চনত কিউবা, ১৯৭৫ চনত ভিয়েটনাম আৰু দ্বিতীয় মহাযুদ্ধৰ সময়ত নাৎসিবাদৰ বিৰুদ্ধে ছোভিয়েট ইউনিয়নৰ লগত বিভিন্ন দেশৰ গণতান্ত্ৰিক আৰু জাতীয় শক্তিসমূহে নাৎসিবাদক পৰাস্ত কৰি বহুদেশে সমাজতান্ত্ৰিক সমাজৰ শৃংখলাত যোগ দিয়ে। এই দেশসমূহ হ'ল—



OKDISCD

পোলেণ্ড, চেকোশ্লোভাকিয়া, জাৰ্মানী, বুলগেৰিয়া, হাঙ্গেৰী, ৰুমানিয়া, যুগোশ্লোভিয়া, আলবেনিয়া, উত্তৰ কোৰিয়া আদি। তাৰ পিছতো বহু দেশ সমাজতান্ত্ৰিক শৃংখলাৰ অংশীদাৰ হয়। যেনে—গিনি বিচাই প্ৰজাতন্ত্ৰ, মোজাম্বিক, কাম্পুচিয়া, লাওচে ইথিওপিয়া, আফগানিস্তান, নিকাৰাগুৱা চান টোমী, প্ৰিঞ্চিপি, কেপভাৰ্দে, এঙ্গোলা আদি।

শেহতীয়াকৈ ১৯৯০ চনত আনুষ্ঠানিকভাৱে ছোভিয়েট ৰুচিয়াৰ পতনৰজৰিয়তেএই সমাজবাদী শিৱিৰত বিশৃংখলতা অহা পৰিলক্ষিত হৈছে। ছোভিয়েট ৰচিয়াৰ পতনৰ কাৰণ বিশ্লেষণত চিন্তাবিদসকলে কিন্তু মাৰ্ক্সবাদক জগৰীয়া কৰিবপৰা নাই। মাৰ্ক্সবাদৰ সঠিক প্ৰয়োগ অবিহনে এনে ঘটনা কেৱল ছোভিয়েট ৰুচিয়াতে নহয় অন্য দেশতো হোৱাটো সম্ভৱ আৰু স্বাভাৱিক বুলি মতপোষণ কৰিছে। ছোভিয়েট ৰুচিয়াত সমাজবাদৰ পতনৰ কাৰণ পাছলৈ থৈও আমি ঐক্যমতত উপনীত হ'ব পাৰোঁ যে মাৰ্ক্সবাদেই হ'ল সৰ্বকালৰ বাবে মানুহৰসমাজ প্ৰকৃতি আৰু মানুহৰচিন্তা জগতৰ সকলোবস্তু আৰু ঘটনাকে বিশ্লেষণ কৰিব পৰা আৰু সমাজক বিকাশৰ দিশে আগুৱাই নিব পৰা একমাত্ৰ দাৰ্শনিক তত্ত্ব। *(আগলৈ)* ❑❑

[ চিন্তামঞ্চত পূৰ্বে প্ৰকাশিত এই ধাৰাবাহিক লিখাটো চিন্তামঞ্চৰ প্ৰকাশ বন্ধ হোৱাত পদাতিকত পুনৰ ধাৰাবাহিকভাৱে প্ৰকাশ কৰা হ'ল। *—সম্পাদক, পদাতিক* ]

তুমি মোৰ কাৰণে হৃদয়ৰ ফুল
একেলগে ফুলিম বুলি ভাবিছিলোঁ,
জীয়াই থাকোঁতে সুখ-সন্তোষেৰে থাকি
একেলগে মৰিম বুলিও ভাবিছিলোঁ,
কিয় তুমি মোৰ সাঁচি ৰখা মৰমকণ
বতাহে এফলীয়াকৈ উৰুৱাই নিয়াৰ দৰে
উৰুৱাই নিলা।

*(কাবান—মিচিং শোকগীত)*



দেশে দেশে সংগ্ৰাম

# জাতীয় মুক্তি সংগ্ৰাম ঃ কুৰ্ডিছ আৰু সিংহলী, তামিল জনগণ...

❑ অনুজুম্ মান্না
দিপক বৰা

সাধাৰণতে প্ৰত্যেক বিবেকবান জাতিয়ে মুক্তিপ্ৰিয়াসী। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় বিভিন্ন সময়ত বিভিন্ন জাতিয়ে তেওঁলোকৰ ন্যায্যপ্ৰাপ্যৰ বাবে বিপ্লৱৰ পথত ভৰি দিছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তত নিপীড়িত জাতিসমূহে সাম্ৰাজ্যবাদী গোষ্ঠী, পুঁজিপতি, জমিদাৰ গোষ্ঠীৰ অৰ্থনৈতিক, ৰাজনৈতিক শোষণৰ পৰা মুক্তি বিচাৰি তীব্ৰ আন্দোলন কৰি আহিছে। এতিয়া বিশ্বৰ চৌদিশে চালিছে মাথোঁ বিপ্লৱৰ কুচ-কাৱাজ। উত্তৰ আয়াৰলেণ্ড, পূব টাইমূৰ, শ্ৰীলংকা, কুৰ্ডিস্তান, ব্ৰহ্মদেশ আদি সকলোতে মুক্তিপ্ৰিয়াসী নিপীড়িত জনগণ আগবাঢ়িছে বিপ্লৱৰ পথলৈ। আমি ইয়াত কুৰ্ডিছ আৰু সিংহলী, তামিল জনগণৰ মুক্তি সংগ্ৰামৰ কিছু সমীক্ষা দাঙি ধৰিম।



## কুৰ্ডিছসকলৰ মুক্তি সংগ্ৰাম ঃ

প্ৰথম মহাযুদ্ধৰ সময়ত কুৰ্ডিছসকল অটোমান আৰু পাৰ্চীয়ান সাম্ৰাজ্যত বিভক্ত হৈ আছিল। যুদ্ধৰ পাছত ঔপনিৱেশিক প্ৰশাসনে তেওঁলোকক মাতৃভূমি দিয়াৰ প্ৰতিশ্ৰুতি দিও সেইকথা নাৰাখিলে। তাৰ পৰিৱৰ্তে মহাযুদ্ধৰ পাছত বৃটিছ সাম্ৰাজ্যবাদৰ পৃষ্ঠপোষকতাত চাৰিখন ৰাষ্ট্ৰৰ মাজত ভগাই দিয়া হ'ল কুৰ্ডিস্তানক। ইৰাক, চিৰিয়া, ইৰাণ আৰু তুৰস্কৰ মাজত সিঁচৰতি হৈ থকা কুৰ্ডিছসকলে তেতিয়াৰ পৰাই সমান্তৰালভাৱে স্বাধীনতাৰ সংগ্ৰামত অৱতীৰ্ণ হৈ আহিছে। স্বায়ত্তশাসনৰ নামত কিছু অধিকাৰ ইৰাকতহে কুৰ্ডিছসকলে ভোগ



OKDISCD

করিছে। বিপৰীতে আটাইকেইখন ৰাষ্ট্ৰতে কুৰ্ডিছসকলৰ মৌলিক অধিকাৰ ভূলুণ্ঠিত হৈ আহিছে। তুৰস্কত আকৌ কুৰ্ডিছসকলৰ নিজৰ মাতৃভাষা কোৱাৰ অধিকাৰকণো নাই। কুৰ্ডিছসকলে গৃহভূমি ইৰাক দখলৰ চেষ্টা কৰিছিল যদিও চাদ্দাম হুছেইনৰ আক্ৰমণত সেয়াও বিফল হ'ল।

আজি প্ৰায় শতিকাজুৰি নিজৰ এখন গৃহভূমি বিচৰা কুৰ্ডিছসকলৰ মুঠ জনসংখ্যাৰ ৫২% তুৰস্কত, ১৮% ইৰাকত, ৫% চিৰিয়াত, ২৪% ইৰাণত আৰু ন্যূনতম ১% ৰুছদেশত বসতি কৰিছে। ইৰাণৰ জাগ্ৰেছ পৰ্বতমালাৰ পৰা আৰম্ভ কৰি ইৰাক, চিৰিয়া আৰু পূব তুৰ্কিস্তানত এওঁলোক সিঁচৰতি হৈ আছে। নিজৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বাৰে বাৰে প্ৰবঞ্চিত হৈ তেওঁলোক ব্যতিব্যস্ত হৈ পৰিছে। তথাপি ভাগি পৰা নাই কুৰ্ডিছসকল। ১৯৪৬ চনত ছোভিয়েটে তেওঁলোকৰ কাৰণে ইৰাণত 'মাহাবাদ ৰিপাব্লিক'ৰ সৃষ্টি কৰিছিল যদিও ছোভিয়েটৰ প্ৰত্যাগমনৰ পাছত ইৰাণত ইয়াৰ পতন ঘটিল। ১৯৬১ চনত কুৰ্ডিছসকলৰ মুস্তাফা বৰজানিয়ে ইৰাকী প্ৰশাসনৰ বিৰুদ্ধে সশস্ত্ৰ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল। ইৰাণৰ ছাহৰ সহায়ত ইৰাকৰ কুৰ্ডিছসকলৰ প্ৰতিবাদী যুদ্ধ (১৯৭৪-৭৫) কিছু পৰিমাণে শক্তিশালী আছিল যদিও চাদ্দাম হুছেইন আৰু ছাহৰ চুক্তিৰ লগে লগে ইয়াৰো দুখজনক পৰিসমাপ্তি ঘটিল। ১৯৮০-৮৮ লৈ ইৰাকৰ হালাবাজাত চাদ্দাম হুছেইনে পাঁচ হেজাৰ কুৰ্ডিছ লোকক হত্যা কৰি আৰু হেজাৰ হেজাৰ ঘৰ-দুৱাৰ ধ্বংস কৰি ইৰাণৰ লগত সহযোগিতা কৰাৰ প্ৰতিশোধ ল'লে।

তথাপি কিন্তু মুক্তিপ্ৰিয়াসী কুৰ্ডিছসকলে এতিয়াও মুক্তি সংগ্ৰাম চলাই আছে অবিৰতভাৱে। ১৯৭৪ চনৰ পৰা তুৰস্কত 'কুৰ্ডিছ ৱৰ্কাৰ্ছ পাৰ্টি'য়ে সশস্ত্ৰ সংগ্ৰামৰ জৰিয়তে নিপীড়িত কুৰ্ডিছসকলৰ ধাৰাবাহিক মুক্তি সংগ্ৰামৰ প্ৰতিনিধিত্ব কৰি আহিছে।

উত্তৰ ইৰাক আৰু তুৰস্কত যোৱা বছৰটোতে বিদ্ৰোহ দমন কৰাৰ নামত অসংখ্য কুৰ্ডিছ নাগৰিকক হত্যা কৰা হৈছে। দেখা গৈছে যে, বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰসমূহো নীৰৱ এইক্ষেত্ৰত, কাৰণ কুৰ্ডিছ ৱৰ্কাৰ্ছ পাৰ্টিৰ অনমনীয় সাম্ৰাজ্যবাদ বিৰোধী নীতি। চোৱা যাওক একবিংশ শতিকাত কুৰ্ডিছ মুক্তি সংগ্ৰাম কি পৰ্যায় পায়গৈ।

## সিংহলী আৰু তামিলসকলৰ বিপ্লৱ ঃ

শ্ৰীলংকাত সিংহলীসকলে অনুভৱ কৰিলে যে, তেওঁলোক অৰ্থনৈতিক আৰু শৈক্ষিকভাৱে বঞ্চিত হৈ আহিছে আৰু তাৰ পৰিণতিস্বৰূপেই ছাত্ৰসকলৰ নেতৃত্বত জনতা বিমুক্তি পেৰামুনা (JVP)ৰ জৰিয়তে সশস্ত্ৰ প্ৰতিৰোধ সংগ্ৰাম আৰম্ভ কৰিলে।

জে-ভি-পিয়ে জনসমৰ্থন আদায় কৰিব পাৰিছিল যদিও ১৯৭১ চনত বিদেশী শক্তিৰ সহায়ত প্ৰশাসনে এই বিদ্ৰোহ দমন কৰে।

১৯৭১ চনৰ পৰা ১৯৭৭ চনলৈ শ্ৰীলংকাত জৰুৰী অৱস্থা ঘোষিত হয় আৰু তাৰ



ফলস্বৰূপে হাজাৰ হাজাৰ বিদ্ৰোহী যুৱক বিনাবিচাৰে কাৰাগাৰলৈ প্ৰেৰিত হয়।

চৰকাৰী নৃশংসতাই একদশমাংশ বিদ্ৰোহীক নিচিহ্ন কৰিলে। ১৯৮৭ চনত ভাৰতৰ লগত চুক্তি কৰি জে-ভি-পি পুনৰ শক্তিশালী হৈ পৰে। ১৯৮৯ চনত পুনৰ জৰুৰী অৱস্থা ঘোষিত হয়। তাত সঘনাই 'নিৰুদ্দেশ হোৱা' আৰু সংঘৰ্ষৰ নামত হত্যা কৰা ঘটনা বৃদ্ধি পালে। সিংহলৰ ৰাজপথত মৃতদেহ আৰু তেজেৰে ভৰি পৰিল আৰু বহুতো মৃতদেহ নদীত উটুৱাই দিয়া হ'ল। ছিন্ন-ভিন্ন মৃতদেহৰ সংখ্যাও নগণ্য নাছিল।

সামৰিক বাহিনীৰ এই নৃশংসতা গোপন হৈ থকা নাছিল। বিশ্বাবাসীয়ে জানিলে যে, শ্ৰীলংকা বধ্যভূমিলৈ পৰিণত হৈছে।

পৰৱৰ্তীকালত JVP ৰ বহু সদস্য সামৰিক বাহিনীত ভৰ্তি হোৱাৰ অভিযোগ উঠিছে।

**তামিল ইলমৰ দাবী ঃ** শ্ৰীলংকাৰ তামিলসকলে সিংহলীসকলৰ পৰা সমব্যৱহাৰ পোৱাৰ যি সপোন দেখিছিল, সেই সপোন সফল নোহোৱাত তেওঁলোকে জাতি, ধৰ্ম আৰু ভাষাৰ উৰ্ধ্বত থকা এখন শ্ৰীলংকাৰ কথা পাহৰি পেলালে। কাৰণ স্বাধীনতাৰ পিছত সংখ্যালঘু তামিলসকলক অৱহেলা কৰি সংখ্যাগৰিষ্ঠ সিংহলী নেতাসকলে সিংহলী ভাষা আৰু বৌদ্ধ ধৰ্মৰ ভেটিত ৰাষ্ট্ৰীয় জাতীয়তাবাদ গঢ়ি তুলিলে।

তামিলসকলে ১৯৪৮ চনৰ পৰা ১৯৫৬ চনলৈ তেওঁলোকৰ ন্যায্য সমতা বিচাৰি আৰু সহযোগিতামূলক চৰকাৰী প্ৰতিনিধিত্ব লাভ কৰিবলৈ বিচাৰিছিল। কিন্তু ১৯৫৬ চনত "কেৱল সিংহলীসকলৰ বাবে আইন" প্ৰৱৰ্তিত হোৱাৰ পিছত তামিলসকলৰ সেই আশাও ধূলিসাৎ হৈছিল।

তাৰ পিছত তামিলসকলে ১৯৫৭ ৰ পৰা ১৯৭২ চনলৈ 'ফেডাৰেল ষ্টেট' বিচাৰি আৰু ১৯৭৩ ৰ পৰা ১৯৭৬ চনলৈ এখন পৃথক ৰাজ্যৰ দাবী তুলিলে।

তেওঁলোকে বুজিলে যে, শান্তিপূৰ্ণ আন্দোলনেৰে সিংহলী জাতিদম্ভৰ আগত তিষ্ঠি থাকিব নোৱাৰি, ফলস্বৰূপে সংগঠিত হ'ল—লিবাৰেচন টাইগাৰ্ছ অৱ তামিল ইলম। এল টি টি ই (LTTE)য়ে জনগণক সংগঠিত কৰি শক্তিশালীভাৱে শ্ৰীলংকা চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সশস্ত্ৰ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিলে। এই সংগ্ৰাম দমনৰ নামত চৰকাৰে জল, স্থল আৰু আকাশমাৰ্গৰ পৰা তেওঁলোকক আক্ৰমণ কৰি অসংখ্য বিদ্ৰোহী আৰু নিৰীহ তামিল জনগণক হত্যা কৰি, শ্ৰীলংকাক এচিয়াৰ ভিতৰতে বৃহত্তম বধ্যভূমিত পৰিণত কৰিলে।

১৯৯১ চনৰ জানুৱাৰীত বিদ্ৰোহীসকলে দেখুওৱা আলোচনাৰ আগ্ৰহ চৰকাৰে আওকাণ কৰিলে। প্ৰমাণ—বন্দী অৱস্থাতে LTTE-ৰ নেতা ৰঞ্জন বিজয়ৰত্নক হত্যা কৰিলে সামৰিক বাহিনীয়ে। ইতিমধ্যে ৰাজীৱ গান্ধী হত্যাকাণ্ডৰ পিছত আলাপ-আলোচনাৰ বিষয়টো ক্ৰমান্বয়ে জটিল হৈ পৰিল।



OKDISCD

১৯৯৪ চন। LTTE-ৰ বাবে দুৰ্ভাগ্যৰ বৰ্ষ। কাৰণ তেওঁলোকৰ মুক্তাঞ্চল জাফ্না শ্ৰীলংকাৰ সেনাই দখল কৰিলে। ইয়াৰ ফলস্বৰূপে এল টি টি ই কিছু পৰিমাণে দুৰ্বল হ'লেও বৰ্তমানেও ই বিশ্বৰ বিদ্ৰোহী সংগঠনসমূহৰ তুলনাত প্ৰবল শক্তিমান। জাফ্নাৰ পিছত সংগঠনটোৰ মূল ঘাটি হয় উত্তৰ শ্ৰীলংকাৰ ৱানি অঞ্চল আৰু তাৰ পৰাই বৰ্তমানেও চৰকাৰৰ বিৰুদ্ধে স্থল, জল আৰু আকাশমাৰ্গেৰে আক্ৰমণ চলাই আছে।

LTTE-ৰ কবলত থকা সকলো অঞ্চল এবছৰৰ ভিতৰতে সেনা-বাহিনীয়ে দখল কৰিব পাৰিব বুলি ১৯৯৬ চনত ৰাষ্ট্ৰপতি কুমাৰতুংগাই যি দাম্ভিক ঘোষণা কৰিছিল তাৰ বিপৰীত ঘটনাহে পৰৱৰ্তী কালত ঘটিত হ'বলৈ ধৰিলে।

বিদ্ৰোহী সংগঠনটোক সম্পূৰ্ণৰূপে নিশ্চিহ্ন কৰাৰ বাবে নিয়োজিত সামৰিক বাহিনীৰহে বিপুল ক্ষয়-ক্ষতি হোৱা দেখা গৈছে। বিগত দুটা বছৰত কলম্বো চহৰৰ মাজ-মজিয়া আৰু চেণ্ট্ৰেল বেংকত বিদ্ৰোহীয়ে বোমা বিস্ফোৰণ ঘটাই তেওঁলোকৰ শক্তিৰ প্ৰমাণ দিলে। মাল্লাইটিভুৰ বৃহৎ সামৰিক শিবিৰ ধ্বংস কৰাটোও বিদ্ৰোহীসকলৰ বাবে এক অন্যতম সাফল্য। দেখা গৈছে চন্দ্ৰিকা কুমাৰতুংগাৰ বিভিন্ন আলোচনা প্ৰস্তাৱ আৰু স্বায়ত্তশাসনৰ প্ৰলোভনক বিদ্ৰোহীসকলৰ লগতে বিভিন্ন সংগঠনে বিৰোধিতা কৰিছে। তামিলসকলৰ মুক্তি সংগ্ৰামত হাজাৰ হাজাৰ কিশোৰ, বৃদ্ধ, যুৱতী, শিশুৱে প্ৰাণ বিসৰ্জন দিছে। বিদ্ৰোহীসকলেও আলোচনাৰ বিপৰীতে শক্তিশালী সশস্ত্ৰ আক্ৰমণৰহে ব্যাপক প্ৰস্তুতি চলাইছে।

এতিয়া শ্ৰীলংকাৰ কিশোৰ-কিশোৰীয়ে যৌৱনৰ ৰঙীন স্বপ্নক চিনি নাপায়। গভীৰ অৰণ্যত বন্দুকৰ ট্ৰিগাৰত আঙুলি থৈ এটা সোণালী পুৱাৰ বাবে প্ৰতিক্ষাৰত হাজাৰ যুৱক-যুৱতী। শিশুহঁতেও পুতলাৰ সৈতে খেলাৰ পৰিবৰ্তে দাঙি লয় আগ্নেয়াস্ত্ৰৰ বোজা।

চোৱা যাওক তামিল জনগণৰ বহুতো ত্যাগ আৰু কষ্টৰ বিনিময়ত গঢ়ি উঠা মুক্তি-যুঁজখন ভৱিষ্যত কেনে পথলৈ আগবাঢ়ে।

*(উৎস ঃ বিভিন্ন আলোচনী)*

পদাতিকৰ সৌজন্যত এলানি সাহিত্য প্ৰতিযোগিতা আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে স্থায়ী ঠিকনাসহ নিজৰ লিখনী অহা বিছ মাৰ্চৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনালৈ পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল।

সাহিত্য প্ৰতিযোগিতা ঃ স্বৰচিত চুটিগল্প আৰু কবিতা প্ৰতিযোগিতা।

ঠিকনা ঃ সম্পাদক 'পদাতিক'
নিউ মিছন মাৰ্কেট, নগাঁও—৭৮২০০১





# অসমৰ কৃষক বিদ্ৰোহ ঃ এটি চমু ইতিহাস

□ আগান মুছাহাৰী

অসমৰ কৃষক বিদ্ৰোহৰ ইতিহাস বুলিলে ১৮৬১ চনৰ পৰা ১৮৯৪ চনলৈকে এই কালছোৱাত হোৱা ইংৰাজ সাম্ৰাজ্যবাদী বিৰোধী তথা শোষণ বিৰোধী কৃষক প্ৰজাৰ বিভিন্ন বিদ্ৰোহবোৰকে জনা যায়। এই বিদ্ৰোহবোৰৰ ভিতৰত ১৮৬১ খৃঃৰ নগাওঁ জিলাৰ ফুলগুৰিৰ বিদ্ৰোহ, ১৮৯৩-৯৪ চনৰ কামৰূপ জিলাৰ ৰঙিয়াত হোৱা কৃষক-জনসাধাৰণৰ বিদ্ৰোহ ১৮৯৪ খৃঃৰ লছিমাৰ বিদ্ৰোহ আৰু ১৮৯৪ খৃঃ ৰ দৰং জিলাৰ পথৰুঘাটৰ কৃষক বিদ্ৰোহবোৰেই উল্লেখযোগ্য।

## ফুলগুৰিৰ বিদ্ৰোহ

নগাওঁ জিলাৰ ফুলগুৰি অঞ্চল প্ৰধানতঃ জনজাতীয় আদিবাসীৰ বাসভূমি আছিল। তেওঁলোক আছিল অত্যন্ত দৰিদ্ৰ। তেওঁলোকে ধান, পান আৰু পপিৰ খেতি কৰি কোনো প্ৰকাৰে জীৱন নিৰ্বাহ কৰিছিল। ১৮৬১ খৃঃ ৰ প্ৰথম ভাগত অসমৰ বৃটিছ শাসক সকলে এই অঞ্চলৰ আদিবাসীৰ ওপৰত প্ৰথম আয়কৰ ধাৰ্য্য কৰে। তেওঁলোকে চোপাৰি আৰু পানৰ ওপৰতা কৰ বহুৱাই আৰু পপি খেতি নিষিদ্ধ বুলি ঘোষণা কৰে, কাৰণ পপিৰ পৰা আদিফম জাতীয় দ্ৰব্য এ বিধ তৈয়াৰ কৰা হয়। ইয়াৰ ফলত কৃষকসকলৰ আৰ্থিক আয় যথেষ্ট পৰিমানে হ্ৰাস পায়। আৰু কৃষকৰ দুৰ্দশাই চৰম ৰূপ ধাৰণ কৰে। এই আকস্মিক উৎপীড়নত কৃষকসকল দিশহাৰা হৈ পৰে।

তেওঁলোকে প্ৰথমে 'মেল'ৰ অধিবেশন আহ্বান কৰে আৰু হাজাৰ হাজাৰ কৃষক ৰাইজে স্বাক্ষৰ আৰু টিপচহী দি কৃৰ্তপক্ষৰ ওচৰত আবেদন পত্ৰ প্ৰদান কৰে - কৰ উঠাই লোৱাৰ বাবে। কিন্তু নগাওঁ জিলাৰ কমিচনাৰে কৃষকৰ এই আবেদন-নিবেদন কোনো গ্ৰাহ্যই নকৰিলে। অৱশেষত কৃষকসকলে বিদ্ৰোহৰ দ্বাৰাই শোষণ-উৎপীড়ন বন্ধ কৰিবলৈ সিদ্ধান্ত ল'লে। সিদ্ধান্ত অনুসৰি ১৮৬১ খৃঃৰ অক্টোবৰ মাহত কৃষক



OKDISCD

জনগণৰ এক বিশাল সমাবেশৰ আয়োজন হয়। হাজাৰ হাজাৰ কৃষকে এই সমাবেশত যোগদান কৰে। পুলিচে প্ৰথমে সমবেত জনতাক ছত্ৰভঙ্গ দিয়াবলৈ চেষ্টা কৰে কিন্তু কৃষকসকলৰ দৃঢ়তাৰ ওচৰত পুলিচৰ সেই চেষ্টা বিফল হয়। অক্টোবৰ মাহৰ ১৮ তাৰিখে পুলিচ কমিচনাৰে এদল সশস্ত্ৰ পুলিচ লৈ সমাবেশত উপস্থিত হয়। তেতিয়া কৃষক প্ৰজাই দাবী কৰে যে আয়কৰ আৰু পপি খেতিৰ নিষেধাজ্ঞা উঠাই নললে তেওঁলোকেও স্থানত্যাগ নকৰে। পুলিচ কমিচনাৰে খঙত উন্মত্ত হৈ পুলিচ বাহিনীৰ সৈতে কৃষকৰ ওপৰত অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে। কৃষক বিদ্ৰোহীৰ প্ৰতি আক্ৰমণত কেইবাজনো পুলিচ ধৰাশায়ী হয়। উদ্যত ৰিভলভাৰ লৈ আগবাঢ়ি অহা পুলিচ কমিচনাৰ সহ তিনিজন, কৃষকৰ লাঠিৰ প্ৰহাৰত ধৰাশায়ী হয়। বিদ্ৰোহীবোৰে তেওঁলোকৰ লাঠিৰে মৰিয়াই হত্যা কৰে। এই ঘটনা দেখি পুলিচ বাহিনী প্ৰাণৰ ভয়ত পলাই যায়।

এই ঘটনা শুনা মাত্ৰকে অসমৰ চীফ কমিচনাৰৰ নিৰ্দেশত ডেপুটি কমিচনাৰে কেইবাশও পদাতিক সৈন্য লৈ ফুলগুৰিত উপস্থিত হয়। তেওঁৰ নিৰ্দেশত সৈন্য বাহিনীয়ে বহু কৃষকক গুলি কৰি হত্যা কৰে আৰু বিদ্ৰোহী কৃষক বৃন্দক গ্ৰেপ্তাৰ কৰি এক আতংকৰ পৰিবেশ সৃষ্টি কৰে। ফুলগুৰিৰ 'মেল'ৰ প্ৰায় সকলো নেতাস্থানীয় ব্যক্তিয়েই গ্ৰেপ্তাৰ হয়।

বিচাৰ হোৱাত 'মেল'ৰ নেতাসকলৰ ভিতৰত নবসিং লালুং, সম্বৰ লালুং, লখন কোঁচ আৰু সুৰেন কোঁচৰ প্ৰাণদণ্ড হয়। শিৱসিং আৰু বাবু ডোমৰ যাৱজ্জীৱন কাৰাদণ্ড হয়, মনি কছাৰী আৰু ময়ৰা সিঙে ১৪ বছৰ কাৰাদণ্ড ভোগ কৰে আৰু লাহু চুতীয়া তিনি বছৰৰ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হয়। এইদৰেই অসমৰ বিখ্যাত ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ অন্ত পৰে।

ইংৰাজ চৰকাৰৰ ভাষ্যত এই বিদ্ৰোহক "দাদা-হাঙ্গামা" বুলি অভিহিত কৰা হৈছিল। কিন্তু স্থানীয় জনসাধাৰনে ইয়াক "ফুলগুৰিৰ ধেৱা" অৰ্থাৎ ফুলগুৰিৰ যুদ্ধ বুলিহে স্মৰণ কৰে।

## ৰঙিয়াৰ বিদ্ৰোহ

অসমৰ সাম্ৰাজ্যবাদী বৃটিছ শাসকসকলে ১৮৯৩ খৃঃ ত অসম উপত্যকাৰ সকলো জিলাৰ ভূমিকৰ শতকৰা ৭০ ভাগৰ পৰা ১০০ ভাগ পৰ্যন্ত বৃদ্ধি কৰাৰ সিদ্ধান্ত



গ্ৰহণ কৰে। এই সংবাদ পায় চৌদিশে বিক্ষোভ সৃষ্টি হয়। গাঁৱে গাঁৱে 'মেল' সমাবেশ আহ্বান কৰে। প্ৰথম অৱস্থাত অসম চীফ কমিচনাৰ আৰু ভাৰত চৰকাৰৰ ওচৰত কৰ বৃদ্ধিৰ সিদ্ধান্ত নাকচ কৰিবলৈ অনুৰোধ জনোৱা হয়। কিন্তু কোনো ফল নিদিয়াত ছাত্ৰসলে নতুন প্ৰতিবাদ আন্দোলন গঢ়ি তোলে। এই আন্দোলন ব্যাপক আকাৰ ধাৰণ কৰে দৰং জিলা আৰু কামৰূপ জিলাত।

কামৰূপ জিলাৰ ৰঙিয়া আছিল প্ৰধানতঃ কছাৰী আদিবাসীৰ বাসভূমি। ৰঙিয়াৰ এই আদিবাসী জনজাতী কৃষক ৰাইজে সাম্ৰাজ্যবাদী বৃটিছৰ কৰ বৃদ্ধিৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰে। ১৮৯৩ খৃঃ ২৪ ডিচেম্বৰ দিনা বিদ্ৰোহী ৰাইজে ৰঙিয়াৰ একমাত্ৰ বজাৰখন আক্ৰমণ কৰি কুখ্যাত মহাজনবোৰৰ দোকান আৰু ব্যৱসায়ৰ কেন্দ্ৰবোৰ লুণ্ঠন কৰি ধ্বংস কৰে। ৩০ ডিচেম্বৰত প্ৰায় তিনি হাজাৰ বিদ্ৰোহী বিভিন্ন অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত হৈ গোটেই ৰাতি বিদ্ৰোহাত্মক ধ্বনি দি দি বিভিন্ন স্থান ভ্ৰমণ কৰে। বিদ্ৰোহীবোৰে পুলিচ থানা, ডাকঘৰ, কাছাৰী আক্ৰমণ কৰাৰ সিদ্ধান্ত লয়। এই খবৰ পাই কামৰূপ জিলাৰ পুলিচ অধীক্ষকে সশস্ত্ৰ পুলিচ আৰু সৈন্য বাহিনী লৈ ৰঙিয়াত উপস্থিত হয়। কিন্তু বিদ্ৰোহী প্ৰজাৰ বিপুল সমাবেশ আৰু জংগী মূৰ্ত্তি দেখি পুলিচ তথা সৈন্য বাহিনীয়ে বাধা দিবলৈ সাহস নকৰিলে। এই অৱস্থাত উপায়ুক্ত, আৰক্ষী অধীক্ষক তথা স্থানীয় জোতদাৰ আৰু মহাজনৰ লগত পৰামৰ্শ কৰি বিদ্ৰোহী ৰাইজক সংযত কৰিবলৈ চেষ্টাও কৰে কিন্তু বিদ্ৰোহীবোৰৰ বাধাদানৰ ফলত সেই চেষ্টাও ব্যৰ্থ হয়।

ইতিমধ্যে এই বিদ্ৰোহ ৰঙিয়াৰ পাৰ্শ্ববৰ্তী পাতি দৰং, নলবাৰী, বৰমা আৰু বজালি লগতে ওপৰ বৰভাগ আৰু সৰুক্ষেত্ৰী মৌজালৈ বিস্তাৰিত হয়।

পলিচে মাৰ-পিতৰ অভিযোগত ১৫ জন কৃষকক গ্ৰেপ্তাৰ কৰি থানাত আৱদ্ধ কৰি ৰাখে। এই সংবাদ শুনা মাত্ৰকে ১০ জানুৱাৰীত ৰঙিয়া আৰু পাশ্বৰ্বৰ্তী নলবাৰী, হাজো প্ৰভৃতি সকলো অঞ্চলৰে হাজাৰ হাজাৰ বিদ্ৰোহী কৃষকৰ এক বিশাল জনতা ৰঙিয়া থানাৰ সংলগ্ন বিস্তৃত পথাৰত সমবেত হৈ ঘাটি স্থাপন কৰে। ইতিমধ্যে চিলং হৈ 'গুৰ্খা' আৰু 'অসম ৰাইফলছ'ৰ এক বিশাল সৈন্য বাহিনী ৰঙিয়াত উপস্থিত হৈয়েই সমৰ-সজ্জা প্ৰস্তুত কৰি তোলে। বিদ্ৰোহীয়েও বিভিন্ন স্থানত শত্ৰ-সৈন্যৰ ওপৰত গেৰিলা আক্ৰমণ কৰি ব্যতিব্যস্ত কৰি তোলে। এই সংঘৰ্ষৰ ফলত বহুতো বিদ্ৰোহী তথা সৈন্য, পুলিচৰ মৃত্যু হয়। ৰঙিয়া আৰু পাৰ্শ্ববৰ্তী এলেকাত দীৰ্ঘকালজুৰি এই সংঘৰ্ষ অব্যাহত থাকে, তথাপি বিদ্ৰোহী ৰাইজে আত্মসমৰ্পন নকৰিলে আৰু কৰ-কাটল দিয়াও বন্ধ কৰি দিয়ে।

## লছিমাৰ বিদ্ৰোহ

ৰঙিয়াৰ বিদ্ৰোহীয়ে ছত্ৰভঙ্গ দিলেও নলবাৰী, বৰমা, বজালি প্ৰভৃতি স্থানত 'মেল'ৰ বৃহৎ সমাবেশ চলি থাকিল। বিদ্ৰোহী নেতৃত্বই গাঁৱে গাঁৱে ঘুৰি ৰাইজক বৃহৎ হাৰত কৰ নিদিবলৈ প্ৰচাৰ চলাই থাকে।

১৮৯৪ খৃঃ ৰ ২১ জানুৱাৰীত বৰপেটা মহকুমাৰ লছিমা অঞ্চলত মহকুমা বিষয়া মাধৱ চন্দ্ৰ বৰদলৈয়ে এদল সশস্ত্ৰ আৰক্ষীৰে সৈতে বৰ্ধিত কৰ আদায় কৰিবলৈ গৈ বিদ্ৰোহী ৰাইজৰ প্ৰচণ্ড সংঘৰ্ষৰ সন্মুখীন হয়। সেই স্থানতে কৰ আনিবলৈ যোৱা মৌজাদাৰ আৰু মণ্ডলসহ এদল সশস্ত্ৰ পুলিচক বিদ্ৰোহী কৃষক ৰাইজে ঘেৰাও কৰি লৈ প্ৰহাৰ কৰে ফলত মণ্ডল এজনৰ থিতাতে মৃত্যু হয়। পিছত সৈন্যবাহিনী আহি ৭৫ জন কৃষকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পাছতেই প্ৰায় তিনি হাজাৰ বিদ্ৰোহী কৃষকে মহকুমা হাকিমৰ কেম্পত উপস্থিত হৈ গ্ৰেপ্তাৰ হোৱা কৃষক কেইজনক মুক্তি দাবী কৰে অন্যথা বিদ্ৰোহীবোৰে হাকিমৰ কেম্প ভষ্মীভূত কৰিব বুলিও কৰ্তৃপক্ষক জনাই দিয়ে। মহকুমা হাকিমে ভয়তে ৭৫ জন কৃষকক অবিলম্বে মুক্তি দিয়ে। এই ঘটনাৰ পিছদিনাই উপায়ুক্ত সহ বহু সৈন্য আৰু সশস্ত্ৰ পুলিচ গৈ বৰপেটাৰ লছিমাত উপস্থিত হয়। তাতেই বিদ্ৰোহীৰ লগত সৈন্য আৰু পুলিচৰ সংঘৰ্ষ হয়। এই সংঘৰ্ষত বহু কৃষক নিহত আৰু আহত তথা অনেক গ্ৰেপ্তাৰ হয়।

২৫ জানুৱাৰীৰ দিনা ছয় হাজাৰ কৃষকে তেওঁলোকৰ স্বাক্ষৰ যুক্ত এখনি পত্ৰ লৈ উপায়ুক্তৰ ওচৰত উপস্থিত হয়। পত্ৰত ধৃত কৃষকসকলৰ মুক্তি আৰু অন্যথা থানা আৰু চৰকাৰী কাৰ্য্যালয়সমূহত অগ্নিসংযোগ কৰা হ'ব বুলি দাবী কৰা হয়। উপায়ুক্তই বিদ্ৰোহী কৃষকৰ দাবী অগ্ৰাহ্য কৰে আৰু লগে লগে আৰক্ষী তথা সৈন্য বাহিনীৰ লগত বিদ্ৰোহীৰ প্ৰচণ্ড সংঘৰ্ষ হয়। কেৱল মাত্ৰ লাঠি লৈ সশস্ত্ৰ সৈন্যৰ বিৰুদ্ধে যুদ্ধ কৰা অসম্ভৱ বুলি জানি বিদ্ৰোহীবোৰে পশ্চাৎ সৰণ কৰে। ইয়াৰ পিছতো সুদীৰ্ঘ কাল ধৰি আৰক্ষী তথা সৈন্য দলৰ সৈতে বিদ্ৰোহীবোৰৰ সংঘৰ্ষ চলি থাকে।

এইদৰেই অসম বুৰঞ্জীৰ কৃষকবিদ্ৰোহৰ অন্ত পৰে। ❑



ডেকা চাং

# একবিংশ শতিকাৰ দুৱাৰ ডলিত গাঁৱৰ যুৱক-যুৱতী

সুৰেন বৰা

অৰাজনৈতিক"ৰ লেবেল মৰা সংগঠনো দেশত আছে, যিবোৰৰ মূল চালিকাশক্তি বোকা পানীত ডাঙৰ হোৱা গাঁৱৰ নিষ্ঠাবান ডেকা-গাভৰু, কিন্তু চাবি পকাই পৰিচালনা বা নিয়ন্ত্ৰণ কৰে শীত-তাপ নিয়ন্ত্ৰিত বিলাসকক্ষত থকা নেতৃত্বই। খাটিখোৱা জনগণৰ অধিকাৰৰ ধ্বনি দি সংগঠনবোৰে ৰাজপথৰ ৰঙা নিচান উৰুৱায়, গওঁা আবাল-বৃদ্ধ-বনিতাই বুকুৰ কুটুমবুলি সংগঠনক আদৰি লয়, প্ৰতিক্ৰিয়াশীল শক্তিৰ দমন আৰু চক্ৰান্তক সাহসেৰে প্ৰত্যাহ্বান জনায়। কিন্তু পৰিণতিত কি দেখা যায়?

যুৱ-সমাজ এখন সমাজৰ অবিচ্ছেদ্য আৰু গুৰুত্বপূৰ্ণ অংশ। যুৱ-সমস্যা সামাজিক সমস্যাৰ পৰা বিচ্ছিন্ন নহয়। "গাঁৱৰ যুৱক-যুৱতীৰ সমস্যা"- বুলি গাঁৱৰ আৰ্থসামাজিক সমস্যাৰাজিৰ পৰা পৃথককৰূপত আলোচনা কৰা কঠিন তথা অসম্ভৱ। অসমৰ জনসংখ্যাৰ ৮০% গাঁওবাসী। এতেকে গাঁৱৰ যুৱ সমস্যা অসমৰ জাতীয় সমস্যাৰে অংশবিশেষ।

আমাৰ গাঁৱলীয়া সমাজখন অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো দিশ আজি অৱক্ষয়ৰ গৰাহত। পুঁজিবাদী, ব্যক্তিবাদী চেতনাই গাঁৱৰ যুগমীয়া সামাজিক কাঠামো ভাঙি পেলাইছে। অথচ গাঁৱকে কেন্দ্ৰ কৰি একালত গঢ়ি উঠিছিল অসমীয়া সভ্যতাৰ বুনিয়াদ। মধ্যযুগত অসমৰ ৰাজধানীৰ নামকৰণ হৈছিল 'গড়গাঁও'। কিন্তু আজি একালৰ একো একোখন সমৃদ্ধিশালী গাঁও পৰিণত হৈছে কিছুমান অৰ্দ্ধাহাৰী, অনাহাৰী, কংকালসাৰ মানুহৰ বাসভূমিত। (বস্তী?) । এসময়ত য'ত আছিল- "ঘৰে ঘৰে ৰং ধেমালীৰ হাট, ঘৰে ঘৰে হাঁহিমুখ"- আজি সৰ্বত্ৰ পৰিলক্ষিত হয় কঙালীৰ ক্ষুধাৰ জুই, উৰুখা পঁজাত নঙঠা শিশুৰ কাতৰ ক্ৰন্দন। যিসময়ত দেশত সেউজবিপ্লৱৰ শ্লোগান দিয়া হৈছে, সেইসময়ত আমাৰ জকাইচুকীয়া গাঁৱৰ কৃষকৰ উন্নত সঁজুলিৰ অভাৱ, শস্যৰ বীজ,সাৰ, কীটনাশক আদিৰ কথা বাদেই। প্ৰাকৃতিক দুৰ্যোগে (বানপানী, অনাবৃষ্টি আদি) খেতিখোলা তচ্‌নচ্ কৰি কৃষকৰ শেষ আশাকনো মূদা মাৰে। সিফালে বজাৰত জুই। দুখীয়া কৃষকৰ সা-সম্পত্তি, মাটি-ভেটি এপদ দুপদকৈ হস্তান্তৰিত হয় সুযোগ সন্ধানী চহকী মহাজনলৈ। লাউলোৱা মানুহবোৰে নিজৰ পেট্‌টোৰ বাবে কোনোবা



OKDISCD

নাৰীয়ে বিক্ৰী কৰে যৌৱন। উপাৰ্জনৰ পথ বিচাৰি ল'ৰা-ছোৱালী ঢাপলি মেলে নগৰলৈ। এনেদৰেই অসমৰ গাঁওবোৰলৈ আহিব ধৰিছে বিষাদৰ ক'লাডাৱৰ। এই সংকটকালত হোজা-চহা ৰাইজ নিৰুপায়, অসহায়। কাৰণ, কৃষি আৰু কুটীৰ শিল্পৰ লগত আজন্ম জড়িত খাটিখোৱা মাটিৰ মানুহবোৰে পাঁচ বছৰৰ মূৰত বুঢ়া-আঙুলিৰ টিপটো দিয়াৰ বাহিৰে কিবা ন্যায্য অধিকাৰ পাইছেনে? শোষণৰ অক্টোপাছ-চেপাত জৰ্জৰিত এই মুমূৰ্ষু সমাজব্যৱস্থাতে যুৱক-যুৱতী পৈনত নাগৰিক হোৱাৰ পথত খোজ দিয়ে। গাঁৱৰ আৰ্থসামাজিক বাতাবৰণৰ গাতে ভেঁজা দি গঢ়ি উঠে যুৱ মানসিকতা, প্ৰভাৱিত হয় যুৱক-যুৱতীৰ জীৱন যাত্ৰা।

সমাজ চিৰন্তন গতিশীল। আদিম স্তৰৰপৰাই প্ৰগতিশীল দিশত আগবাঢ়ি আহি সমাজ আজিৰ অৱস্থাত উপনীত হৈছে। যুৱসমাজ অসীম আৰু অতুল কৰ্মশক্তিৰ ভাণ্ডাৰ। যুৱসমাজেই সমাজ এখনৰ মূল চালিকাশক্তি। যুৱশক্তিয়েই এখন সমাজৰ গতি-প্ৰগতিৰ মূল কাৰক। সেয়ে এই যুৱশক্তিৰ অপচয় বা অৱক্ষয় সমাজখনৰ বিপৰ্যয় বা পতনৰ কাৰণ হৈ পৰে। আজি অসমৰ যুৱশক্তিৰ অপচয় হ'ব ধৰিছে নেকি? একেটা বাক্যতে ক'বলৈ গ'লে অসমৰ যুৱক-যুৱতীৰ অফুৰন্ত কৰ্মশক্তিৰ যথোচিত সদ্ব্যৱহাৰ হোৱা নাই। ইয়াত তৰুণ-তৰুণীৰ শাৰিৰীক, মানসিক বৌদ্ধিক প্ৰতিভাৰাজিৰ প্ৰকাশ আৰু বিকাশ হোৱাৰ উপযুক্ত পৰিবেশ নাই, সুযোগ-সুবিধা নাই, প্ৰচেষ্টাও নাই। বায়ু-পানী আৰু তাপৰ অভাৱত নিৰোগী বীজ এটা শুকাই যোৱাধৰণে পৰিবেশৰ অভাৱত তৰুণ প্ৰতিভা আৰু মনীষাৰ অপমৃত্যু ঘটিছে। খেলা-ধূলা, অভিনয়, সংগীত, শিল্পক'লাত গাঁৱৰ কোনোবা ল'ৰা বা ছোৱালীৰ একান্ত আগ্ৰহ, উজ্বল সম্ভাৱনা তথা দক্ষতা থাকিলেও পৰিবেশ আৰু সুবিধাৰ অভাৱত সেই প্ৰতিভা কঁলিতে মৰহি যাবলৈ বাধ্য।

অসমত প্ৰচলিত ঔপনিবেশক শিক্ষাব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক সমাজৰ প্ৰকৃত মানৱ সম্পদৰূপে গঢ়ি তুলিব নোৱাৰে। এই শিক্ষাব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক প্ৰকৃত আৰু আৱশ্যকীয় শিক্ষালাভৰ পৰা বঞ্চিত কৰে। আনহাতে, আৰ্থসামাজিক সমস্যাহেতু গাঁও অঞ্চলৰ বৃহৎ সংখ্যক ল'ৰা-ছোৱালী নিৰক্ষৰ হৈ ৰয়। সিফালে, শিক্ষাব্যৱস্থা পৰীক্ষাকেন্দ্ৰীক হোৱা বাবে, পাঠ্যক্ৰমৰ বিশেষীকৰণ নোহোৱা বাবে আৰু অন্যান্য কাৰণত বহু ছাত্ৰ-ছাত্ৰীয়ে দুই-এশ্ৰেণী পঢ়িয়ে শিক্ষানুষ্ঠান এৰে। আকৌ, সিফালে শিক্ষা সাং কৰি কৰ্মক্ষেত্ৰলৈ ওলাই আহে,– কৰ্মসংস্থাপনৰ বাট নেপাই নিবনুৱাৰ তালিকাত নাম লিখায়। কাৰণ, এই শিক্ষাৰ লগত উৎপাদন পদ্ধতিৰ, থলুৱা অৰ্থনীতিৰ কোনো সম্পৰ্ক নাই। ই এক আমোলাতান্ত্ৰিক শিক্ষা-পদ্ধতি। শাসকৰ অনুগত কৰ্মচাৰী তৈয়াৰ কৰা যন্ত্ৰ। কিন্তু প্ৰতিবছৰে শিক্ষানুষ্ঠানবোৰৰপৰা সৃষ্টি হোৱা হাজাৰ হাজাৰ শিক্ষিত যুৱক-যুৱতীৰ পৰিবৰ্তে চৰকাৰী পদ ওলায় এপাচি শাকত এটা জালুকৰ দৰে। এতেকে বৃহৎ সংখ্যক শিক্ষিত লোক নিবনুৱা হ'বই লাগিব।

"জোৰ যাৰ মুলুক তাৰ" -নীতিৰে বৰ্ত্তী থকা আজিৰ সমাজব্যৱস্থাত মানৱজীৱনৰ



সকলো ক্ষেত্ৰতে অৰ্থ আৰু ক্ষমতাই নিৰ্ণায়ক ভূমিকা লয়। গাঁৱৰ দুখীয়া ভদীয়া. কতীয়া, আঘোনাৰ সন্তানে সেয়ে কিতাপ-পত্ৰ, টিউচনৰ মাছুল আদিৰ অভাৱত উচ্চ শিক্ষা ল'ব নোৱাৰে, সন্মানজনক বিশেষ 'লাইনৰ' শিক্ষা লবলৈ মুখ মেলিব নোৱাৰে, ৰাষ্ট্ৰীয় প্ৰতিযোগিতামূলক পৰীক্ষাত বহিব নোৱাৰে বা কৃতকাৰ্য্য হ'ব নোৱাৰে, অকল সেয়েনে? অৰ্হতা সম্পন্ন হৈয়ো গাঁৱৰ যুৱক-যুৱতী সামান্য আমোলা- মহৰী জাতীয় চাঁকৰীটোৰপৰাও বঞ্চিত হয়। কাৰণ, দেশত চাকৰীৰ বজাৰ- মাছৰ বজাৰৰ দৰে। ঠায়ে ঠায়ে ধনৰ টোপোলা যচাৰ যাৰ সামৰ্থ নাই তাৰবাবে চাকৰীৰ সপোন আকাশ-কুসুম। হাতত নাই কণটো, বৰসবাহলৈ মনটো! অসমৰ গাৱে ভূএঃ, চুকে কোণে কাঠফুলাৰদৰে গঢ়ি উঠিছে অসংখ্য বিদ্যালয়, মহাবিদ্যালয়। এই "ভেঞ্চাৰ" স্কুল, কলেজবোৰৰ প্ৰতিষ্ঠাৰ আঁৰৰ অন্যতম মূখ্য কাৰণ হৈছে কিছুমান শিক্ষিত যুৱক-যুৱতীৰ সংস্থাপনৰ স্বপ্ন, ভৱিষ্যতৰ প্ৰশ্ন। যদিও সেই শিক্ষানুষ্ঠাসমূহে কেতিয়া চৰকাৰী সাহায্যৰ মুখ দেখিব তাৰ কোনো নিশ্চয়তা নাই।

গাঁৱৰ মুষ্টিমেয় দুজনমান উদ্যোগী যুৱক-যুৱতীয়ে চৰকাৰী চাকৰিৰ মৰীচিকা খেদিবলৈ এৰি দি নিজা শক্তিৰে নিজৰ ভৰিত থিয় দিয়াৰ সংকল্পৰে গাইগুটীয়া অথবা যৌথভাৱে পাতনি মেলিছে ক্ষুদ্ৰ উদ্যোগ, ব্যৱসায় আদিৰ। যথেষ্ট কৃতকাৰ্যও হৈছে তেওঁলোকে। তেওঁলোকৰ স্বাৱলম্বনমুখী চিন্তাধাৰা গাঁৱৰ অন্য যুৱক-যুৱতীৰ ক্ষেত্ৰত সেইবোৰ নিতান্তই অভাৱ পৰিলক্ষিত হয়। আনহাতে এই থলুৱা ক্ষুদ্ৰ উদ্যোগীসকলে উন্নতি কৰিবলৈ হ'লে, তিষ্ঠি থাকিবলৈ হ'লে পুঁজিপতি ব্যৱসায়ীক গোষ্ঠীবোৰৰ আধিপত্য উৎখাত হ'বই লাগিব। তাৰবাবে দেশত এক শক্তিশালী আৰ্থসামাজিক গণ সংগ্ৰাম অপৰিহাৰ্য।

যুৱ-উশৃংখলতা সাম্প্ৰতিক পৰিস্থিতিত এক ভয়াবহ সমস্যা। আৰ্থ-সামাজিক সমস্যা আৰু সংকট, সামাজিক মূল্যবোধৰ অৱক্ষয় আদিৰ ফলত যুৱ-মানসিকতা প্ৰদূষিত আৰু বিকৃত হৈছে। নগৰীয়া ভোগবাদী সভ্যতাৰ বতাহে উপকণ্ঠ গাঁৱলীয়া জীৱনক যিমানে স্পৰ্শ কৰিছে গাঁৱৰ যুৱ-উশৃংখলতাই সিমানে জটিলতৰ ৰূপ ল'ব ধৰিছে। নগৰৰ দৰে গাঁৱৰ পৰিবেশতো কাজিয়া, মাৰ-পিট্, উদ্ভণ্ডালি, মদ-জুৱা, ইভ্‌টিজিং, ৰেগিং আদি স্বাভাৱিক ঘটনাত পৰিণত হৈছে। ভালেমান সম্ভাৱনাপূৰ্ণ যুৱক-যুৱতী স্বাৰ্থান্বেষী শ্ৰেণীৰ 'পাল্লাত' পৰি ধবংমুখী হৈছে। জটিল বাস্তৱৰ সমুখত খোজ পেলাওঁতে হাম্‌খুৰি খাই পৰি নৈৰাশ্য আৰু পথভ্ৰষ্টৰ বলি হোৱা অনেক সুঠাম যুৱক-যুৱতী আসক্ত হৈ পৰিছে নিচাযুক্ত দ্ৰব্যৰ প্ৰতি। বহুতো তৰুণ-তৰুণীয়ে হৈ পৰিছে অপৰাধপ্ৰৱন। চুৰ, ডকাইতি, হত্যা আদি সমাজবিৰোধী কামত নিজকে জড়িত কৰিছে।

ভালেসংখ্যক গাঁৱৰ তৰুণ বলি হৈছে কিছুমান ক্ষমতালিপ্সু ৰাজনৈতিক দালালৰ সস্তীয়া কাৰচাজিৰ। শ্ৰুতিমধুৰ ইস্তাহাৰৰ ফুলজাৰিৰ ব'মভোলা মাটিৰ মানুহৰ অন্তৰ জয় কৰা ৰাজনৈতিক নেতাবোৰে কৌশলেৰে আকৃষ্ট কৰে অপৈনত যুৱক-যুৱতীক।

নিজৰ নিজৰ ক্ষমতাৰ যুঁজত বঞ্চিত শিখৰত উপনীত হ'লেই জখলাৰূপী কৰ্মীবোৰক গোবমাৰি তললৈ খহাই দিয়ে। "অৰাজনৈতিক"ৰ লেবেল মৰা সংগঠনো দেশত আছে, যিবোৰৰ মূল চালিকাশক্তি বোকা পানীত ডাঙৰ হোৱা গাঁৱৰ নিষ্ঠাবান ডেকা-গাভৰু, কিন্তু চাবি পকাই পৰিচালনা বা নিয়ন্ত্ৰণ কৰে শীত-তাপ নিয়ন্ত্ৰিত বিলাসকক্ষত থকা নেতৃত্বই। খাটিখোৱা জনগণৰ অধিকাৰৰ ধ্বনি দি সংগঠনবোৰে ৰাজপথৰ বঙা নিচান উৰুৱায়, গঞা আবাল-বৃদ্ধ-বনিতাই বুকুৰ কুটুমবুলি সংগঠনক আদৰি লয়, প্ৰতিক্ৰিয়াশীল শক্তিৰ দমন আৰু চক্ৰান্তক সাহসেৰে প্ৰত্যাহ্বান জনায়। কিন্তু পৰিণতিত কি দেখা যায়? সুবিধাবাদী, নগৰীয়া মধ্যবিত্তীয় নেতৃত্বই প্ৰতিপক্ষক লগত আপোচ কৰিছে, নিৰ্লজ্জ আত্মসমৰ্পন কৰিছে। জনগনৰ ত্যাগ আৰু শ্ৰম ধূলিত মিহলি হৈছে, আশাৰ জুইত চেঁচাপানী পৰিছে। তৰুণ প্ৰজন্ম বিভ্ৰান্ত আৰু অধঃপতিত হৈছে। অসমচুক্তি, বড়োচুক্তি, মিজো চুক্তি, শ্বিলং চুক্তি আদি খাটি খোৱা জনগনৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামৰ ব্যৰ্থতা আৰু চৰম প্ৰতাৰণাৰ জ্বলন্ত নিদৰ্শন।

সামাজ্যবাদী শোষক শ্ৰেণী আৰু সিঁহতৰ লেজুত ধৰি ফুৰা 'সাংগ পাংগ'বোৰে গণ-সংস্কৃতিৰ সেউজীয়া পথাৰত দুস্কৃতিৰ বিষাক্ত বীজ সিঁচি দিছে। বিভিন্ন ৰংচঙীয়া, মনোমোহা পৰিকল্পনা আৰু মাধ্যমেৰে সাংস্কৃতিক বিপ্লৱৰ নামত আমদানি কৰা হৈছে ৰঘুমলা সংস্কৃতি। সমাজৰ তেজাল তৰুণচামক বাস্তৱ পৰিস্থিতিৰ পৰা, জীৱন সংগ্ৰামৰপৰা আঁতৰাই ৰাখি নিজৰ শোষণৰ হাতোৰা সুৰক্ষিত ৰখাৰ স্বাৰ্থত শৃগাল-ধূৰ্ত শোষকশ্ৰেণীয়ে নানান উপায় আৰু কৌশল অৱলম্বন কৰিছে। কথাছবি, দূৰদৰ্শনত সস্তীয়া ৰোমান্স, বিকৃত যৌনতা প্ৰদৰ্শন, বিভিন্ন প্ৰচাৰ মাধ্যমত নগ্ন, কদৰ্য বিজ্ঞাপন, বিউটি পাৰ্লাৰ, ফেশ্বন শ্ব, সুন্দৰী প্ৰতিযোগিতা (নগ্নতাৰ প্ৰতিযোগিতাহে) বিলাতী মদৰ মহল আদি এনে যৌৱন-ধ্বংসী আঁচনিৰ অংশবিশেষ এইবোৰৰ প্ৰধান গুপুত লক্ষ্য- উঠি অহা চামক বিপথগামী কৰা তৰুণ বিপ্লৱী চেতনা ধ্বংস কৰা।

সমাজৰ বুজন সংখ্যক যুৱক-যুৱতী সম্প্ৰতি অনিশ্চয়তা, হতাশা আৰু ক্ষোভত দগ্ধ। গাঁৱৰ খাটিখোৱা কৃষক বনুৱাৰ দুখ-যাতনা, শোষণকাৰীৰ কেঁকোৰা-চেপা, ৰাজনৈতিক নেতাবোৰৰ, দলবোৰৰ নগ্ন প্ৰতাৰণা, সমাজৰ প্ৰভুত্বশীল শ্ৰেণীৰ ক্ষমতাৰ-খক, শিক্ষানীতি, সমাজনীতি, ৰাজনীতি, প্ৰশাসন আৰু সংস্কৃতিৰ জগতত দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ মইমতীয়া ৰাজত্ব আদি দেখি সমাজৰ, জড়িত অস্তিত্বৰ আশংকাত, নিৰাপত্তাহীনতাত ক্ষুব্ধ হৈ উঠিছে এই চাম যুৱক-যুৱতী। তেওঁলোকৰ ইচ্ছা হয় এই ঘুণে ধৰা, কেৰোণীয়া সমাজব্যৱস্থা সমূলঞ্চে উংখাত কৰি এক নতুন নিভাঁজ সমাজ ব্যৱস্থা গঢ়ি তোলাৰ। কিন্তু এইসকলৰ বিপ্লৱী চেতনাক উচিত পথনিৰ্দেশনা দিয়া ব্যক্তি বা সংগঠনৰ কিছু অভাৱ আজি অনুভৱ হৈছে। কিন্তু আবেগৰ ঢৌৰ বশবৰ্ত্তী হৈ এদিন সকলোবোৰ বিপ্লৱৰ নামত হঠকাৰিতাত পৰিণত হ'লে অসমৰ জাতীয় জীৱনত এক অভূতপূৰ্ব ক্ষতি সাধন হ'ব। ■



